ASSAM LEGISLATIVE ASSEMBLY
SECRETARIAT

Legis. A. Debates 1988
April 8th April

DP671

सत्यमेव जयते

# OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**Vol. I**

**No. 13** – 19

The 4th April, 1988

Price – Rs. 24·30

CONTENTS

## BUDGET SESSION

### Volume I

### No. 13

### Dated, the 4th April, 1988


| | | |
|---|---|---|
| 1. | Questions & Answers ... ... ... ... ... ... ... ... ... ... | 1 |
| 2. | Calling Attention ... ... ... ... ... ... ... ... ... ... | 57 |
| 3. | Matter under Rule 301 ... ... ... ... ... ... ... ... ... | 63 |
| 4. | Presentation of Report ... ... ... ... ... ... ... ... ... | 63 |
| 5. | Government Bill ... ... ... ... ... ... ... ... ... ... ... | 64 |
| 6. | Discussion under Rule 49 ... ... ... ... ... ... ... ... | 64 |
| 7. | General Discussion on the Budget ... ... ... ... ... ... | 65 |
| 8. | Obituary Reference ... ... ... ... ... ... ... ... ... ... | 109 |
| 9. | Adjournment ... ... ... ... ... ... ... ... ... ... ... | 110 |
| 10. | Annexures ... ... ... ... ... ... ... ... ... ... ... | 110 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Monday, April 4, 1988

The house met at 9 A.M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

### STARRED
### QUESTIONS AND ANSWERS
( To which oral answers were given )

বিষয় : চৰকাৰী, বেচৰকাৰী প্ৰতিস্থানত হিচাবৰ মাফ্ আৰু হিচাব পৰীক্ষা।

শ্ৰীদেবকুমাৰ বৰাই সুধিছে :

* ২২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰী, অৰ্দ্ধচৰকাৰী, বেচৰকাৰী অনুস্থান প্ৰতিস্থান সমূহত হিচাব ৰক্ষক (Accountant) হিচাব পৰীক্ষক (Auditor) কোষাধ্যক্ষ (Cashier) আৰু পৰিচালনা পৰ্য্যায়ৰ পদ সমূহত বাণিজ্যৰ শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীসকলক নিয়োগ কৰিব লাগে যদিও অসম চৰকাৰৰ সেৱা আইন (Service rule) খন ইয়াৰ পৰিপন্থী হোৱাত উক্ত বিষয়েৰে শিক্ষিত যুৱক-যুৱতীসকল নিযুক্তিৰ পৰা আজিও বঞ্চিত হৈ আছে, এই কথা চৰকাৰে জানেনে ?

(খ) যদি জানে এই বিষয়ত চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) শিক্ষা অনুযায়ী কৰ্ম সংস্থানৰ দিশটোলৈ চাই অসম চৰকাৰৰ সেৱাআইনখন (Service rule) সংশোধন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম নিম্ন গণনা সেৱা বিধি ১৯৬৩ চন আৰু অসম নিম্ন স্থানীয় নিধি হিচাব পৰীক্ষা বিধি ১৯৬৩ চনত উল্লেখ থকা মতে এই সেৱা বিধিৰ সহকাৰী মাণ্ডলিক গাণনিক আৰু সহকাৰী হিচাব পৰীক্ষক পদৰ প্ৰাথমিক মকৰলৰ কাৰণে নিম্নতম শিক্ষাগত অৰ্হতা বিশ্ববিদ্যালয়ৰ কলা স্নাতক, বিজ্ঞান স্নাতক বা বাণিজ্যিক স্নাতক হোৱাৰ ব্যৱস্থা আছে। গতিকে এই সেৱা বিধিখন বাণিজ্যিক স্নাতকসকলৰ

নিযুক্তিৰ পৰিপন্থী হোৱা নাই আৰু তেওঁলোকক চাকৰিৰ পৰা বঞ্চিত কৰাৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

(গ) যিহেতু এই সেৱা বিধিয়ে বিশ্ববিদ্যালয়ৰ সকলো স্নাতককে মকবল পোৱাত সমান সুযোগ দিছে, সেয়েহে চৰকাৰে উক্ত সেৱা বিধি সংশোধন কৰাৰ প্ৰয়োজন বোধ কৰা নাই।

শ্ৰীদেৱকুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি গুৰুত্ব দিছে, ভৱিষ্যতে ভাল হব বুলি ভাবিছো, সেই কাৰণে মই পৰিপূৰক প্ৰশ্ন হিচাপে জনাব খুজিছো যে যিকোনো "স্পেচিয়েল এডুকেচন" বিষয় থাকে সেইধৰণে ধৰক 'ইঞ্জিনিয়াৰিং টেকনিকেল চাবজেক্ট' হিচাপে যিসকলৰ কাৰিকৰী জ্ঞান আছে সেইসকলক সেইধৰণে নিযুক্তি দিয়াটো বাঞ্চনীয়। একেধৰণৰ ক'লা বিভাগৰ কাৰণে বহুতো চাকৰি মুকলি আছে বুলি ভাৱো। সেইধৰণে বিজ্ঞানৰো সা-সুবিধা আছে, কিন্তু বাণিজ্যিক শিক্ষা বোলাও এটা কথা আছে। একাউনটেন্সী, একাউনটেন্ট, অডিটৰ এই ধৰণৰ বিষয়বিলাক বিজ্ঞান বা ক'লা বিভাগৰ স্নাতক লোকসকলে দখল কৰি আহিছে। কিন্তু সেই চাকৰিবিলাক বাণিজ্যিক স্নাতকধাৰীৰ কাৰণে সংৰক্ষিত কৰি ৰাখিবৰ কাৰণে, কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিভাগক চাবলৈ দিয়া হৈছে।

বিষয় : ভাৰতৰ প্ৰথম স্বাধীনতাৰ পতাকা উত্তোলন।

শ্ৰীনবীন শইকীয়াই সুধিছে :

* ২২২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে চতিয়া থানাত পোন প্ৰথম বাৰৰ বাবে স্বাধীনতাৰ পতাকা উত্তোলন কৰা ঐতিহাসিক ঘটনাটোক স্বীকৃতি কেতিয়াকৈ দিব ?

(খ) কেন্দ্ৰীয় চৰকাৰৰ সৈতে এই বিষয়ে অসম চৰকাৰে কিবা যোগাযোগ কৰিছেনে ?

(গ) যদি কেন্দ্ৰীয় চৰকাৰে এই ঐতিহাসিক ঘটনাটোক স্বীকৃতি নিদিয়ে তেন্তে অসম চৰকাৰে নিজা ধৰণীয়াকৈ স্বীকৃতি দিয়াৰ সিদ্ধান্ত লবনে ?

(ঘ) এই ঘটনাক কেন্দ্ৰ কৰি মুক্তি যুজাৰু সকলৰ ত্যাগক স্বীকৃতি দিবৰ বাবে পূৰ্ব্বে অসম চৰকাৰৰ ওচৰত দাবী জনাই দিয়া নিম্ন লিখিত বিষয় কেইটা কাৰ্য্যকৰী কৰিবনে ? যেনে—

১। চতিয়া থানাখনক আদৰ্শ থানা হিচাবে নিৰ্ম্মাণ কৰিবলৈ আৱশ্যকীয় টকা মঞ্জুৰ কৰা।

২। এটা স্মৃতিসৌধ নিৰ্মাণ কৰা আৰু থানাখন সংৰক্ষণ কৰা।

৩। পৰ্য্যটকসকলক আকৰ্ষণ কৰিব পৰাকৈ এটা পৰ্য্যটক নিবাস স্থাপন কৰা।

৪। এটা কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান স্থাপন কৰা।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক), (খ), (গ)— এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা উত্তৰ পালেহে যথোপযোগী ব্যৱস্থা লোৱা হব।

(ঘ) এই বিষয়ে চৰকাৰে সময়ত বিবেচনা কৰিব।

## বিষয়ঃ অসম নগা ৰাজ্যৰ সীমা।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে :

* ২২৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগালেণ্ড আৰু অসমৰ সীমা সম্পৰ্কে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে আলোচনা কৰাৰ পাছত উক্ত দিশত কেনেধৰণৰ অগ্ৰগতি লাভ কৰিছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নগালেণ্ড আৰু অসমৰ সীমা সম্পৰ্কত যোৱা ফেব্ৰুৱাৰী মাহৰ ৪ (চাৰি) তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ আমন্ত্ৰণ ক্ৰমে নতুন দিল্লীত অসম আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ আলোচনা হয়। এই আলোচনাত অসম নগালেণ্ড সীমা বিবাদৰ এটা স্থায়ী সমাধানৰ কাৰণে বিভিন্ন পৰামৰ্শৱলী আলোচনা কৰা হয়। প্ৰাৰম্ভিক আলোচনাৰ পিচত পুনৰ আলোচনা চলাবলৈ সিদ্ধান্ত কৰা হয়।

শ্ৰীনৰেন তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো আলোচনা হ'ল বুলি জনাইছে সেইটো কেনেধৰণে, কোন কোন ধৰণে হ'ল চমুকৈ আমাক জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চূড়ান্ত সিদ্ধান্তত উপনীত হব পৰা নহ'ল। পুনৰ আলোচনাৰ বাবে দুৱাৰ মুকলি ৰখা হৈছে।

## Re : Utilisation Of Money For Annual Plan

Shri Ardhendu Kumar Dey asked :

* 224. Will the Chief Minister be pleased to state :

(a) Whether the total allotment of money for Annual Plan for the year 1987-88 was fully utilised ?

(b) If not the amount refunded unused ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Figures of utilisation of plan funds are usually available by the end of April of the following year. However, present indications are that the funds for the Annual Plan 1987-88 will be fully utilised.

(b) In view of the above, the information cannot be furnished at present.

ড° অৰ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ের উত্তর শুনলাম। কিন্তু একতা ব্যাপার হলো যে এন্নুয়েল প্ল্যানের জন্য যে টাকা ধৰা হয় সেটা ঠিক সময় মত রিলিজ না করার জন্য সে টাকা ভাল ভাবে ইউটিলাইজ হয় না। এ ব্যাপারে মুখ্যমন্ত্ৰী মহোদয় দয়া করে এনকুয়ারী করে দেখবেন কি ? আমি এর একটা উদাহরণ দিচ্ছি। আমাদের হোজাই পি এইচ ই ডিভিজনে কয়েকদিন আগে লক্ষ লক্ষ টাকা মঞ্জুর করা হয়েছে এবং এই টাকায় সেখানে বিভিন্ন ম্যাটারিয়েল কেনা হয়েছে যে গুলি আগামী এক বছরে কোন কাজে লাগবে না। মুখ্যমন্ত্ৰী মহোদয় একটা এস্যুরেন্স দিবেন কি যে এন্নুয়েল প্ল্যানের টাকা বিভাগ গুলিকে সময় মত দেওয়া হবে এবং যে জিনিষ হোজাই ডিভিজনে কেনা হয়েছে সেগুলির প্রোপার ইউটিলাইজেশন হবে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কাম কৰিবলৈ হয়তো কিছুমান বস্তু কিনিব লাগিব। কিন্তু কিবা যদি অভিযোগ থাকে সেই অভিযোগ যদি দাখিল কৰে তেন্তে মই নিশ্চয় তদন্ত কৰি ব্যৱস্থা লম।

ডঃ অৰ্ধেন্দু কুমার দে : স্যার, আমি নির্দ্দিষ্ট ভাবে উল্লেখ করেছি যে হোজাই পি এইছ ই ডিভিজনে লক্ষ লক্ষ টাকার জিনিষ কেনা হয়েছে, যে গুলি আগামী এক বছরে কোন কাজে লাগবে না। সুতরাং এই ব্যাপারে একটা তদন্ত করে এই অধিবেশন চলাকালীন সময়ে এর একটা রিপোর্ট পেশ করবেন কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, লক্ষ লক্ষ টকাৰ বয়-বস্তু কিনিছে, সেইবিলাক কিনিলে 'মিচএপ্ৰ'পিয়েচন' হোৱা বুলি ধৰিব নোৱাৰি। কিবা নিৰ্দিষ্ট অভিযোগ থাকিলে মই সেইবিলাক জনালে তদন্ত কৰিব পাৰো।

ড⁰ অৰ্ধেন্দু কুমাৰ দে : স্যাৰ, আমাৰ মনে হয় আমাৰ এই অভিযোগটি সুনিৰ্দ্দিষ্ট।

Shri Santi Ranjan Das Gupta : Sir, Why there is a always delay in releasing the planned money ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো সকলো বিভাগৰ ক্ষেত্ৰত নহয়। কিছুমান বিভাগৰ ক্ষেত্ৰত হয়, যেনে পি. ডব্লিউ, ডি বিভাগত বাৰিষা হ'লে কাম কৰিব নোৱাৰে, সেইকাৰণে এই বিভাগত যি কাম হয় খৰালীহে কৰিব পাৰে। পিচত টকা চেংচন দিয়া হয়।

Staoud Question No. 225 was not called for. However written replies deemed to have been laid on the Table as follows :

বিষয় : ডিজেল পাম্পচেট

শ্ৰীইউচুফ আলী আহমেদে সুধিছে :

* ২২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ১৯৮৫-৮৬ চনৰ ASCADA বিভাগৰ পৰা বিলাসীপাৰা উন্নয়ন খণ্ডত কমপেক্ট এড়িয়াৰ কাৰণে যি ৬টা ডিজেল পাম্পচেট দিয়া হৈছিল, তাৰ সম্পূৰ্ণ বিলৰ টকা দিয়া হৈছেনে ?

(খ) এই ডিজেল পাম্পচেট যোগানৰ খেলিমেলিৰ বিষয়ে প্ৰশ্নকৰ্ত্তাই বিভাগীয় সঞ্চালকক লিখিত ভাবে জনোৱাত সঞ্চালক গৰাকীয়ে কি ব্যৱস্থা লৈছে জনাবনে ?

(গ) যদি কোনো ব্যৱস্থা লোৱা নাই তৎকালীন ভাৱে ব্যৱস্থা লোৱা হবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দিয়া হৈছে ।

(খ) ডিজেল পাম্পচেটৰ যোগানৰ ক্ষেত্ৰত কোনো খেলিমেলি হোৱা বুলি প্ৰশ্নকৰ্তাৰ পৰা সঙ্কালকে পোৱা নাই ।

(গ) প্ৰশ্ন নুঠে ।

## Re : Land Ceiling Case

Shri Abdul Jabbar asked :

* 226. Will the Minister, Revenue be pleased to State :

(a) Whether the Government is aware that the learned Addl. Deputy Commissioner, Kamrup vide his order dated 30-10-87 and 24-12-87 has dropped the Land Ceiling Case No. 2/75 allowing Sri Abdul Haque to enable him to regain the Ceiling Surplus land measuring 376 Bighas and 8 Lechas under Beltola Mouza.

(b) Whether these Lands were declared earlier as Ceiling Surplus Lands by the Collector, Kamrup in 1976 and land records were corrected accordingly ?

(c) Whether the orders of the learned Addl. Deputy Commissioner, Kamrup mentioned in (a) above have been submitted to the Government as required under the Act ?

(d) Whether these Ceiling Surplus Lands fall within the areas of the greater Gauhati Master plan ?

(e) Whether any appeal has been filed before the State Government by some riyats in February, 1988 and if so what action has so far been taken ?

Sri Thaneswar Boro (Minister, Revenue) replied :

(a) Government is aware that the Addl. Deputy Commissioner, Kamrup, dropped the Land Ceiling Case No 2/75 by his orders dated 30-10-87 observing that no excess land

was found for acquisition under Land Ceiling Act.

As the land belonging to Sri Abdul Hoque involved in the case was found to be with shares of other Co-pattadars and claimant purchaser, there was no Ceiling Surplus Land to be acquired.

(b) The records of the case originally started, being not available, a fresh case was started on 4.4.86 by the Collector, Kamrup as directed by Government and the same has been disposed of by Addl. Deputy Commissioner, Kamrup, as stated above. It could not be ascertained about orders of the Collector for acquining excess land in the Ceiling Case started in 1976, as the same is not available.

(c) Yes.

(d) No Ceiling Surplus land has been found in the case as per final orders of the Collector. The land involved in the case falls within greater Guwahati except 12B-0K-4 L. of land of Sonapur village. The land falling within the greater Guwahati falls outside the Urban Agglomeration area of Guwahati City.

e) One Sri German Rabha, and Sri Abdul Kasim have filed two petitions dated 8.1.88 and 5.2.88 before Government on 4.2.88 and 11.2.88 respectively against the orders of the Collector, Kamrup. Under Section 7(6) of the L.C. Act. Parawise report on the petitions and the case records have been called for from the Collector, Kamrup. The petitions would be disposed of by Government as per Law.

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়. এই কেচটোৰ সন্দৰ্ভত ইতিমধ্যে অসমবাণী, অগ্ৰদূত, জনজীৱন আদি বিভিন্ন কাকতত বাতৰি ওলাই গৈছে। এতিয়া মোৰ প্ৰশ্ন হৈছে, এই বিবাদমান মাটিটো ১৯৭৬ চনৰ পৰাই শ্ৰীআব্দুল হকৰ নামত আছিলনে নাই, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নোত্তৰত ইতিমধ্যে কৈছোৱেই। ১৯৭৬ চনত যিটো কেছ তৰা হৈছিল তাৰ কোনো ৰেকৰ্ড পাতি পোৱা নগল। সেইকাৰণেই ৪।৪।১৯৮৬ চনত এটা নতুন কেছ তৰা হয়

এই কেছটো এতিয়াও অনুসন্ধান হৈ আছে। সেইটো চৰকাৰৰ ওচৰলৈ আহিছে। অনুসন্ধান চলাই থকা হৈছে। এতিয়াও কোনো ফাইনেল' হোৱা নাই।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৬ চনতে বাতোৱাৰী হোৱাৰ পিছত এটা মাটি নামজাৰি নোহোৱাকৈ থকা কথাটো বিশ্বাস কৰিবলৈ টান লগা কথা। মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে কি কয় ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে সোধা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মই কব খুজিছো যে, The entire land involved in the L. C. case originally belonged to one Late Didaruddin who died in 1936 leaving behind his wife, 3 (three) sons, and 5 (five) daughters as heirs. So, the land has been inherited by these 9 (nine) inheritors. Besides, these 9 (nine) inheritors, one Shri Haladhar Kalita became a land owner in respect of 3B-2K-1L of land by right of purchase before 1.4.70.

2) The names of 3 (three) sons of Late Didaruddin (1) Majibuddin, (2) Md. Abdul Haque and (3) Md. Kutubuddin.

3) Records reveal that there was a registered family partitions deed in 1946 amongst the heirs of Late **Didaruddin.** As per this deed, the wife of Late Didaruddin, **got 28B of** land and the 5 (five) daughters got 130 Bighas @ 26 Bighas each. Thus the total land of 158 Bighas are found as shares of Land of the wife and the 5 daughters of Late Didaruddin.

The share of Land of Md. Abdul Haque and his 2 (two) separate sons has been found to be 92B 1K-6L only.

The shares of land of Md Mujibuddin and Md. Kutubuddin are found to be 125B-4K-2L only.

After examination the Collector, Kamrup has bound that the land involved in the L. C. case has already been found by the Collector to be below the ceiling limit.

বিষয় : মণ্ডল কাননগোৰ শ্ৰেণী ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

* ২২৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ মণ্ডল কাননগোসকল কোন শ্ৰেণীভূক্ত কৰ্ম্মচাৰী ?

(খ) উক্ত মণ্ডল কাননগোসকলে বহুদিনৰ পৰা তেওঁলোকৰ দৰমহা সংশোধনীৰ বাবে দাবী জনাই আহিছে, এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) অসমৰ মণ্ডল কাননগোসকল তৃতীয় শ্ৰেণীভূক্ত কৰ্মচাৰী ।

(খ) মণ্ডল কাননগোসকলৰ দৰমহা শ্ৰেণীভূক্ত হিচাবে সংশোধনীৰ বিষয়টো বিবেচনাধীন হৈ আছে ।

শ্ৰীৰত্নেশ্বৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত অসমৰ মণ্ডল, কাননগোসকল তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী বুলি উল্লেখ কৰিছে । কিন্তু তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী হিচাবে তেওঁলোকে পাবলগীয়া সুবিধাখিনি পাইছেনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মণ্ডল, কাননগোসকলক যদিও তৃতীয় শ্ৰেণীৰ চাকৰিয়াল হিচাবে গণ্য কৰা হৈছে কিন্তু তেওঁলোকৰ দৰমহাৰ ক্ষেত্ৰত কিছু 'পেৰিটি' আছে ডেছ'ক্ৰেপচন আছে । মণ্ডলসকলৰ ৪২০ টকাৰ পৰা আৰু কাননগোসকলৰ ৫০০ টকাৰ পৰা । আমি এতিয়া গ্ৰামসেৱকসকলৰ দৰমহা অনুসৰি মণ্ডল কাননগোসকলক দৰমহা দিয়াৰ কথা বিবেচনা কৰি আছো ।

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মণ্ডল, কাননগোসকলৰ ব্যক্তিগত সম্পত্তি সমূহ এচেচমেণ্ট কৰিবনেকি ? প্ৰায় ক্ষেত্ৰতেই দেখা যায় এই কৰ্ম্মচাৰী সকলৰ উপাৰ্জনতকৈ ৫0 গুণ অধিক সম্পত্তি দেখা যায় ।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোনো নিৰ্দিষ্ট কৰ্ম্মচাৰীৰ ওপৰত স্পেচিফিক অভিযোগ আনিলে সেইটো অনুসন্ধান কৰা হব । মণ্ডল কাননগোসকলে যাতে দুৰ্নীতি কৰিব নোৱাৰে তাৰ কাৰণে তেওলোকৰ দৰমহা বৃদ্ধি কৰা হৈছে ।

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, লামডিঙৰ মণ্ডলজন একে ঠাইতে যোৱা ২০ বছৰ ধৰি আছে । তেওৰ নগাও চহৰত এটা তিনিতলাৰ ঘৰ আছে,

লামডিঙতো আছে, গাড়ীও আছে আৰু মটৰ চাইকেলো আছে। মন্ত্ৰী মহোদয়ে দয়া কৰি এই মণ্ডলজনৰ সম্পত্তি এচেচমেণ্ট কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : সদস্যজনে নিৰ্দিষ্ট অভিযোগ দিলে অনুসন্ধান কৰা হব।

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, মই অভিযোগ দিম। আগতেও দিছিলো কিন্তু অভিযোগৰ ফাইল হেৰায় যায়।

শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল : অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে জনাবনেকি এই মণ্ডল কাননগোসকলৰ শিক্ষাগত অৰ্হতা কিমান ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মণ্ডল কাননগোসকলৰ শিক্ষাগত অৰ্হতা এম. ভি, এম. ই পাছ আছিল। কিন্তু আমি বৰ্তমান তেওলোকৰ শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ হব লাগিব বুলি নিৰ্ধাৰণ কৰিছো।

বিষয় : মহকুমা বিকেন্দ্ৰীকৰণ

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে :

* ২২৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মহকুমা বিকেন্দ্ৰীকৰণৰ শিতানত শদিয়া মহকুমাৰ বাবে কিমান টকা অনুমোদিত হৈছে ?

(খ) শদিয়া মহকুমাটো অসম-অৰুনাচল সীমান্তবৰ্তী মহকুমা হিচাবে চৰকাৰে বিবেচনা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত শদিয়া মহকুমাৰ বাবে অনুমোদিত মুঠ ধনৰ পৰিমাণ হ'ল ৫০ লাখ ৬৭ হেজাৰ টকা।

(খ) ভৌগলিক দৃষ্টিৰ পৰা শদিয়া মহকুমা অৰুনাচল-অসমৰ সীমান্তবৰ্তী মহকুমা হয়।

শ্ৰীমতী জ্যোৎস্না সোনোৱাল : অধ্যক্ষ মহোদয়, শদিয়া মহকুমাটো বোৰ্ডাৰ অঞ্চল হিচাবে সকলো প্ৰকাৰৰ উন্নত কৰাৰ বাবে উন্নয়নমূলক আচনিবোৰ লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত কেইটামান বিভাগৰ কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আচনি সমূহৰ বাবে মহকুমাটোৱে ২ লাখ ৬৫ হেজাৰ টকাৰ আবণ্টন পাইছে। মহকুমাটো সকলো ফালৰ পৰা উন্নত কৰাৰ ব্যৱস্থা কৰা হ'ব।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, শদিয়া একেবাৰে অসমৰ এমূৰে অৱস্থিত মহকুমা। এই মহকুমাটোক বিশেষ ভাবে উন্নত কৰাৰ কাৰণে চৰকাৰে বিশেষ উন্নয়নমূলক আচনি লোৱাত নজৰ দিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নিয়ম কানুনৰ মাজেদি যিখিনি কৰিব পৰা যায় সেইখিনি কৰা হব।

**Re : Inter-State Border.**

Shri Manilal Gowala asked.

* 229. Will the Chief Minister be pleased to State :

(a) Whether it is a fact that Patharkandi Assembly Constituency is surrounded on its two sides by the Inter-State Borders viz. Tripura and Mizoram ?

(b) The Schemes taken up by the Government for development of the border areas of the said constituency ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৮৬ ৮৭ চনত নিম্ন লিখিত আচনি সমূহ লোৱা হৈছে।

১। এখন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন মজলীয়া বিদ্যালয়।

২। খোৱা পানী যোগানৰ বাবে ১১টা পকা কুঁৱা।

শ্ৰীমনিলাল গুৱালা ঃ অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত ইণ্টাৰ ষ্টেট বাউণ্ডাৰী ডেভেলোপমেণ্ট কৰিবৰ কাৰণে কৰিমগঞ্জ মহকুমাত কিমান টকা দিয়া হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জিলা হিচাবে টকাবোৰ ভাগ কৰি দিয়া নহয় তথাপি মই কব খোজো যে পাথাৰকান্দি আৰু ৰাটাবাৰী বিধানসভা সমষ্টি দুটা মিজোৰাম আৰু ত্ৰিপুৰাৰ সীমান্তত অৱস্থিত উক্ত আন্তঃ প্ৰাদেশিক সীমান্ত অঞ্চল উন্নতিৰ বাবে কৰিমগঞ্জ জিলাৰ উপায়ুক্তক

১৯৮৬-৮৭ চনত ১০ লাখ টকা অনুমোদন দিয়া হয়। ইয়াৰে ৪,০০,৩২৮ টকা ৰাতাবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চেৰাগী সংৰক্ষিত এলেকাৰ ৪.৭০ কিলো-মিটাৰ বাট পথ উন্নতি আৰু মেৰামতিৰ বাবে, ২ লাখ টকা ৮খন বিদ্যালয় ভৱন নিৰ্ম্মাণ আৰু মেৰামতিৰ বাবে, খোৱা পানীৰ বাবে লোৱা আচনিৰ মুঠ ৩৯টা কুৱাৰ ভিতৰত ২২টা কুৱাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু বাকী কেইটাৰ কাম চলি আছে। পৰিকল্পনা বিত্তৰ নাটনি হোৱা হেতুকে ১৯৮৭-৮৮ চনৰ বাবে কৰিমগঞ্জ জিলাত সীমান্ত অঞ্চলৰ আচনিৰ বাবে বিত্তীয় মঞ্জুৰী দিয়া হোৱা নাছিল। কিন্তু বিত্তীয় বছৰৰ শেষৰ পিনে প্ৰশাসন শিতানৰ ৩,৫৬,১৯৩.২৫ টকা ৰাহি হোৱাৰ পিচত এই ধনখিনি সীমান্ত অঞ্চলৰ উন্নয়নমূলক আচনিৰ শিতানলৈ সলনি কৰাৰ ব্যৱস্থা কৰি কৰিমগঞ্জ জিলাত খৰচ কৰাৰ বাবে আবণ্টন কৰা হৈছে। ইং ১৯৮৮-৮৯ চনৰ বাবে কৰিমগঞ্জ জিলাত ১০ লাখ টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় আচনি বিচৰা হৈছে।

**Re : Government vehicle allotment for use of S. D. C.**

Smti. Kumari Rabidas asked :

• 230. Will the Minister Revenue be pleased to State :

(a) Considering the jurisdictions and functions of the Sub-Deputy Collectors allotment of Governmentt vehicles to these officers in too much essential ?

(b) Whether Government have any proposal to provide the Sub-Deputy Collectors with Government considering the jurisdiction and functions of these officers in near future.

Shri Thaneswar Boro (Minister of Revenue) replied :

(a) Yes.

(b) Government has been thinking for providing vehicles to the Circle Sub-Deputy Collectors / Circle Officers in phased manner.

শ্ৰীমতী কুমাৰী ৰবী দাস : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি কেতিয়াকৈ এই এচ, ডি, চি সকলক গাড়ী দিয়া হব ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত এই বিভাগৰ বিষয়াৰ কাৰণে ৫০ খন জীপ গাড়ী কিনাৰ প্ৰস্তাৱ লোৱা হৈছিল।

৫০ খন গাড়ীৰ কাৰণে টকা ধৰা হৈছিল ৭২ লাখ টকা। কিন্তু বিত্তীয় অসুবিধাৰ কাৰণে এই প্ৰস্তাৱ গ্ৰহণযোগ্য নহল। এইটো এতিয়া বিবেচনাধীন হৈ আছে। সদ্যহতে এচ, ডি, চি সকলক জীপ যোগান ধৰিব পৰা নহব।

**Re : Construction of Assam House.**

Shri Altaf Hossain Mazumder asked :

* 231. Will the Chief Minister, be pleased to State :

(a) In reply to unstarred question No. 484 dt. 30.3.87 whether the Government replied that the Assam Government approached the Government of Maharastra and Tamilnadu for land at Bombay and Madras respectively for construction of Assam House at both the places ?

(b) If so, will the Government state the latest outcome and the replies of the aforesaid Governments ?

(c) If Government of Maharastra and Tamilnadu do not provide land, in that case whether the Government will be pleased to acquire land by direct purchase for aforesaid purpose ?

(d) In view of very large number patients visiting Chiristian Medical College, Vellore throughout the year will the Govenment consider to construct one Assam House there early ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) যিহেতুকে বোম্বাই আৰু মাদ্ৰাজ মহানগৰীৰ ভিতৰত সুবিধাজনক খালি মাটি নাই। সেই কাৰণে অসমৰ মুখ্যমন্ত্ৰীয়ে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীলৈ লিখা ২৭/২/৮৮ তাৰিখৰ অৰ্দ্ধচৰকাৰী চিঠিৰ জৰিয়তে ৬০০০ বৰ্গ ফুটৰ ভেটিকালি (builtup area) আবণ্টন দিবৰ বাবে অনুৰোধ জনাইছে। নতুন দিল্লীত থকা অসম ভৱনৰ আবাসিক আয়ুক্তৰ পৰা জনা মতে মহাৰাষ্ট্ৰ চৰকাৰে ইতিমধ্যে শতকৰা ১০ ভাগ builtup area বৃহত্তৰ বোম্বাই মহানগৰীত অধিগ্ৰহণ কৰি ৰাজ্য চৰকাৰ সমূহক আবণ্টন দিবৰ বাবে বিবেচনা কৰি আছে।

মাদ্ৰাজত অসম ভৱনৰ বাবে ঘৰ লোৱাৰ সম্পৰ্কত তামিলনাডু চৰকাৰৰ গড়কাপ্তানী বিভাগৰ লগত এই বিষয়ে যোগাযোগ কৰি থকা হৈছে। দুখন স্মাৰক ইতিমধ্যে দিয়া হৈছে।

(গ) (খ) প্ৰশ্নৰ সন্দৰ্ভত মহাৰাষ্ট্ৰ আৰু তামিলনাডু চৰকাৰৰ পৰা উত্তৰ পোৱাৰ পিচত চৰকাৰে পৰবৰ্তী ব্যৱস্থাৰ বিষয়ে বিবেচনা কৰিব।

(ঘ) অসম চৰকাৰে তামিলনাডু চৰকাৰক খ্ৰীষ্টিয়ান মেডিকেল কলেজ, ভেলোৰৰ আশে পাশে ১০,০০০ বৰ্গফুটৰ মাটিৰ বাবে যোগাযোগ কৰিছিল যদিও এতিয়ালৈ কোনো সহাৰি পোৱা নগল।

বিষয়ঃ চৰকাৰৰ ভূমিনীতি।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ

* ২৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে অসমত কি ভূমিনীতি গ্ৰহণ কৰিছে ?

(খ) এই ভূমিনীতিৰ দ্বাৰা অসমৰ জনজাতি আৰু চাহ মজদুৰ সকলক অধিক ভাবে উপকৃত কৰাৰ বাবে ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত কোনো নতুনকৈ সংশোধিত আকাৰত ভূমিনীতি প্ৰবৰ্তন কৰা হোৱা নাই, কিন্তু পুৰণি নীতি নিয়মবোৰৰ সাল সলনি ঘটোৱাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(খ) এই আঁচনিৰ দ্বাৰা থলুৱা জনজাতি, অনুসূচিত জাতি প্ৰাক্তন চাহ শ্ৰমিক আৰু অন্যান্য পিচপৰা লোক সকল উপকৃত হব। তাৰোপৰি অৰ্হতা সম্পন্ন নিবনুৱা যুৱক যুৱতী সকলক জীৱিকা নিৰ্ব্বাহৰ বাবে ক্ষুদ্ৰ ক্ষুদ্ৰ আঁচনিৰ বিপৰীতে মাটি আবণ্টন দিয়া বিষয়টো বিবেচনাধীন হৈ আছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিলো যে নতুন ভূমিনীতি লোৱা নাই মাত্ৰ পুৰণা ভূ-ব্যৱস্থাৰে কিছু সালসলনি কৰি কাম চলাই থকা হৈছে। এই ব্যৱস্থা কিমানদিন চলাই থকা হব মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ ১৯৮৮ চনৰ ভিতৰত চৰকাৰে নতুন ভূমিনীতি এটা গ্ৰহণ কৰিবলৈ যাবতীয় ব্যৱস্থা লৈ থকা হৈছে। আমি দেখিবলৈ পাইছো আগৰ যিবিলাক ভূমিনীতি লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী নোহোৱাত মানুহে বহুত অসুবিধাৰ সন্মুখীন হৈছে। ১৯৭২ চনত ভূমিনীতিৰ যিবিলাক সিদ্ধান্ত লোৱা

হৈছিল সেইবিলাক এতিয়াও যথাযথ কাৰ্য্যকৰী হোৱা নাই তথাপি আমি পৰীক্ষা কৰি আছো যাতে ১৯৮৮ চনৰ ভিতৰত নতুন ভূমিনীতিৰ ব্যৱস্থা কৰিবলৈ ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সৰহ সংখ্যক জনজাতি-লোকৰে ম্যাদী পট্টা নাই । আমাৰ চৰকাৰ ২ বছৰ হ'ল আমি আৰম্ভণিৰেপৰা জনজাতি অঞ্চলত বিশেষ জৰীপ কৰিবৰ কাৰণে অনুৰোধ কৰি থকা হৈছে । জনজাতি সকলৰ মাটিৰ পট্টা নথকাৰ কাৰণে তেওঁলোকে মাটি বন্ধক দি ক্ষুদ্ৰ উদ্যোগ বা অন্যান্য ঋণ আদিৰ কাৰণে বেংকৰ লগত যোগাযোগ কৰিব নোৱাৰে । গতিকে আমাৰ চৰকাৰে অতি সোনকালে জনজাতি অঞ্চলবিলাকত বিশেষ ভাবে জৰীপ কৰি ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, জৰীপ কৰা কথাটো হ'ল কন্টিনিও প্ৰচেচ । এইটো নহয় যে আমাৰ চৰকাৰৰ দিনত জৰীপ কৰিবলৈ দিয়া হোৱা নাই । ধেমাজী, জোনাই, শদিয়া আদিত বিশেষ জৰীপ কাৰ্য্য কৰিবলৈ দিয়া হৈছে কিন্তু বিষয়া বা কৰ্মচাৰীৰ সংখ্যা কম কাৰণে কামখিনি হৈ উঠা নাই । ১৯৭২ চনত যি ভূমিনীতি প্ৰয়োগ কৰা হ'ল সেইমতে ১৯৫২ চনৰ পৰা যিবিলাক মানুহে মাটি বেদখল কৰি আছে তেওঁলোকক ৫০ বিঘালৈ মাটি পট্টন দিব পাৰি তাৰ পিছত ৬৮ চনলৈ যিবিলাক মানুহে মাটি দখল কৰি আছে তেওঁলোকক ১২ বিঘা মাটি পট্টন দিব পাৰি তাৰ পিছত ১৯৬৮ চনৰ পৰা ৭২ চনলৈ যিবিলাক মানুহে মাটি দখল কৰি আছে তাৰ ওপৰত বিশ দফীয়া কাৰ্য্যসূচীমতে এমএনপি প্ৰগ্ৰেমত ৯ বিঘা মাটি পট্টন দিব পাৰি । এতিয়াও সেই ব্যৱস্থাই বাহাল আছে কিন্তু পুৰাদমে কাৰ্য্যকৰী হোৱা নাই কাৰণে মাটি পট্টন দিব পৰা নাই ।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, নতুন ভূমিনীতিমতে অসমত যিবিলাক বন গাওঁ আছে আৰু যিবিলাক মানুহে ১৯০৫ চনৰ পৰা মাটি দখল কৰি গাওঁ পাতি আছে তেওঁলোকক মাটি দিয়া কথাটো সামৰি লব নেকি ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : যিবিলাক বনগাওঁ আছে সেইবিলাকক এতিয়া ৰাজহ গাওঁ হিচাবে সামৰি লোৱাটো অসুবিধা নহব কিন্তু বৰ্তমান যিটো নতুন বননীতি ঘোষণা কৰা হৈছে সেই নীতিত তেওঁলোকক ভূমি আৱণ্টন দিয়াটোত সামৰি লৈছে । গতিকে তেওঁলোক উন্নয়নমূলক আচনিৰ পৰা বঞ্চিত নহয় ।

শ্ৰীদিলীপ শইকীয়া সোনোৱাল : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো ধেমাজী মহকুমাত চাৰ্ভে বিষয়া নথকা কাৰণে তাত চাৰ্ভেৰ কাম চলা নাই। আমাৰ চৰকাৰ গঠণ হোৱা আঢ়ৈ বছৰ হ'ল কৈ থকা সত্বেও দিয়া নাই। সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চাৰ্ভেৰ জ্ঞান থকা বা নথকা বিষয়াৰ কথা নহয় কিন্তু যিমান বিষয়া লাগিছিল সেইখিনি নাই কাৰণে কামত আগবাঢ়িব পৰা নাই। তাতে আকৌ যোৱা বছৰটোত সেই অঞ্চলত ৫ বাৰ বানপানী হ'ল তাত উন্নয়নমূলক আচনি একো লব পৰা নাই সেইটো এটা চেটবেক। এই বছৰ কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীনৰেন তাতী : অধ্যক্ষ মহোদয়, চাহবাগিছাৰ মানুহবিলাকৰ মাটি নাই এইটো সকলোৱে জানে, তেওঁলোকে দৰ্খাষ্ট আদিও কৰি থাকে। গতিকে তেওঁ-লোকক মাটি দিয়া আৰু ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে যাতে তেওলোকে বেংকৰ লোন পায়।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চাহ বাগিছাৰ প্ৰাক্তন চাহ শ্ৰমিকক ভূমি পট্টন দিয়াৰ ব্যৱস্থা এতিয়াও চলি আছে। বিশেষকৈ এম-এন-পি আচনিৰ জৰিয়তে বাগিছাৰ চিলিং উতবৃত্ত মাটিবিলাক তেওলোকৰ মাজত বিতৰণ কৰি থকা হৈছে। নতুন ভূমিনীতিটো তেওলোকক সামৰি লব পৰা যাব।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এতিয়ালৈকে ৫ লাখ ৩৩ হাজাৰ একচনা পট্টা ম্যাদী কৰাটো চৰকাৰৰ বিচৰাধীন হৈ আছে। চৰকাৰে কোনো সিদ্ধান্ত লব পৰা নাই এই কথা সচানে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাটিকালি সঠিক এতিয়াই দিব নোৱাৰিম কিন্তু বহুত মাটি পট্টন নিদিয়াকৈ আছে।

Shri Binai Khungur Basumatary : **Is it true that the Government in the Revenue Department has constituted a Committee with all Secretaries to allot land to entreprenures of tea gardens, rubber plantation etc. in the tribal belts and blocks ?**

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : আমাৰ যিসকল নিবনুৱা যুৱকে কৰ্ম-সংস্থাপন বিচাৰি চাহ বাগিছা, ৰবৰ কফি আদি খেতিৰ কাৰণে মাটি পট্টনৰ

প্ৰস্তাৱ দিছে সেইবিলাক চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু কেনেকৈ দিব পাৰি তাৰ কাৰণে এখন কমিটি গঠন কৰি দিয়া হৈছে। কিন্তু ট্ৰাইবেল এৰিয়াত মাটি দিবৰ কাৰণে কোনো কমিটি গঠন কৰা নাই ।

Shri Binai Khungur Basumatary : Will the tribal belts and blocks be utilised to grant land for the tea-gardens etc to persons who are not tribals ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : চৰকাৰ তেনে কোনো কথাৰ অৱগত নহয়। কিন্তু জনজাতি বেষ্টনীত জনজাতিৰ লোকসকলে যদি চাহখেতি বা ৰবৰ খেতি কৰিবৰ কাৰণে আগবাঢ়ি আহে তেনেহ'লে বিবেচনা কৰা হব ।

শ্ৰীবলোভদ্ৰ তামুলী : অধ্যক্ষ মহোদয়, যোৱা বছৰ কেইটামান ৰাজহ চক্ৰত ম্যাদী পট্টাৰ ব্যৱস্থা কৰা হব বুলি মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল সেইবিলাকৰ কি হ'ল জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, একচনা পট্টাক ম্যাদী কৰাটো চৰকাৰৰ কন্টিনুৱাচ প্ৰচেচ । আমি দেখিছো যাৰ নামত দখল আছে আৰু পট্টা বিছাৰিছে তেওঁলোকক দিয়া হৈছে কিন্তু কাৰবাৰ নামত পট্টা আছে বেলেগে দখল কৰি আছে তেওঁলোকে পট্টা নাপায় ।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে আমাৰ সদস্য শ্ৰীভৰত নৰহে যিটো কথা কৈছে যে আমাৰ ট্ৰাইবেল মানুহৰ ম্যাদী পট্টাৰ মাটি নাই সেইটো সত্য, এই কথাটো ধেমাজী আৰু শদিয়াৰ ক্ষেত্ৰত বেছিকৈ সত্য । গতিকে মন্ত্ৰী মহোদয়ে বিনা প্ৰিমিয়ামে মাটি ম্যাদী কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, জনজাতি আৰু অনুসূচীত জাতি সকলৰ মাটি ম্যাদী পট্টা কৰাৰ কাৰণে ফীজৰ ক্ষেত্ৰত কনচেচনৰ ব্যৱস্থা আছেই । কিন্তু বিনা প্ৰিমিয়ামে দিব পৰা যায়নে নাই সেইটো চিন্তা কৰি চাব লাগিব ।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই সেইবিলাক ঠাইৰ বহু মানুহক সুধিছিলোঁ মাটি ম্যাদী কৰা নাই কিয় বুলি কিন্তু তেওঁলোকে টকা দি মাটি ম্যাদী কৰিব নোখোজে। সেয়ে এইটো বিনা প্ৰিমিয়ামে কৰাৰ ব্যৱস্থা কৰিবনে ?

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়ে ইতিমধ্যে বিবেচনা কৰিব বুলি কৈছে ।

বিষয় ঃ উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয় ।

শ্ৰীভবেন বৰুৱাই সুধিছে ঃ

* ২৩৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ চাবুৱা বিধান সভা সমষ্টিৰ চাবুৱাত স্থাপন হবলগীয়া উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়টো কেতিয়াৰ পৰা আৰম্ভ হব ?

(খ) চলিত বছৰতে কাৰ্য্যালয়টো আৰম্ভ কৰাৰ আশা কৰিব পাৰিনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় জিলাৰ চাবুৱা বিধান সভা সমষ্টিৰ চাবুৱাত নতুন উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয় এটা স্থাপনৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তই অসমৰ ভূমিলেখ্য অধিকৰ্ত্তালৈ ইং ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহত এটি প্ৰস্তাব পঠাইছে । ভূমিলেখ্য অধিকৰ্ত্তাক উক্ত প্ৰস্তাব পৰীক্ষা কৰি চৰকাৰলৈ সোনকালে প্ৰতিবেদন পঠাবলৈ চৰকাৰৰ ফালৰ পৰাও লিখা হৈছে আৰু এই প্ৰতিবেদন পোৱাৰ পাচত বিহিত ব্যৱস্থা লোৱা হব ।

(খ) আশা কৰিব নোৱাৰি ।

শ্ৰীভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো চলিত বছৰতে কৰিব বুলি আশ্বাস দিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় চলিত বছৰতে দিব পাৰিম বুলি আশা কৰিব নোৱাৰি । কাৰণ ইয়াত পুজিৰ কথাও আছে । ১৯৮৮ চনতে কৰিব পৰা হব বুলি আশ্বাস দিব পৰা নাযাব ।

শ্ৰীভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৭ চনতে চাবুৱা সমষ্টিত এটা উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয় আছিল কিন্তু ১৯৮৩ চনত এইটো উঠাই দিয়া হৈছিল । এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই অৱগত নহয় ।

শ্ৰীভবেন বৰুৱা ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে তদন্ত কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰি চোৱা হব ।

**Re : Construction of Head Quarter of South Salmara.**

**Shri** Aminul Islam, asked :

* 234. Will the Chief Minister be pleased to state :

(a) How long the Government will take to start the construction works of the Head Quarters of South Salmara-Mankachar civil Sub-division at Hatsingimari ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দক্ষিণ শালমাৰা মানকাচাৰ মহকুমাৰ সদৰ স্থানৰ বিষয়ে সৃষ্টি হোৱা বিবাদৰ নিস্পত্তিৰ পিচত গড়কাপ্তানী (গৃহ) বিভাগৰ মুখ্য অভিযন্তাক মহকুমাধিপতিৰ প্ৰশাসনীয় আৰু বাসভৱন নিৰ্ম্মানৰ পৰিকল্পনা আৰু আনুমানিক হিচাব হাটশিঙিমাৰিৰ মাষ্টাৰ প্লেন সহ আৱশ্যকীয় ব্যৱস্থা লব়ৰ বাবে দাখিল কৰিবলৈ কোৱা হৈছে। উক্ত তথ্যপাতি পোৱাৰ পিচত মহকুমাধিপতিৰ ঘৰদুৱাৰ নিৰ্ম্মানৰ ব্যৱস্থা হাতত লোৱা হব ।

শ্ৰীআমিনুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে কেতিয়া আৰু কত এই নিৰ্ম্মানৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি কেতিয়াবাই কাম আৰম্ভ কৰিব পাৰিলোহেতেন কিন্তু দক্ষিণ শালমাৰাত হবনে হাটশিঙিমাৰীত হব এইটো ঠিক কৰিব পাৰিলেই কাম আৰম্ভ কৰিব পৰা হব ।

বিষয় : **বিচারকের বাসগৃহ ।**

শ্রীরমেন্দ্র কুমার দে জিজ্ঞাসা করিয়াছেন :

* ২৩৫ । মাননীয় আইন বিভাগের মন্ত্রী মহোদয়, অনুগ্রহ করিয়া জানাবেন কি :

(ক) বিচারকের বসবাসের জন্য রাজ্যের প্রত্যেকটি জিলা বা মহকুমা সদরে সরকারী বাসস্থান আছে কি না ?

(খ) করিমগঞ্জ, হাইলাকান্দি ও শিলচর মহকুমা সদরে কতজন বিভিন্ন স্তরের বিচারক আছেন ?

(গ) তাদের প্রত্যেকের সরকারী বাসস্থান আছে কি ?

শ্রীসুৰেন্দ্র নাথ মেধি (আইন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) সমগ্র ৰাজ্যত ১৯২ জন ন্যায়িক বিষয়াৰ ভিতৰত কেৱল ৭৬ জনৰ বাবে চৰকাৰী বাসগৃহ আছে।

(খ) ১। কৰিমগঞ্জ—জিলা আৰু সত্র ন্যায়াধীশ ১,
মুখ্য ন্যায়িক দণ্ডাধীশ ১,
সহকাৰী জিলা ন্যায়াধীশ ২,
মুন্সিফ ২,
ন্যায়িক দণ্ডাধীশ ৩।

২। হাইলাকান্দি—
সহকাৰী জিলা আৰু সত্র ন্যায়াধীশ ১,
মহকুমা ন্যায়িক দণ্ডাধীশ ১,
মুন্সিফ / দণ্ডাধীশ ২,
ন্যায়িক দণ্ডাধীশ ১।

৩। শিলচৰ— জিলা আৰু সত্র ন্যায়াধীশ ১,
অতিৰিক্ত জিলা আৰু সত্র ন্যায়াধীশ ১,
সহকাৰী জিলা ন্যায়াধীশ ২,
মুন্সিফ ৪,
মুখ্য ন্যায়িক দণ্ডাধীশ ১,
অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ ১,
দণ্ডাধীশ ৪।

(গ) প্ৰত্যেকজন বিচাৰক বিষয়াৰ বাবে চৰকাৰী বাসভৱন নাই।

শ্রীরমেন্দ্র কুমার দে : অধ্যক্ষ মহোদয়, দেখা যাচ্ছে যে সারা রাজ্যের বিচারকদের শতকরা ৫০ জনের জন্য মাত্র সরকারী বাসস্থানের ব্যবস্থা আছে। কিন্তু করিমগঞ্জ জেলায় শতকরা ৮৫ জন বিচারকের জন্য কোন সরকারী বাসস্থানের ব্যবস্থা নাই। মাত্র ৩ টি কোয়ার্টার ডিসির অধিনে আছে। সুতরাং বিশেষ করে বিচারকদের জন্য সারা আসামে সরকারী বাসস্থান তৈয়ার করার আবশ্যকতা সরকার মনে করেন কি ?

শ্ৰীসুৰেন মেধি ( আইন মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, অষ্টম বিত্ত আয়োগে যি ধন আমাক দিছিল তাৰ পৰাই আমি বাস ভৱন নিৰ্ম্মান কৰাৰ ব্যৱস্থা কৰিছোঁ। ১৯৮৬-৮৭ চনৰ কাৰণে ৪ টা বাস ভৱন নিৰ্ম্মানৰ ব্যৱস্থা লোৱা হৈছিল। ১৯৮৭-৮৮ চনতো ৪ টা বাস ভৱন নিৰ্ম্মানৰ আচনি লোৱা হৈছে।

Shri Altaf Hussain Majumdar : Mr. Speaker Sir, I am aware of the difficulties so far as funds of the Government are concerned. But this question has been agitating because at least the Judges should be placed in such a position that they can dispense with justice. Will the honourable Law Minister examine that if the fund is not available whether he can go for institutional finance and worked out the details ? In that case, it will be possible otherwise, this is a lingering demand and necessity will not be fulfilled. I would request the honourable Law Minister to kindly examine financing from the Institutional finance to get the houses of the judges constructed on topmost priority.

Shri Surendra Nath Medhi (Minister Law etc) : Mr. Speaker, Sir, I am very much aware of the difficulties faced by the Judicial officers. The suggestion made by the honourable mamber Shri Majumdar is welcome. I will try to get finance from institutional finance so that Judicial officers may have their residential quarters.

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা জানেনে যে ডিষ্ট্ৰিকটমেজিষ্ট্ৰেট আৰু ডিষ্ট্ৰিক জাজজনৰ ষ্টেটাচ্ একে যদিও এজন ডি, চি য়ে যি সা সুবিধা পায় সেই সুবিধা ডিষ্ট্ৰীক্ট জাজ জনকো দিয়া হোৱা নাই কিয় ? অষ্টম বিত্ত আয়োগে বিচাৰক সকলৰ কাৰণে ঘৰ আদি বন্ধাৰ ক্ষেত্ৰত কিবা ৰিকমেণ্ডেচন্ আদি দিছে নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি ( আইন মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো অহাত মই ভাল পাইছোঁ, কাৰণ এই কথাটো ময়ো অনুভৱ কৰিছোঁ। জিলা জাজ এজন আৰু উপায়ুক্তৰ ষ্টেটাচ্ একে হলেও তেওঁলোকৰ ভিতৰত এটা অসমতা দেখা যায় কিন্তু তেওঁলোকৰ এজন জুডিচিয়েৰীৰ হেড আৰু এজন এক্‌-জিকিউটিভৰ হেড্। সেইকাৰণে জিলাৰ জাজ এজনে উপায়ুক্তই যি সা-সুবিধা পাইছে সেইখিনি পোৱা উচিত। কিন্তু এটা পৰম্পৰা মতে এইটো ইমান দিনে চলি আহিছে। গতিকে এই অসমতা দূৰ কৰাৰ কাৰণে আমি চেষ্টা কৰিছো। অষ্টম বিত্ত আয়োগে বাস ভৱন নিৰ্ম্মানৰ কাৰণে যিমান ধন দিছে তাৰ পৰাই আমি তেওঁলোকৰ বাস ভৱন আদি নিৰ্ম্মান কৰিবলৈ চেষ্টা কৰি আছোঁ।

বিষয় ঃ পিয়াজৰ বিক্ৰিকৰ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

* ২৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পিয়াজত প্ৰতি কিলোত কি হাৰত তলত দিয়া চনবোৰত বিক্ৰিকৰ ধাৰ্য্য কৰা হৈছে ?

১৯৮১-৮২ চনত ?

১৯৮২-৮৩ চনত ?

১৯৮৩-৮৪ চনত ?

১৯৮৫-৮৬ চনত ?

১৯৮৬-৮৭ চনত ?

১৯৮৭-৮৮ চনত ?

(খ) যদি কোনো বিক্ৰিকৰ বিষয়াই বজাৰ মূল্যতকৈ কম হাৰত বিক্ৰিমূল্য দেখুৱাই কৰ ধাৰ্য্য কৰিছে, তেন্তে সেই বিষয়া সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) পিয়াজত বিক্ৰিকৰৰ হাৰ কিলো হিচাপে ধাৰ্য্য কৰা নহয়। পিয়াজৰ মূল্যৰ ৭ শতাংশ হাৰত বিক্ৰিকৰ ধাৰ্য্য কৰা হয়। ১৯৮১-৮২ চনৰ পৰা ১৯৮৭-৮৮ চনলৈ সেই হাৰতে পিয়াজৰ বিক্ৰিকৰ ধাৰ্য্য কৰা হয়। এই কালছোৱাত কৰৰ হাৰৰ কোনো পৰিবৰ্ত্তন হোৱা নাছিল।

(খ) হ'ব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মোৰ প্ৰশ্ন দুটাৰ মাজত আৰু এটা প্ৰশ্ন আছিল পিয়াজৰ বজাৰ মূল্য কিমান বুলি, কিন্তু সেইটো দিচ্‌এলডি কৰিলে। এতিয়া মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে ১৯৮১ চনৰ পৰা ১৯৮৭ চনলৈ পিয়াজৰ হ'লচেল ৰেট আৰু ষ্টেট ৰেটৰ এচেচ্‌মেণ্ট কৰোতে কিমান পাৰ্থক্য আছিল ? দুয়োটাৰ মাজত আৰু বজাৰত ৰাইজক বিশ টকা মূল্যত পিয়াজ খুৱাইছে। সেই সময়ত ষ্টেট এচেচ্‌মেণ্ট ৰেট, হ'লচেল ৰেট আৰু মাৰ্কেট ৰেট কি ধৰণৰ আছিল আৰু সেইটো কৰা বিষয়া গৰাকীক শাস্তি দিয়া ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) ঃ অসম বিক্ৰিকৰ ১৯৫৬ চন আইনৰ অন্তৰ্ভুক্ত আৰু সেইমতে এইবিলাক নিৰ্দ্ধাৰণ কৰা হয় । বজাৰত কিমান দৰত বিক্ৰী কৰিছে কেৱল সেইটোৱেই নহয় । এই সম্পৰ্কে আমাৰ তৰফৰ পৰা চেষ্টা কৰা হৈছে ।

বিষয় ঃ মাৰ্ঘেৰিটা চহৰলৈ ৰূপান্তৰ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

* ২৩৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটাক চহৰলৈ ৰূপান্তৰিত কৰিবলৈ কি কি অৱস্থাৰ অভাৱ আছে ?

(খ) এইটো সত্যনে যে ক'ল ইণ্ডিয়াই মাৰ্ঘেৰিটা অঞ্চলটো তেওঁলোকৰ মাটি বুলি দাবী কৰাৰ বাবে চহৰলৈ ৰূপান্তিৰত কৰিব পৰা হোৱা নাই ?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ ওচৰত চহৰলৈ ৰূপান্তৰিত কৰিবলৈ কোনো প্ৰস্তাৱ নথকা বাবে এই বিষয়ে জনা নাযায় ।

(খ) পৌৰ প্ৰশাসন বিভাগত এই মৰ্মে কোনো তথ্য নাই ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ অধ্যক্ষ মহোদয়, মাৰ্ঘেৰিটাক চহৰলৈ ৰূপান্তৰিত কৰিবৰ কাৰণে আজি তিনি বছৰ আগতে এটা প্ৰস্তাৱ অহা কথাটো সঁচানে ?

শ্ৰীচহিদুল আলম চৌধুৰী, ( পৌৰ প্ৰশাসন মন্ত্ৰী ) ঃ তেনেকুৱা প্ৰস্তাৱ অহা নাই ।

শ্ৰীগৌতম ৰায় ঃ মন্ত্ৰী মহোদয়ে জানেনে যে তেখেতৰ বিভাগৰ পৰা এখন জাননী গৈছে যে মে মাহৰ ভিতৰতে পঞ্চায়ত নিৰ্ব্বাচন হব ?

শ্ৰীচহিদুল আলম চৌধুৰী, ( পৌৰ প্ৰশাসন মন্ত্ৰী ) ঃ নিৰ্ব্বাচনৰ কাৰণে চৰকাৰে ব্যৱস্থা হাতত লৈছে, কিন্তু নিৰ্দ্দিষ্ট সময় বান্ধি দিয়া নাই ।

বিষয় ঃ বকো সমষ্টিৰ ভোটাৰ তালিকা

শ্ৰীগোপী নাথ দাসে সুধিছে :

* ২৩৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে কামৰূপ জিলাৰ বকো সমষ্টিৰ ভোটাৰ তালিকা সংশোধনৰ কাম আৰম্ভ কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, তেন্তে চৰকাৰে কি নীতি নিয়মৰ মাধ্যমত উক্ত সমষ্টিৰ ভোটাৰ তালিকা সংশোধন কৰি আছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

**Re. ; Starred Assembly Question regarding demolition of shops and houses.**

Shri Sheikh Saman Ali, asked

* 239. Will the Minister, Revenue be pleased to state.

(a) Is it a fact that a large number of dwelling houses and shops in Jogighopa were demolished by the S. D. C., Srijangram in the month of February, 1988 ?

(b) If so, the number of houses and shops so demolished ?

(c) Whether any notice was served on the owner/occupantes of the houses and shops prior to the demolition ?

(d) If so, when and if not, why ?

Shri Thaneswar Boro ( Minister, Revenue ) replied :

(a) Yes, in the month of February, 1988 51 ( fifty one ) numbers of encroachers have been evicted by S. D. C., Boitamari Circle.

(b) 34 ( thirty four ) numbers of ordinary dwelling houses and 17 ( seventeen ) numbers of tea shops and gumties belonging to 51 encroachers were demolished.

(c) Yes, in order to clear the unauthorised encroachment prior notices for eviction were served as per Sec 18 (3) of A. L. R. R., 1886.

(d) Yes, on 12-11-87 to 15-11-87, notices for eviction of encroachers were served as per relevant provision of A. L. R. R., 1886.

Dr. Ardhendu Kr. Dey : Mr. Speaker, Sir, will the Hon'ble Minister will give answer that whether the owners or the occupants of the houses were staying there from long before and whether the notices were served properly. In some cases, notices were served only one day before or notices were not served at all. But it was reported by the D.C. that the notices were served. Whether the Minister will enquire into the matter.

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নোটিচ প্ৰপাৰলি চাৰ্ভ কৰা হৈছিল। মাননীয় সদস্য গৰাকীয়ে আৰু সবিশেষ জানিব বিচাৰিলে নৰ্থ শালমাৰা অফিচৰ এচ-ডি-অ'ৰ কাৰ্য্যালয়ত গৈ চাব পাৰে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে যোগীঘোপাত মাত্ৰ ৫১ জনেই বেদখলকাৰী আছিল নে আৰু আছে আৰু যদি আছে সেই সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিবনে ?

Shri A. F. Golam Osmani : Sir, a point of order. The Hon'ble Revenue Minister, in course of his answer, said, Sir, that the member concerned may go to the office of his subordinate at the circle level and find out the answer. May I request the Revenue Minister that he has got sufficient power to collect these things and produce before the for information of the House.

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ পোৱা নাই।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, একেলগে কেইবাজনো মাননীয় সদস্যই প্ৰশ্ন কৰিলে উত্তৰ দিয়া টান। এটা এটাকৈ প্ৰশ্নৰ উত্তৰ দিব পাৰি। ফেৰীঘাটৰ সমুখত ৫১ জন আছিল বেদখলকাৰী। অহা যোৱা ৰাস্তাৰ অসুবিধা হয় কাৰণে উচ্ছেদ কৰা হৈছে। উত্তৰ শালমাৰা ফেৰীঘাটতে থকাৰ কাৰণে অসুবিধা হৈছিল। প্ৰপালি নোটিচ চাৰ্ভ কৰা হৈছিল। সেই বিলাক আনিবলৈ সময় লাগিব। ইয়াত তাৰিখটো জনাইছো এই ভাবিয়েই যে সেইটোৱেই যথেষ্ট হ'ব। তথাপিও লাগিলে আনিব পৰা যাব। মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই সুধিছে আৰু বেদখলকাৰী আছে নেকি ? সেইটো সদ্যহতে জানিব পৰা নাই। কেৱল ফেৰীঘাটৰ ওচৰৰখিনি পৰিস্কাৰ কৰা হৈছে।

Shri Binay Khungur Basumatary : Sir, a point of order, Sir, Rule 34 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly says that any member may put supplementary

questions to a starred question after it is called by the Speaker for the purposes of further elucidating any matter of fact regarding which any answer has been given. So, Sir, the Minister cannot tell us to the office of the D. C. or S. D. C. and find out the answer. Will you kindly protect us from this.

শ্ৰীকুমাৰ দীপক দাস : মন্ত্ৰী মহোদয়ে কৈছে যে বস্তুটো দিয়াই হৈছে আৰু যদি বিশ্বাস নকৰে অফিচত গৈ চাই আহিব পাৰে।

বিষয় ঃ সমাজ কল্যাণ বিভাগৰ টকা আত্মসাৎ কৰাৰ অভিযোগ।

শ্ৰীমুকতাৰ হুছেইনে সুধিছে ঃ

* ২৪০। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাহিলিপাৰা কলনী প্ৰাথমিক বিদ্যালয়ৰ তদনান্তন সভাপতি তথা অসম সচিবালয়ৰ চাকৰিয়াল শ্ৰীশুশাংক শেখৰ ৰয় বিদ্যালয়ৰ নামত সমাজ কল্যাণ বিভাগৰ পৰা ২৩০০ (তেইশ শ) টকা লৈ আত্মসাৎ কৰাৰ অভিযোগ জনৈক কমলাক্ষ্য ব্ৰহ্মচাৰীয়ে যোৱা ১৩/৮/৮৭ ইং তাৰিখে চৰকাৰৰ ওচৰত উৎথাপন কৰাটো সঁচানে ?

(খ) উক্ত অভিযোগটো বিশেষ ভিজিলেন্স চেলৰ দ্বাৰা অনুসন্ধান কৰাটোও সঁচানে ?

(গ) উক্ত অভিযোগটো অনুসন্ধানৰ পিচত সঁচা বুলি প্ৰমাণিত হৈছেনে ?

(ঘ) যদি হৈছে দোষী ব্যক্তিক কি শাস্তি দিয়া হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) সঁচা।

(গ) মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰক শাখাৰ প্ৰতিবেদনৰ পৰা দেখা যায় যে শ্ৰীশশাংক শেখৰ ৰয়ে কাহিলিপাৰা বিনোৱা নগৰ প্ৰাথমিক বিদ্যালয়ৰ নামত সমাজ কল্যাণ বিভাগৰ পৰা অনা মুঠ অনুদান ২৩০০ টকা একে বিদ্যালয়তে নতুনকৈ স্থাপন কৰা বিনোৱা নগৰ মধ্য ইংৰাজী বিদ্যালয়ৰ হিচাপত জমা থৈছে।

(ঘ) তদাৰক শাখাৰ প্ৰতিবেদনৰ ভিত্তিত অভিযুক্ত কৰ্মচাৰীৰ বিপক্ষে বিভাগীয় গোচৰ ৰজু কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীমোক্তাৰ হুচেইন : মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সমাজ কল্যাণ বিভাগৰ পৰা কোন তাৰিখে নিজৰ হাতলৈ নিছিল আৰু কোন তাৰিখত অন্য এটা স্কুলৰ নামত জমা থৈছিল ?

শ্ৰীনৰেন তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৮ চনৰ ৩ মাৰ্চ তাৰিখে ‘দৈনিক জনমভূমি’ বাতৰি কাকতত প্ৰকাশিত “অসম-নগালেণ্ড সীমা সমস্যা তত্‌কালেই সমাধান নহয়” শীৰ্ষক বাতৰিৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এতিয়া কথা হ'ল আমি সীমান্ত অঞ্চলৰ একোজন বিধায়ক হিচাবে ইয়ালৈ আহিছো। গতিকে এই সীমান্ত অঞ্চল বিলাকত বিশেষকৈ নগালেণ্ড আৰু অসমৰ সীমান্তত বৰ্ত্তমান যিবিলাক ঘটনা ঘটি আছে এই সম্পৰ্কে মই মাননীয় মুখ্যমন্ত্ৰীক অবগত কৰিব বিচাৰিছো। বিশেষকৈ আমাৰ মৰিয়নী সমষ্টিৰ সীমান্তত নগাৰাজ্যৰ পৰা মানুহ আহি চাহবাগানৰ মানুহ বিলাকক উপদ্ৰব কৰে আৰু এনেকি স্কুলৰ মাষ্টৰকো

মাৰ-পিট কৰিছে। আমাৰ অসমৰ যিবিলাক ফৰেষ্ট ৰিজাৰ্ভ, সেইবিলাক তেওঁ-লোকে তেওঁলোকৰ বুলি দাবী কৰে– ইত্যাদি যিবিলাক ঘটনা সংঘটিত হৈ আছে সেই সকলোবিলাক কথা ইতিমধ্যেই মুখ্যমন্ত্ৰীৰ অবগত হৈছে আৰু তেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে প্ৰচেষ্টা চলাইছে যদিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন-কাগজে পত্ৰে কৈছে যে অসম-নগালেণ্ড সীমা বিবাদৰ নিষ্পত্তি তত্‌কালেই সমাধান নহয় বুলি কৈছে। এই নিষ্পত্তি সমাধান কৰাত কিমান দেৰী হব বা সোনকালে কিয় কৰিব নোৱাৰি ইত্যাদি কথাবিলাক আমি ৰাইজৰ আগত নিশ্চয় অবগত কৰিব লাগিব। গতিকে ইয়াৰ এটা স্পষ্ট ব্যাখ্যা হব লাগে যে কেনে ধৰণে ইয়াৰ ব্যৱস্থা লোৱা হৈছে। এই সমস্যাটো যাতে সহজতে সমাধান কৰিব পাৰি তাৰ এটা ব্যাখ্যা আজি সদনত ডাঙি ধৰিব লাগে। ধন্যবাদ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): অসম আৰু নগালেণ্ডৰ মাজৰ সম্পৰ্ক বহু পুৰণি আৰু সীমান্তবৰ্তী ৰাজ্য হিচাপে বৰ্ত্তমান নগালেণ্ডৰ সৈতে প্ৰায় ৪৩৪ কিঃ মিটাৰ সীমান্ত বিয়পি আছে। এই সীমান্ত অসমৰ যোৰহাট, গোলাঘাট, শিৱসাগৰ, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ লগত। নগালেণ্ডৰ সৈতে গোটেই সীমান্তবৰ্তী অঞ্চলটো বিভিন্ন চৰকাৰী জাননী আদিৰে সুনিৰ্দিষ্ট কৰি দিয়া আছে। দুৰ্ভাগ্যবশত: ঐতিহাসিক আৰু সাংবিধানিক ভাবে আৰু স্পষ্ট ভাবে অসমৰ সীমাৰ ভিতৰত থকা বিভিন্ন অঞ্চল নগালেণ্ডে দাবী কৰি আৰম্ভণিৰে পৰা দুয়ো-খন চুবুৰীয়া ৰাজ্যৰ মাজত এটা সমস্যাৰ সৃষ্টি কৰি সম্প্ৰীতি আৰু সৌহাৰ্দপূৰ্ণ অৱস্থা ব্যাহত কৰিছে। অসম চৰকাৰৰ ফালৰ পৰা লোৱা বিভিন্ন ব্যৱস্থা সমূহৰ বৰ্ণনা কৰিবলৈ হলে বহুতো দীঘল ইতিহাসৰ পাতনি মেলিব লাগিব। কিন্তু থুলমূলকৈ ইয়াকে কব পাৰি যে – যেতিয়া নগালেণ্ড গঠন কৰা হয় তেতিয়া যি আইনৰ ভিত্তিত হৈছিল সেই আইনৰ আৰু আগৰ সংশ্লিষ্ট সকলো আইনৰ দ্বাৰা যি সীমা নিৰ্দিষ্ট কৰি দিয়া হৈছিল সেই সীমাৰ ভিত্তি আছিল ১৯২৫ চনৰ জাননী।

নগালেণ্ডে ভুল ধাৰণাৰ বশবৰ্তী হৈ কৰা এই দাবীৰ ওপৰত অসম চৰকাৰে আপোচ-মীমাংসা কৰিবৰ কাৰণে আৰম্ভণিৰে পৰাই চেষ্টা কৰি আহিছে আৰু সেই কাৰণে আপোচ-আলোচনাৰ মাজেৰে এই বিষয়টোত নগা ৰাজ্যৰ ভুল বুজাবুজি আতৰাই সাংবিধানিক সীমান্ত অক্ষুন্ন ৰাখিবলৈ চেষ্টা কৰি আহিছে। দুৰ্ভাগ্যৰ বিষয় যে অসমৰ ফালৰ পৰা জাতীয় স্বাৰ্থত লোৱা এনে সম্প্ৰীতিমূলক ব্যৱহাৰৰ প্ৰতি নগালেণ্ডৰ ফালৰ পৰা কোনো সময়তে সঁহাৰি পোৱা হোৱা নাই। আনহাতে বিভিন্ন সময়ত নগা ৰাইজ আৰু অনেক ক্ষেত্ৰত নগালেণ্ড চৰকাৰৰ সক্ৰিয় সহযোগত

অসমৰ অঞ্চলত বেদখল, সীমান্ত ৰাইজৰ ওপৰত ভীতি প্ৰদৰ্শন আদি অনেক দুৰ্ভাগ্যজনক দৃষ্টান্ত অসম চৰকাৰৰ হাতত আছে ।

এই সমস্যাৰ নিষ্পত্তি কৰিবৰ কাৰণে চৰকাৰী পৰ্য্যায়ত লোৱা বিভিন্ন ব্যৱস্থা সমূহ ফলপ্ৰসূ নোহোৱাত ১৯৭১ চনত অসম চৰকাৰে ভাৰত চৰকাৰক পৰামৰ্শ দিয়ে যে— গোটেই সীমান্ত অঞ্চলটো ভাৰত চৰকাৰৰ জৰীপ বিভাগৰ দ্বাৰা জৰীপ কৰাব লাগে । ভাৰত চৰকাৰে ১৯৭১ চনত তেতিয়াৰ আইন আয়োগৰ সভাপতি আৰু গৃহ মন্ত্ৰালয়ৰ উপদেষ্টা শ্ৰীকে-ভি-কে সুন্দৰমক অসম আৰু নগালেণ্ডৰ সীমান্তৰ বিষয়টোত এটা সিদ্ধান্তৰ পৰামৰ্শ দিবৰ কাৰণে নিয়োগ কৰে । শ্ৰীসুন্দৰমৰ পৰামৰ্শমতে দুয়োখন ৰাজ্যৰ মুখ্য সচিব দুজনে সুন্দৰমৰ তদন্তৰ কালছোৱাত শান্তি অটুট ৰাখিবলৈ ৪খন অন্তৰ্বৰ্তী চুক্তিত স্বাক্ষৰ কৰে আৰু সেই চুক্তি কেইখনৰ জৰিয়তে সীমান্ত অঞ্চলত শান্তি আৰু শৃংখলা বজাই ৰাখিবৰ কাৰণে বিস্তৃত ব্যৱস্থা হাতত লোৱা হয় । নগালেণ্ড চৰকাৰে অসমৰ এলেকাৰ ৪৯৭৩·১৬ বৰ্গ কি: মিটাৰত দাবী কৰিছে । এই দাবী কেন্দ্ৰীয় উপদেষ্টা শ্ৰীসুন্দৰমৰ ওচৰত ১৯৭১ চনত পোন প্ৰথমবাৰৰ কাৰণে উৎথাপিত কৰিছিল । অসম চৰকাৰে সুন্দৰম কমিটিয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদন গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক জনাইছিল যাতে সীমা সমস্যা সুন্দৰমৰ প্ৰতিবেদনৰ ভিত্তিত অতি শীঘ্ৰে নিষ্পত্তি কৰা হয় । নগালেণ্ড চৰকাৰে সুন্দৰমৰ প্ৰতিবেদন অগ্ৰাহ্য কৰে । তাৰ ফলত কেন্দ্ৰীয় চৰকাৰ আজিলৈ নিমাত থাকে আৰু সুন্দৰমৰ প্ৰতিবেদন সম্পৰ্কত কোনো যোগাযোগ বা নিৰ্দ্দেশনামা জাৰি কৰা নাই । ১৯৭২ চনৰ চুক্তি সমূহত দুয়োপক্ষৰ পৰা বিভিন্ন অঞ্চলত কেনে ধৰণৰ ব্যৱস্থা লব লগা হ'ব সেই সম্বন্ধে বিস্তৃত বিৱৰণ দিয়া নাই । এই ক্ষেত্ৰত অঞ্চলটো যদিও সম্প্ৰতি অসমৰ সীমাৰ ভিতৰত তথাপি এই অঞ্চলটোত শান্তি-শৃংখলা ৰক্ষা কৰিবৰ কাৰণে অসম চৰকাৰে এই অন্তৰ্বৰ্তী সিদ্ধান্তসমূহ লয় । কিন্তু দুৰ্ভাগ্যবশতঃ এই অন্তৰ্বৰ্তী চুক্তিসমূহৰ ম্যাদ শেষ নৌহওঁতেই ১৯৭২ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত নগালেণ্ডৰ ফালৰ পৰা কেইবাটাও ঘটনা ঘটি যায় য'ত অসমৰ এজন চিপাহীৰ মৃত্যু হয় আৰু কেইবাজনকো অপহৰণ কৰা হয়, ইত্যাদি । ঠিক তেনেধৰণে ১৯৭৭ চনৰ জুন মাহত দুয়োজন মুখ্য সচিবৰ মাজত সীমান্তত শান্তি শৃংখলা ৰক্ষা কৰিবৰ কাৰণে লোৱা আলোচনা আৰু তাৰ মাজত হোৱা আলোচনাৰ কেইদিনমান পিচতে ভেলগুৰিত সশস্ত্ৰ নগাৰ আক্ৰমণ আৰু তাৰ পিচত হোৱা ঘটনাবোৰে আকৌ এনে ধৰণৰ আলোচনা

আৰু চুক্তিৰ অসাৰ্থকতা দেখুৱাই দিয়ে। তথাপিও অসম চৰকাৰৰ ফালৰ পৰা গণতান্ত্ৰিক পদ্ধতিৰে সমস্যা সমাধানৰ আদৰ্শ আগত ৰাখি তেনে আলাপ আলোচনা চলাই থকা হয় আৰু তাৰ ভিত্তিত ১৯৭৯ চনৰ ২ জানুৱাৰী তাৰিখে দুয়োজন মুখ্যমন্ত্ৰীৰ মাজত সমস্যা সমাধানৰ কাৰণে এলানি আলোচনা হয়। মুখ্যমন্ত্ৰীদ্বয়ে সমস্যাটোৰ স্থায়ী সমাধান নোহোৱালৈকে ১৯৭২ চনৰ চুক্তিৰ অন্তৰ্নিহীত নীতি অনুসৰি সীমান্তত স্থিতাৱস্থা ৰাখিবৰ কাৰণে সিদ্ধান্ত লয় আৰু সুন্দৰম কমিটিৰ প্ৰতিবেদন অতি সোনকালে প্ৰকাশ কৰাৰ ব্যৱস্থা লবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰে। অতি দুৰ্ভাগাৰ বিষয় যে এনে এটা ব্যৱস্থা লোৱাৰ কেইদিনমানৰ ভিতৰতে ৫ জানুৱাৰীৰ দিনা সশস্ত্ৰ নগাই ডিফু, ৰেংমা আৰু নামবৰ সংৰক্ষিত অঞ্চল আৰু চুঙাজান তিনিআলি অঞ্চলৰ অসমৰ সীমান্তবৰ্ত্তী অঞ্চল আক্ৰমণ কৰি বহুতো লোকক নৃশংসভাৱে হত্যা কৰে আৰু অনেক ঘৰ-দুৱাৰ জ্বলাই দিয়ে। ইয়াৰ পিচৰ পৰা ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰীকে আদি কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী আদিৰ হস্তক্ষেপত সীমান্তত শান্তি ৰক্ষাৰ কাৰণে বহুতো আলোচনা হৈছে আৰু ভাৰত চৰকাৰে লোৱা ব্যৱস্থা আৰু সাংবিধানিক সীমান্তৰ প্ৰশ্নত যাতে দুয়োখন ৰাজ্যৰ মাজত আগতে উল্লেখ কৰা ধৰণৰ কোনো দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ কাৰণে ব্যৱস্থা লবলৈ তৎপৰ হয়। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে নগালেণ্ডৰ মুখ্যমন্ত্ৰীক স্পষ্টভাৱে সকিয়াই দিয়ে যে নগালেণ্ডৰ লোকে আইন শৃংখলা নিজৰ হাতত লবৰ কাৰণে কৰা চেষ্টা দৃঢ়ভাৱে দমন কৰা উচিত। তাৰ পিচত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ লগত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ আলোচনা দিল্লীত হয় আৰু সেই আলোচনাৰ পৰিপ্ৰেক্ষিতত তাৰ পিচৰ পৰাই দুয়োখন ৰাজ্যৰ সীমান্তবৰ্তী ৰাইজ, সংশ্লিষ্ট উপায়ুক্ত, আয়ুক্তসকল আৰু মুখ্য সচিব আৰু মাজে মাজে মুখ্য মন্ত্ৰীয়ে আলোচনা কৰি এটা সমাধানৰ সূত্ৰ উলিয়াবলৈ আৰু লগতে অপ্ৰীতিকৰ ঘটনা ৰোধ কৰিবলৈ চেষ্টা চলাই থকা হয়।

এইটো দুৰ্ভাগ্যৰ বিষয় যে সুন্দৰম কমিটিৰ প্ৰতিবেদন দিয়াৰ পিচতো এই বিষয়ত কোনো এটা সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। অসম চৰকাৰে সুন্দৰম কমিটীয়ে দিয়া পৰামৰ্শ মানি লৈ সীমান্তৰ স্থায়ী সমাধান কৰিবলৈ ৰাজি আছিল। কিন্তু নগালেণ্ড চৰকাৰে এই প্ৰতিবেদন গ্ৰহণ কৰিবলৈ অস্বিকাৰ কৰাত এতিয়াও স্থায়ী সমাধান আগৰ দৰেই বিতৰ্কিত হৈ আছে।

অসম চৰকাৰৰ ফালৰ পৰা সীমান্তবতী ৰাজ্যৰ লগত বন্ধুত্বপূৰ্ণ অৱস্থা অব্যাহত ৰাখিবৰ কাৰণে সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি নগালেণ্ডৰ ফালৰ পৰা

আকোৰগোজ মনোভাৱ লোৱাৰ কাৰণে আজিও এটা সিদ্ধান্তত উপনীত হ'ব পৰা নাই। ১৯৮৫ চনৰ জুন মাহত মেৰাপানীৰ নৃশংস হত্যাকাণ্ড ৰাইজৰ মনৰ পৰা এতিয়াও মাৰ যোৱা নাই। এনে দুৰ্ভাগ্যজনক ঘটনাৰ পিচতেই আশা কৰা হৈছিল যে ভাৰত চৰকাৰৰ মধ্যস্থতাত দুয়োখন ৰাজ্যৰ মাজত এটা স্থায়ী সমাধান হ'ব আৰু সীমান্তত ঘটি থকা কাৰ্য-কলাপ আদি ৰোধ কৰাত নগালেণ্ড চৰকাৰে অসম চৰকাৰৰ লগত সহযোগ কৰিব। সৰু-ডাঙৰ বহুতো ঘটনা হৈ থকাৰ পৰা আমি স্বাভাৱিকতে কেন্দ্ৰীয় চৰকাৰৰ নীতিক সন্দেহ কৰিবলৈ বাধ্য হৈছো। অসম চৰকাৰৰ ফালৰ পৰা সকলো উপাযুক্ত আৰু আয়ুক্তক নগালেণ্ডৰ প্ৰতি-পক্ষৰ লগত যোগাযোগ চলাই থাকিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু সীমান্তত যি কোনো ঘটনা হলেই নগালেণ্ড চৰকাৰৰ লগত সহযোগ কৰি তাৰ পৰা যাতে ব্যাপক অশান্তিৰ সৃষ্টি নহয়, তাৰ ব্যৱস্থাও হাতত লোৱা হৈছে। ১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৮ তাৰিখে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজত ক'হিমাত এলানি আলোচনা হয় আৰু তাৰ পিচত দুয়োখন ৰাজ্যৰ মুখ্য সচিবদ্বয়ৰ মাজত এলানি আলোচনা হয়। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা নিষ্পত্তি নোহোৱা বিষয়সমূহ এজন আৰবিটেট'ৰক দি সেই আৰবিটেট'ৰে দিয়া সিদ্ধান্ত দুয়োখন ৰাজ্যই নিৰ্বিবাদে মানি লোৱাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। কিন্তু যিহেতু নগালেণ্ড চৰকাৰে আগৰ সুন্দৰমৰ প্ৰতিবেদন নাকচ কৰিছে, গতিকে এনে ধৰণৰ আৰবিটেট'ৰ নিয়োগ কৰি স্থায়ী মীমাংসাত উপনীত হোৱাত অসম চৰকাৰে সন্দেহ প্ৰকাশ কৰিছে। শেহতীয়াভাৱে নগালেণ্ড চৰকাৰে ৰেংমা ৰিজাৰ্ভ বনাঞ্চলৰ ভিতৰত নিউ হৰিছে গাওঁখন নিউলেণ্ড নামেৰে নামাকৰণ কৰি তাত নিউলেণ্ড মহকুমাৰ সদৰ কাৰ্য্যালয় যোৱা ১০-২-৮৭ তাৰিখে স্থাপন কৰে। নিউ হৰিছে গাওঁখন নগালেণ্ডৰ ফালৰ পৰা অসমত এখন বেদখল গাওঁ। এই গাওঁখন আমাৰ সীমাৰ ভিতৰত। ইয়াৰ উপৰিও নগালেণ্ড চৰকাৰে সীমান্তৰ সিপাৰৰ পৰা বনাঞ্চল সমূহত চিকিৎসালয়, গীৰ্জা, ৰাস্তা, বিদ্যুৎ লাইন সম্প্ৰসাৰণ, ঘৰ সজাৰ কাম হাতত লয়। অসম চৰকাৰে নগালেণ্ডৰ বে-আইনী কাৰ্য কলাপত বাধা দিয়ে আৰু নগালেণ্ড চৰকাৰৰ ওচৰত তীব্ৰ প্ৰতিবাদ কৰা হয় আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচৰা হৈছে।

অসম চৰকাৰে সীমা সম্পৰ্কীয় বিষয়টো গুৰুত্ব সহকাৰে পৰীক্ষা-নিৰীক্ষা কৰি এইটো থিৰাং কৰে যে দুয়োপক্ষৰ মাজত হোৱা চুক্তি আৰু আলোচনাৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰিব লাগে আৰু শ্ৰীসুন্দৰমৰ পৰামৰ্শৰ ভিত্তিত সীমা

বিবাদ সোনকালে নিষ্পত্তি কৰিব লাগে। অসম চৰকাৰে ইতিমধ্যে শ্ৰীসুন্দৰমৰ প্ৰতিবেদন মৰ্মে সীমা বিবাদ সমাধান কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক জনাই দিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ প্ৰতি অপেক্ষা কৰি আছে।

১৯৮৫ চনৰ জুন মাহত মেৰাপানীত সংঘটিত হোৱা হত্যাকাণ্ডৰ বিষয়ে যিখন আয়োগ (শাস্ত্ৰী আয়োগ) ভাৰত চৰকাৰে গঠন কৰি দিছিল, সেই আয়োগে ইতিমধ্যে ভাৰত চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছে। ভাৰত চৰকাৰে ইতিমধ্যে অসম চৰকাৰলৈ ইয়াৰ প্ৰতিবেদনৰ প্ৰতিলিপি পঠাইছে। অসম চৰকাৰে প্ৰতিবেদনখন বিবেচনা কৰি আছে আৰু সোনকালে ইয়াৰ ভিত্তিত লব লগা কাৰ্যপন্থাৰ সিদ্ধান্ত লোৱা হ'ব।

যোৱা ১৮ ডিচেম্বৰত অনুষ্ঠিত হোৱা নগালেণ্ড বিধান সভাৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল যে অসম আৰু নগালেণ্ডৰ সীমা সমস্যা স্থায়ীভাবে নিষ্পত্তি কৰা হ'ব। অসম চৰকাৰে নগালেণ্ডৰ ভোট গ্ৰহণ কৰা কেন্দ্ৰ অসমৰ সীমান্তৰ ভিতৰত পাতিবলৈ নিদিয়াত উক্ত ঘোষণা কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰে। কিন্তু অসম চৰকাৰৰ আপত্তি সত্বেও নগালেণ্ড চৰকাৰে ৩৬টা ভোট গ্ৰহণ কেন্দ্ৰ অসমৰ সীমাৰ ভিতৰত স্থাপন কৰিছিল। ইয়াৰ পিচত যোৱা ফেব্ৰুৱাৰী মাহৰ ৪ তাৰিখে নগালেণ্ড আৰু অসমৰ সীমাৰ সম্পৰ্কত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ আমন্ত্ৰণ ক্ৰমে নতুন দিল্লীত অসম আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ মাজত এলানি আলোচনা হয়। এই আলোচনাত অসম নগালেণ্ড সীমা বিবাদৰ এটা স্থায়ী সমাধানৰ কাৰণে বিভিন্ন দিশসমূহ আলোচনা কৰা হয়। অসম চৰকাৰে উক্ত আলোচনাত বিশেষকৈ সংবিধান, শাস্ত্ৰী আয়োগ আৰু সুন্দৰম কমিটীৰ প্ৰতিবেদনৰ পৰামৰ্শাৱলীৰ ভিত্তিতে এটা স্থায়ী সমাধানৰ কাৰণে জোৰ দিয়ে। ভাৰত চৰকাৰৰ ফালৰ পৰা এই বিষয়ত যদিও নীতিগত ভাবে কোনো আপত্তি দৰ্শোৱা নাই, তথাপি গোটেই সীমা সমস্যাটো সমাধানৰ বাবে দুয়ো পক্ষৰ সন্মতি সাপেক্ষে এটা আয়োগ দিয়াৰ কাৰণে পৰামৰ্শ আগবঢ়োৱা হয়। অসম চৰকাৰে এটা কথাৰ ওপৰত গুৰুত্ব দিয়ে যে যিকোনো আয়োগে দিয়া ৰায়ৰ পৰামৰ্শাৱলী যাতে তিনিও পক্ষৰ কাৰণে বাধ্যতামূলক হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে আয়োগ নিয়োগ কৰিলে তেখেতসকলৰ বিবেচনাৰ বিষয়বস্তু কি হ'ব বুলি অসম চৰকাৰে ভাবে সেই সম্বন্ধে আগতীয়াকৈ জানিবলৈ বিচাৰে। অসম চৰকাৰৰ ফালৰ পৰা কোৱা হয় যে নীতিগত ভাবে আয়োগ গঠন কৰা কথাটো সিদ্ধান্ত হলেহে বিবেচনাৰ বিষয়বস্তু দিয়াৰ কথা উত্থাপন কৰিব পৰা হ'ব বা

আলোচনা কৰিব পৰা হ'ব। প্ৰাৰম্ভিক আলোচনাৰ পিচত পুনৰ আলোচনা চলাবলৈ সিদ্ধান্ত কৰা হয়। এতিয়া দেখা যায় যে অসম চৰকাৰে আলোচনা আৰু বুজা-বুজিৰ মাজেৰে অসম-নগালেণ্ড সীমা সমস্যা সমাধান কৰাৰ বাবে যথা সম্ভৱ সকলো চেষ্টা কৰা সত্বেও নগালেণ্ড চৰকাৰৰ পৰা আশানুৰূপ সহাৰি আৰু সহযোগ পোৱা নাই। আনহাতে কেন্দ্ৰীয় চৰকাৰে সুন্দৰম কমিটিৰ প্ৰতিবেদন তথা শাস্ত্ৰী আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত যথা বিহিত কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰাত অযথা পলম কৰি অসম নগালেণ্ড সীমা সমস্যা সমাধান কৰাত নেতিবাচক মনোবৃত্তিৰ পৰিচয় দিয়াহে দেখা গৈছে। যি কি নহওক, এতিয়া পুনৰ এটি নতুন আয়োগ গঠন কৰি সীমা সমস্যা সমাধানৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিছে।

ওপৰত উল্লেখ কৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰু সুন্দৰম কমিটি তথা শাস্ত্ৰী আয়োগৰ প্ৰতিবেদনৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ নিৰ্বিকাৰ মনোভাবৰ পৰিপ্ৰেক্ষিতত নতুন আয়োগ গঠন হলেও অসম নগালেণ্ড সমস্যা তৎকালেই সমাধান হোৱাৰ বিশেষ আশা দেখা নেযায় যদিও অসম চৰকাৰে এই সমস্যাৰ আশু সমাধানৰ বাবে সদায় আগ্ৰহশীল। সেয়েহে এইবাৰ পুনৰ নতুন আয়োগ গঠন হলে এই আয়োগৰ ৰায় যাতে অসম-নগালেণ্ড আৰু কেন্দ্ৰীয় চৰকাৰ— তিনিও পক্ষৰ ওপৰত বাধ্যতামূলক হয় তাৰ স্পষ্টীকৰণ অসম চৰকাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পৰা বিচাৰিছে।

## MATTER UNDER RULE 301

Mr. Speaker—Now Item 3, Shri Sheikh Abdul Hamid.

Matter Under Rule 301 was not called for

## PRESENTION OF REPORTS

Mr. Speaker : Item No. 4, Shri Bhadreswar Buragohain, Hon'ble Deputy Speaker and Chairman, Committee of Privileges of the Assam Legislative Assembly.

Shri Bhadreswar Buragohain (Dy speaker)— Mr. Speaker, Sir, I beg to present the Twenty-ninth Report of the Committee of Privileges, Assam Legislative Assembly.

Mr. Speaker : Item 5, Shri Bhadreswar Buragohain, Hon'ble Deputy Speaker and Chairman, Committee on Subordinate Legislation.

Shri Bhadreswar Buragohain (Dy. Speaker) : Mr. Speaker, Sir, I beg to Present the Twenty-first Report of the Committee on Subordinate Legislation, Assam Legislative Assembly.

## GOVERNMENT BILL

Mr. Speaker : Item No. 6, Hon'ble Minister of Agriculture, Shri Chandra Mohan Patowary to move.

Shri Chandra Mohan Patowary (Minister) : Mr. Speaker, Sir, I beg leave to introduce the Assam Agricultural Farming Corporation (Amendment) Bill 1988.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

(Voice— yes yes)

The leave is granted. Now here is a message received from the Governor of Assam :—

"Raj Bhavan", Guwahati,
March 28, 1988.

Under the provision of Article 207 (I) of the Constitution of India, I, Shri Bhisma Narain Singh, Governor of Assam recommend the introduction in the Assam Legislative Assembly, of the Assam Agricultural Farming Corporation (Amendment) Bill, 1988.

Signed— Bisma Narain Singh,
Governor of Assam

Now Hon'ble Minister, Shri Chandra Mohan Patowary to move.

Shri Chandra Mohan Patowary (Minister) : Sir, I beg to introduce the Assam Agricultural Farming Corporation (Amendment) Bill, 1988 in the Assam Legislative Assembly.

(Secretary of the Assambly announced the title of the Bill).

## DISCUSSION UNDER RULE 49

Discussion under Rule 49 to be raised by shri Girin Hazarika was not called for.

## GENERAL DISCUSSION ON THE BUDGET

মাননীয় অধ্যক্ষ ঃ এতিয়া বাজেটৰ ওপৰত সাধাৰণ আলোচনা । আজিৰ আলোচনাত ভাগ লব মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই ।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই পিচত কম ।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীদীলিপ শইকীয়া সোনোৱালে আৰম্ভ কৰিব পাৰে ।

শ্ৰীদীলিপ শইকীয়া সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ চৰকাৰে যি বাজেট ডাঙি ধৰিছে সেইখন ভাল বাজেট হৈছে । কিন্তু মই এই বাজেটখনৰ কেইটামান বিষয়ত মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । প্ৰথমতে মই শিক্ষক নিযুক্তিৰ বিষয়ে কওঁ — হাইস্কুল সমূহৰ সহকাৰী শিক্ষক নিযুক্তিৰ কাৰণে সাক্ষাৎ গ্ৰহণ কৰিবৰ বাবে লক্ষীমপুৰ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকে প্ৰাৰ্থীৰ যোগ্যতা বিবেচনা নকৰি পক্ষপাতিত্বভাৱে আমন্ত্ৰন জনোৱা দেখা গৈছে । উদাহৰণ স্বৰূপে মোৰ নিজা সমষ্টিৰ অন্তৰ্গত গণিতত সন্মান সহ বিজ্ঞানৰ স্নাতক এজনক সাক্ষাতৰ বাবে আমন্ত্ৰন জনোৱা হোৱা নাই । মই জনামতে উক্ত প্ৰাৰ্থীজন লক্ষীমপুৰ জিলাৰ ভিতৰতে এজন যোগ্যতাসম্পন্ন প্ৰাৰ্থী । তেঁখেত ১৯৮৬ চনৰ পৰা এখন বেচৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰাৰ অভিজ্ঞতা আছে । ইয়াৰোপৰি বায়ো-কেমিষ্ট্ৰি সহ স্নাতক প্ৰাৰ্থী এজনক সাক্ষাতৰ বাবে আমন্ত্ৰণ কৰা নহ'ল । মই জনামতে উক্ত প্ৰাৰ্থীজন ধেমাজি মহকুমাৰ ভিতৰত এজন যোগ্যতাসম্পন্ন প্ৰাৰ্থী । লক্ষীমপুৰ জিলাৰ উক্ত প্ৰাৰ্থী কেইজনক সাক্ষাতৰ বাবে আমন্ত্ৰন নজনাই পক্ষপাতিত্ব গ্ৰহণ কৰি চাকৰিৰ পৰা বঞ্চিত কৰাৰ বাবে পৰিদৰ্শকজনৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি ভৱিষ্যতে এনে কাৰ্য্য ঘটিব নহয় তাৰ বাবে ব্যৱস্থা লবলৈ অনুৰোধ জনালো ।

এতিয়া আমাৰ জনস্বাস্থ্য বিভাগৰ বিষয়ে মই কবলৈ বিচাৰিছো । ৰাজহৰ ক্ষেত্ৰত এই বিভাগৰ চৰকাৰী বিষয়াসকলে নাজানে, তেওঁলোকে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? তেনেকৈ আমাৰ জেলৰ প্ৰশাসন বিভাগৰো ৰাজহ ধাৰ্য্য কৰা হয়, কিন্তু বহুত সময় সেই ৰাজহ দিয়া দেখা নাযায় । পৰিবহণ বিভাগতো আমি সেইবোৰ দেখিবলৈ পাওঁ । অসমত বিভিন্ন ধৰণৰ পৰিবহণ বাচ চলাচল কৰে । আমি দেখিবলৈ পাওঁ সেই বাচবিলাকৰ পাৰমিট অৰুনাচল, মেঘালয় আদিৰ পৰা লোৱা হয় । সেইবিলাকৰ পৰা পাব লগা ৰাজহ আমি কেতিয়াও নেপাওঁ । মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো যে ১ কোটি টকা লোকচান ভৰি জলসিঞ্চন বিভাগে এম, এচ, ( ই, আৰ, ডব্লিউ ) পাইপ কিনিছে । উক্ত পাইপ ষ্টিল ইণ্ডিয়া অ'থৰিটিৰ পৰা কিনা হলে লোকচান নহ'লহেতেন । এই সম্পৰ্কত উক্ত প্ৰতিষ্ঠানৰ লগত কোনো ধৰণৰ যোগাযোগ কৰা হোৱা নাছিল । অন্যহাতে স্থানীয় যোগান ধৰোতা-সকলক উক্ত পাইপ যোগান ধৰাৰ বাবে সুবিধা দিয়া নাই । এই পাইপ যোগানৰ সংক্ৰান্তত

নিবিদা আহ্বান কৰি স্থানীয় দৈনিক নাইবা সপ্তাহিক বাতৰি কাকতত কোনো ধৰণৰ বিজ্ঞাপন দিয়া হোৱা নাছিল। ষ্টিল ইণ্ডিয়া অথৰিটিৰ পৰা ৩০০ মি: মিঃ ই, আৰ, ডব্লিউ পাইপৰ প্ৰতি মিটাৰৰ দাম ৪১১·৮৬ টকা। কিন্তু জলসিঞ্চন বিভাগে কিনা একে বিধৰ পাইপৰ প্ৰতি মিটাৰৰ দাম ৬০৬·০০ টকা। গতিকে দেখা যায় যে উক্ত পাইপ শতকৰা ৪৭ টকা বেছি দামত কিনা হৈছে। বৰ্ত্তমান জানিব পাৰিছো যে এই বিষয়ে জলসিঞ্চন বিভাগৰ সচিবক অনুসন্ধান কৰিবলৈ দিয়া হৈছে। আচামিকে ইয়াৰ অনুসন্ধান কৰিবলৈ দিয়া হৈছে। গতিকে জলসিঞ্চন বিভাগৰ পৰা ৰাজহ পামনে নেপাম এই বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

আমাৰ বিশেষকৈ পি, ডব্লিউ, ডি বিভাগৰ— According to Revised Seventh Five Year Plan for 1985-90 prepared by the Government of Assam, total allocation of fund under P. W. D. Deptt. during the financial year 1988-89 should be 315 lakh in total. Instead, the total allotment, shown in the budget under P. W. D. Deptt. for 1988-89 is 211 lakh only. সেইটো হ'ল ৭৯৬ টি, এচ, পি। এইটো কিয় কম ধৰা হ'ল? এইটো মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিছো আৰু তেখেতে এই কথাটো নিশ্চয় জানিবলৈ দিব। টি, এচ, পিৰ ২১১ লাখৰ পৰিবৰ্ত্তে ৩১৫ লাখ হব লাগিছিল। এইবোৰ অনিয়মিত হৈছে। ৰাজহৰ ক্ষেত্ৰত চৰকাৰী বিষয়াসকলে চৰকাৰক কৰ ফাঁকী দিছে। যদি এইবোৰৰ ক্ষেত্ৰত চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহলে বহুতো অসুবিধা হ'ব। এইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বাজেট বক্তৃতা সামৰণি মাৰিছো।

( Hon. Speaker left the House and Hon. Dy. Speaker took the chair )

Mr. Deputy Speaker— Now Shri Sarat Chadra Sinha to speak.

Shri Sarat Chandra Sinha :— Mr. Deputy Speaker, Sir, according to the time limit that has been fixed, I can speak only for sixteen minutes. I wanted to speak more on the important aspects of the budget but within this short period of time, it is not possible to cover all these aspects, I wanted to. I would, therefore, I like to confine myself to a point of discrepancy that has been raised by Hon'ble Member, Shri Santi Ranjan Das Gupta. Sir, the point of discrepancy has arisen because of a huge gap between the withdrawal from the consolidated fund and the expenditure that has been shown as actual in the annexure of this budgetspeech. Sir, for the year 1986-87 the Governemnt was authorised to withdraw from the consolidated fund— original grant voted by this Assembly was 1370, 38,35,000/-. This money was not sufficient to meet

the expenses of the Government. Therefore, Government came forward with another demand i. e. by another supplementary grant. The Government was authorised to withdraw from the consolidated fund 50,05, 78,000/- and that was also not sufficient. Then Sir, Government came forward with a demand for the third time and the authorisation was given by this Assembly to withdraw Rs. 24 crores 9 lakhs 71 thousand 7 hundred. Sir, the total amount that was authorised to withdraw from the consolidated fund was Rs. 1445 crores 34 lakhs 85 thousand and 6 hundred. Now, there is another account for which the Government is to spend. That is the expenditure from the charged account and on that account the Government was also authorised to withdraw 816 crores 84 lakhs 55 thousand and 9 hundred. So, the total amount that was authorised by this Assembly for the year 1986-87 was the charged account and the other accounts comes to Rs. 2,262 crores 19 takhs 91 thousand and 5 hundred. Now, Sir, this amount was withdrawn from the consolidated fund because of the need to spend this money. Now, in the annexure under actuals on the expenditure side 1985-87 we find only 61,666 crores 42 lakhs and 37 thousand. Now there is a gap, gap of 594 crores 77 lakhs 4 thousand and 5 hundred. This is the gap between the withdrawal and the actual expenditure, that means, Government withdraw more from the consolidated fund and spent much less. Where this amount has been kept ? It is crystal clear that there is a gap between the withdrawal and expenditure. Hon'ble Member Shri Santi Ranjan Das Gupta has put the question in another way. He has shown that deposit was only 1,692 crores 39 lakhs and 77 thousand as shown in the budget speech. He has put the question : how this Government could withdraw so much money when the deposit is much less. Sir, when we compare between the deposit i. e. receipt and the withdrawal, we find a gap and also when we examine the expenditure i. e. , total withdrawal and the expenditure incurred there is also a gap. Sir, the gap is also similar. So, Sir, there is a jumbling of the account. We have not been able to understand why there is a gap. We have not

been able to follow this accounting, because the money which has been drawn is much more than the money that has been spent. When we compare with the receipt it is almost the same, within the range of 6 hundred. Where this amount has been kept ? So, I find that there is a kind of jumbling of accounts. This has not been properly placed. I would like to request the Chief Minister to explain or to look into it. I would also request the Chief Minister to look into the matter so that the accounts are placed on the floor of the House in a proper manner. Sir, when the Government comes forward with a concrete proposal, the legilature authorise Government to withdraw from the consolidated fund. But when the Government obtain authorisation from the legislature to withdraw more money and but incur expenditure much less, what does it signify ? So, this should be properly placed. Chief Minister will either explain or look into it so that in future it is not placed in that manner. It is a very serious matter. Sir, Government certainly have no black money. Govt. have no money out of account. Therefore, sir this amounts should correspond to each other. Now, Sir, as there is time, I want to say on another aspect of the Budget. The Chief Minister has stated that steps have also been taken to create enough opportunities for self employment in the agricultural and industrial sectors. Sir, instead of saying so, the Chief Minister should have given certain concrete steps for creating an atmosphere. Sir, we should understand the background of these people for whom some steps have been taken. We must also understand the socio-economic problems of the people of Assam. If you want to get the

unemployed youths settled down in any enterprise. Merely providing money will not do. you may give money, you may give schemes, but that would not itself settle in that enterprise, because we do not have industrial or commercial background. We are born in agricultural society. Our economy is rooted in agriculture. Our agriculture has not been commercialised. We have not gone on the commercial side of agriculture. So, sir we have to know the background. If we give them money, if we give them scheme, it will be of no help to them. We do not take them as settled in the enterprise. Government should also look after them even after the money was given, or; even if they are settled down with the scheme. Sir, to explain this, I want to cite an example. Sir, you have given one sewing machine to an unemployed woman and the woman might be using it in an enterprise. But that is not enough. You will have to see that the products she produces are marketed. Now, the young enterepreneurs find it very, very difficult to sell their products in the market. Sir, today the market has become very competitive through advertisement. T. V. advertisements are there, Radio advertisement are there, making the market more competitive. So, sir, unless they have got substantial help not only to produce but also all sorts of marketing facilities, you cannot really help them. Sir, if some one really wants to give effective help to the unemployed youths, educated or uneducated, then we shall have to take special steps not only to produce but also to market the products and to see that they are fully protected. Economic proteltion is necessary for these young enterpreneurs. Sir,

I am very much disappointed because such things are not in the Budget. Sir, the Budget is not merely a document to give accounts of receipts and expenditure. It should also give a proper background for economic development. Government should see that the aspirations of the people are reflected in the budget. If one looks at the budget one gets ideas how prosperous the state is. Sir, I hope Chief Minister will look into this and see if any effective steps could be taked to rehabilitate the young entrepreneurs, protecting their economic interest and to create a new climate. With these words I conclude. Thank you.

শ্ৰীজয়নাথ শৰ্মা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইমান দিন ধৰি মাননীয় সদস্য সকলে মুখ্যমন্ত্ৰীয়ে সদনত দাঙি ধৰা বাজেট বক্তৃতাৰ ওপৰত ভিত্তি কৰি, এই বাজেটত থকা বিষয় সমূহৰ ওপৰত আলোচনা কৰিছে। ময়ো মূলতঃ মাত্ৰ কেইটামান বিষয়ত সদনৰ অৱগত কৰিব বিচাৰিছোঁ।

প্ৰথম কথা হৈছে এখন ঘাটি বিহীন বাজেট উত্থাপন কৰাটো ৰাজ্যখনৰ জনসাধাৰণৰ কাৰণে আদৰণীয় বিষয়। কিন্তু বাজেটখনত ঘাটি হোৱা বিষয়টো মনকৰিবলগীয়া। মুখ্যমন্ত্ৰীয়ে তেখেতৰ বক্তব্যত এটা কথা স্পষ্টকৈ কৈছে যে বৃহৎ পৰিমাণৰ ঘাটি বাজেট সঁচাকৈয়ে উদ্বেগৰ কাৰণ। এতিয়া কথা হৈছে যে এই ঘাটি আমি কেনেকৈ পূৰাম? এই সম্পৰ্কত চৰকাৰে এটা নতুন কৌশল হাতত লোৱা উচিত বুলি মই ভাবোঁ। কাৰণ ৰাজ্যখনত ঘাটি বাজেট উত্থাপন কৰাৰ পিছত সেই ঘাটি পূৰণ কৰাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ ওপৰত নিৰ্ভৰ কৰি বহি থকা উচিত হ'বনে নহ'ব? ঘাটি বাজেটত যিমান টকা ঘাটি দেখুৱা হৈছে সেই ঘাটি কমোৱাৰ কাৰণে আমি কিছুমান ব্যৱস্থা লব পাৰোঁ।

ৰাজহ সংগ্ৰহৰ সময়ত যিখিনি ৰাজহ নিয়মমতে সংগ্ৰহ হব লাগিছিল সেইখিনি ৰাজহ সংগ্ৰহ হৈছেনে নাই? যদি ৰাজহ বন্ধ কৰাৰ ফলত বাজেটত ঘাটি হৈছে তেনেহলে সেই ঘাটি অহব ভৱিষ্যতে নাথাকিব। কৰৰ যিটো অৱস্থা এই অৱস্থাত জনসাধাৰণৰ ওপৰত কৰ লগাব লাগে বুলি আমি কব

নোৱাৰো। কিন্তু যিখিনি কৰ, বিক্ৰী কৰেই হওক বা সম্পদ আহৰণৰ কাৰণেই হওক যিখিনি পাব লগীয়া সেইখিনি পাইছোনে নাই? মই চৰকাৰক এটা উদাহৰণ দিব বিচাৰো যে অৱশ্যে এইটো কথা মই আগতেও কৈ আহিছো যে মাটি বিক্ৰী সমগ্ৰ অসমতেই হৈ আহিছে। কিন্তু পঞ্জীয়নৰ ক্ষেত্ৰত ১ লাখ টকাত মাটি বিক্ৰী হলে তাৰ পঞ্জীয়ন ১০ হাজাৰ টকাত হয়। চৰকাৰে এক লাখ টকাৰ ওপৰত যি পঞ্জীয়ন মূল্য পাব লাগিছিল সেইটো মাটি বিক্ৰী কৰোতাজনেও লুকুৱায় আৰু মাটি কিনোতাজনেও লুকুৱায়। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে বজাৰত যি বিক্ৰী মুল্য, সেই মূল্য লুকুৱাৰ বাবেই চৰকাৰ কৰ পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। বজাৰৰ বিক্ৰী মুল্য আৰু নিৰ্ধাৰিত মুল্যৰ মাজত পাৰ্থক্য থাকে। মই এই সদনতে কেইবাবাৰো কৈছো যে আগতে আবকাৰী, যোগান, আৰক্ষী আৰু পৌৰ প্ৰশাসন আদিয়ে লগ লাগি যৌথভাৱে খানাতালাচি কৰাৰ ব্যৱস্থা আছিল।

কিন্তু ৰহস্যজনক ভাবে এই ব্যৱস্থাটো আজি বহু বছৰৰ পৰা গুৱাহাটী, তিনিচুকীয়া আদি ব্যৱসায়িক চহৰবিলাকত এৰাই চলা হৈছে। ইয়াৰ ৰহস্য কি মই নাজানো। আগতে বিক্ৰীকৰ পৰিদৰ্শকে যি কোনো দোকান এখনলৈ গৈ নথি-পত্ৰ চিজ কৰাৰ ব্যৱস্থা আছিল। ১৯৮৩ চনৰ নিৰ্ব্বাচনৰ পিচত সেই ব্যৱস্থাটো নোহোৱা হৈছে। তাৰমানে আজিৰ দিনটোত এজন বিক্ৰিকৰ পৰিদৰ্শকৰ কোনোবাই বিক্ৰিকৰ ফাকি দিছে নে নাই তাৰ কাৰণে কাগজ পত্ৰ চোৱাৰ অধিকাৰ নাই। এতিয়া কিয় নাই? ৰাজহ লিকেজ বন্ধ কৰাৰ ব্যৱস্থা যদি কৰা নহয়, তেনেহলে আজি যি ঘাটি দেখুৱাইছে, ই ক্ৰমান্বয়ে বাঢ়ি যাব। মই এটা কথা সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে ১৯৭১ চনৰ পৰা ১৯৮০ চনলৈ বাজেট প্ৰভিজন নথকাকৈ খৰচ কৰাৰ কাৰণে সেইটো ৰেগুলেৰাইজ কৰিবৰ কাৰণে ইয়াত একচেচ এক্সপেনডাৰ পাচ কৰিছো। হাউচৰ নটিচত ননাকৈ ১৯৭১ চনৰ পৰা ১৯৮০ চনলৈ কোটি কোটি টকা খৰচ কৰিছে। এতিয়া শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই যিটো অংক উলিয়াইছে, সেই অংকত তেখেতৰ দিনতো অলপ গণ্ডগোল আছে। আমি একচেচ এক্সপেণ্ডিচাৰ ৰেগুলেৰাইজ কৰিছো। মই এটা কথা জনাব বিচাৰিছো যে ১৯৮৬-৮৭ চনত অপোণিং বেলেন্স লৈছিল ৩৮ কৌটি ৬২ লাখ টকাৰ। কিন্তু হিচাব কৰাৰ পিচত এ, জিয়ে উলিয়ালে সেইটো নহয়। ৬৫ কোটি ৩৪ লাখ বেছিকৈ কৰিছে। সৰ্ব্বমুঠ ১০৩ কোটি ৯৬ লাখ টকা বেচিকৈ খৰচ কৰিছে। তাৰ মানে আজি

যিটো অংক কৰি দেখুৱাইছে, সেইটো গতানুগতিক ভিত্তিত চলি অহা অংক। এতিয়া প্ৰশ্ন হ'ল ৰাজহ লিকেজ বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লওক। ৰাজহ আইন কৰিব কাৰণে চৰকাৰৰ হাতত বিশেষ এটা সুবিধা আছে। সেইবোৰ হৈছে চৰকাৰে লোণ-পটিয়াকৈ পাব্লিক আণ্ডাৰটেকিংবিলাক কন্ট্ৰোল কৰিব পাৰেনে নোৱাৰে? আজি ৰাজহুৱা উদ্যোগ বিলাকৰ অধিকাংশই সদায় লোক-চানত চলি আছে। এই উদ্যোগবিলাকৰ লোকচানত চলি থকাৰ যি এটা মনোবৃত্তি হৈছে, তাক নাইকিয়া কৰিবৰ কাৰণে চৰকাৰে হাতত লব লাগে। এই বিলাকৰ লাভ নহলেও লোকচান নকৰাকৈ ৰাইজৰ সেৱা কৰাৰ ব্যৱস্থা কৰিব পাৰেনে নোৱাৰে? আজি পাব্লিক আণ্ডাৰটেকিংবিলাক এনেকুৱা হৈছে যে ৰাইজৰ উপকাৰত অহাৰ পৰিবৰ্তে অপকাৰিহে কৰিছে। মই যোৱাবাৰ এটা কথা কৈছিলো আৰু এইবাৰো কওঁ যে পাব্লিক আণ্ডাৰটেকিং এটাত মেনেজিং ডিৰেক্টৰ নিযুক্তি দিয়াৰ পিচত, বিশেষ বিষয়ত প্ৰশিক্ষণ লবৰ কাৰণে ভাৰতৰ বাহিৰলৈ পঠোৱা হৈছিল। প্ৰশিক্ষণ লৈ অহাৰ পিচত তেওঁক বেলেগ বিভাগলৈ পঠোৱা হ'ল। মই আৰু ৰাজহ লিকেজৰ উদাহৰণ দিব বিচাৰিছো। মই এদিন শুক্লেশ্বৰ ঘাটলৈ দামী ফুলৰ মালা বিচাৰি যোৱাত তেওঁলোকে ১৫ টকাৰ ফুলৰ মালা দিলে। ভাৰতৰ ৰাষ্ট্ৰপতি অসমলৈ আহোঁতে ফুলৰ মালা কিনাৰ বাবে পাঁচ হাজাৰ টকা দেখুওৱা হৈছে। ৰাষ্ট্ৰপতিৰ নামত দুৰ্নীতি কৰিবলৈ আমাৰ বিষয়া সকলে সাহস কৰিলে। পাঁচ হাজাৰ টকাৰ ফুলৰ মালা এজন মানুহে পিন্ধিব পাৰেনেকি? মোক আটাইতকৈ দামী ফুলৰ মালাৰ দাম ৫০ টকা বুলি কৈছে। এতিয়া কি দুৰ্নীতি চলিছে তাৰ আৰু উদাহৰণ দিওঁ। পৰহি ভাৰতৰ মাননীয়া প্ৰধান মন্ত্ৰী পাটিৰ কামত গুৱাহাটীলৈ আহোঁতে ৰক্ষণা-বেক্ষণৰ দায়িত্ব ৰাজ্য চৰকাৰৰ। কিন্তু পাটিৰ মিটিঙৰ কাৰণে ৰভা বনাই দিয়া দায়িত্ব কি ৰাজ্য চৰকাৰৰ আছে? দি, চি,এ এখন চিঠি লিখিছে ৰভা বনাই দিয়াৰ বাবে। যদি এই দৰেই হয়, তেন্তে আন পাটিবো বনাই দিব লাগিব। এই ধৰণৰ মদ অব এক্সপেণ্ডিচাৰ হৈছে।

Shri Altaf Hossain Muzumdar— For the information of the Hon'ble member, it was done on payment. This was also done from security point of view, and Rs. 35,000/- was paid by the Congress.

শ্ৰীজয়নাথ শৰ্ম্মা : কিমান খৰচ হৈছে মই নাজানো। যদি চৰকাৰে কৰি দিছে তেন্তে সেইটো ভুল হৈছে। এইবিলাক কথা অসমৰ ৰাইজক জনোৱাৰ প্ৰয়োজন আছে। পইচা দিয়ক আপত্তি নাই। কিন্তু চৰকাৰী বিষয়াক ব্যৱহাৰ কৰিছে নে নাই? বাজেটত উল্লেখ কৰা ষ্টক ট্ৰেন্সফাৰৰ কথাটোৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। মাৰ্ঘেৰিটাৰ এটা চাহ কোম্পানীয়ে মাৰ্ঘেৰিটাৰ ওচৰৰ এটা প্ৰাইভেট পৰা চাহপাতৰ কাৰখানা বাকচ কিনিছে। কিন্তু কোম্পানীৰ, প্ৰধান কাৰ্য্যালয় কলিকতাত থকা কাৰণে কাগজখন ট্ৰেন্সফাৰ হৈছে কলিকতাত। ফলত অসমৰ বস্তুৰ বিক্ৰিকৰ পশ্চিমবঙ্গ চৰকাৰে লৈছে। ঘাটি বাজেট পূৰণ কৰিবৰ কাৰণে নোট চপাব নালাগে বুলি কোনোবাই কৈছে। কেন্দ্ৰীয় চৰকাৰে নোট চপাই ঘাটি পূৰণ কৰে। মাৰ্ঘেৰিটা চাহ বাগানৰ বাকচ কিনাৰ বাবে কলিকতাই যি বিক্ৰিকৰ লৈছে তাক বাধা দিয়াৰ ব্যৱস্থা আছে। মই এতিয়া নিবনুৱা সমস্যাৰ কথা কব খুজিছো। এই চৰকাৰ গঠন হোৱাৰ পিচত সোম, মঙ্গল, বুধবাৰে দিশপুৰত সোমাব নোৱাৰি। চাকৰি বিচৰা প্ৰাৰ্থী। এই নিবনুৱাসকলক চাকৰি দিব পাৰোনে নোৱাৰো? যদি দিব নোৱাৰো তেনেহলে তেওঁলোকৰ বাবে কৰ্ম্মমুখী আঁচনি আছেনে নাই? যোৱাবাৰ কৃষি ভাট্টা দিয়াৰ কথা কৈছে। সেইটো বোধকৰো আমাৰ চৰকাৰে দিব। এইটো যদি গোটেই জিলাবিলাকত ভগাই দিয়া যায়, তেন্তে ভাল ফল নাপাব। এখন জিলাত এক হাজাৰজনক লৈ পৰীক্ষামূলক ভাবে দি দিয়ক। তেওঁলোকৰ ভাল হোৱা দেখিলে অন্য যুৱকো আকৰ্ষিত হব। চুক্তি ৰূপায়ণৰ কাৰণে যদি বাজেট প্ৰভিজন নাথাকে তেন্তে অসুবিধা হব। চুক্তি ৰূপায়ণত যিমান জোৰ দিব লাগিছিল যিখিনি আগবাঢ়িব লাগিছিল, সেইখিনি কৰাত অসুবিধা হ'ব। সেই কাৰণে মই ভাবো অনাউৎপাদনমূলক ব্যয় হ্ৰাস কৰি অসম চুক্তিৰ কাৰণে ডিৰেক্টলি বাজেট প্ৰভিজন কৰি চুক্তি ৰূপায়ণৰ ব্যৱস্থা কৰক।

Shri Abdul Maqtadir Choudhury : Mr Deputy Speaker, Sir, Chief Minister in-charge of Finance has placed the budget for 1988-89 without aiming for the economic development of the people of Assam. It will not help the poorer section of the people. It is a strotype Budget. The budget has shown an apparent deficit of Rs. 43 crores.

But the year 1988-89 will end with a deficit of Rs. 243 crores. Sir, in his budget speech, the Chief Minister has not indicated anything that this gap or the deficit will be covered from this source or that source. Sir, this huge deficit will hamper the all-round development of the State. I like to point out the head "007- Agricultural Income tax" for 1986-87. The actual figure was Rs. 61, 99, 75,000 and for 1987-88, the budget estimate was Rs. 40 crores. But in the revised estimates, it has come down to Rs. 25 crores. How this can come down to Rs. 25 crores. Even during the peak years of agitation in 1984-85, the amount was Rs. 36, 28, 28000/-. But Sir, the figure shown in 1986-87 budget estimates was Rs. 40 crores. In the revised estimates, it came down to Rs. 25 crores. Whether it is a wrong figure or whether there was less collection of taxes. This source of Agricultural Income-tax is mainly from the tea gardens. But for whose interest, there was less collection of taxes ? Sir, This year's budget estimate is Rs. 50 crores, but who knows that the revised estimates will be Rs. 25 crores and then there will be another deficit of Rs. 25 crores ? Sir, we hope that the Chief Minister in-charge of Finance will clarify the position.

Sir, there is a calculated campaign going on that the Central Govt. is not releasing adequate fund and grants-in-aid as the AGP Government is here. This is motivated and only to cover the misdeeds of the present Government. Sir, I like to point out that the Central Government is pumping so much fund that the State Government is not able to digest it. In 1984–85, the grants-in-aid received from the Central Government was 275,82, 82,000/-.

Similarly, in 1986-87, the figure was 401,71,44,000/-. The figure of 1987-88 was 545,88,29,000/- which was double to the amount we were getting. The State Government could not spend the entire amount. Sir, this sort of campaign should be stopped. The budget estimate for grant-in-aid for 1987-88 was Rs. 484,17,17,000/-, but the State received an amount of Rs. 544,29 crores as grants-in-aid. So, why there is such a campaign against the Central Government that they are not giving adequate money to this Government ? Sir, this sort of campaign should be stopped and the people should not be given bluff. The Congress Government, in fact, want that there should be all-round development of all States. The State Government is making discrimination in distributing the grants received from the Central Government. The State Government is giving more grants to the AGP MLAS for constrution L. P. school bulding where as oppositions MLA, received less grant. AGP MLA received 5th school 45 school for bulding grant but opposition MLA grand 12 Nos.

The Central Government granted Rs. 544 crores as grants-in-aid, but the State Government could not utilise the amount.

Sir, about loan assistance, I like to mention that the State received Rs. 482,44,29,000/- and in 1988-89, the receipt was to the amount of Rs. 1105,91,19,000/-. Sir, should we then say that the centre is making discrimination ? Such campaign is just to cover their misdeeds. Sir, another point I would like to mention that the honourable Chief Minister has written to the Chief Electoral Commissioner,

and the Chief Electoral officer, Assam, at the instance of the Assam Government has written to the Chief Election Commissioner, New Delhi that the 1966 Voter list should be treated as draft voter list. Sir, nowhere in the Assam Accord it has been mentioned. The voter list of 1985 has been extensively revised on the basis of the Assam Accord and sir, in the Assam Accord, it has been written that the Election Commissioner would be requested to ensure fair representation. If the Election Commissioner yields to the demand of the Assam Government there would be total chaos. Is it the intention of the Government to eliminate 50 percent of the genuine voters just to win the election ? If it is so, I will warn the Government that please don't invite this type of thing, please don't go back from your own commitment. It will only lead to chaos, it will only hamper the development of the State.

শ্ৰীঅকন ৰাভা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত-মন্ত্ৰী মহোদয়ে যিখন বাজেট ইয়াত উত্থাপন কৰিছে তাক সমৰ্থন জনায় দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, অসমত বাস কৰা বিভিন্ন জনগোষ্ঠিৰ আশা-আকাংক্ষা বাস্তৱত পৰিণত কৰাৰ কাৰণে যি সুদৃঢ় আৰু প্ৰতিশ্ৰুতিয়ে আগবাঢ়ি আহিছে তাৰ বাবে অসমত বাস কৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ হৈ তথা জনজাতীয় এজন বিধায়ক হিচাপে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, বাজেটত যিখিনি আঁচনি অসমত জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু অন্যান্য কামৰ কাৰণে এটি সিদ্ধান্ত লৈছে এই সিদ্ধান্ত বিশেষকৈ মই জনজাতীয়সকলৰ কথা কব বিচাৰিছো যে আজি অসমত জন-জাতীয়সকলৰ যি আৰ্থ-সামাজিক সমস্যা, অৰ্থনৈতিক সমস্যাৰ এটি সুন্দৰ পৰিবেশ আনি দিছে, তেওঁলোকক আজি এই অসম গণ পৰিষদ চৰকাৰে হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰা নাই, এটি আৰ্থ-পৰিবেশ আনি দিবৰ কাৰণে অহৰহ চেষ্টা কৰিছে। আজি মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিব

বিচাৰিছো যে অসমত বাস কৰা বিভিন্ন জনগোষ্ঠী বিশেষকৈ জনজাতীয়সকলৰ যি মৌলিক সমস্যা আছে সেই মৌলিক সমস্যাসমূহ বিশেষভাবে গুৰুত্ব দি ইয়াৰ সমাধানত গুৰুত্ব দিয়াটো উচিত হব। অসমত জনজাতীয়সকলৰ সমস্যা সমাধানৰ কাৰণে অসম গণ পৰিষদ চৰকাৰৰ সৌজন্যত যোৱা এপ্ৰিল মাহৰ ২ তাৰিখে গুৱাহাটীত এখন আলোচনা চক্ৰ আহ্বান কৰা হৈছিল। তাত আমি দেখা পাইছো যে বিভিন্ন জনজাতীয় সংগঠনৰ মানুহে যোগদান কৰি এটা কথাই স্পষ্ট ভাৱে প্ৰকাশ কৰিছে যে আজি অসমত বাস কৰা জনজাতীয়সকলৰ যি মৌলিক সমস্যা আছে সেইখিনি পূৰণ কৰা। আজি চৰকাৰে এই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে যি ধৰণে আগবাঢ়ি আহিব লাগিছিল সেই ধৰণে আগবাঢ়ি আহিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, অসম গণ পৰিষদ চৰকাৰে শাসনভাৰ লোৱাৰ পৰা অসমত বাস কৰা জনজাতীয়সকলৰ কাৰণে তেওঁলোকৰ সমস্যাবিলাক সমাধান কৰাৰ কাৰণে যি পদক্ষেপ, বিশেষভাৱে আঁচনি প্ৰস্তুত কৰি কেনে ধৰণে আগবাঢ়িব পাৰি তাক অহৰহ চেষ্টা কৰি আছে। কিন্তু কিছুমান ৰাজনৈতিক দৃষ্টিভংগীৰ ফালৰ পৰা এনেদৰে প্ৰকাশ কৰিব বিচাৰিছে যে অসমৰ কাৰণে জনজাতীয়সকল আগ্নেয় সদৃশ। এই আগ্নেয় সদৃশৰ সুবিধালৈ অসমত খেলি-মেলি কৰিবৰ কাৰণে চেষ্টা কৰিছে। সেই কাৰণে আমাৰ চৰকাৰে বিশেষভাবে জনজাতীয় সকলৰ যি ভূমি সমস্যা আছে সেইবিলাকত গুৰুত্ব দি সমাধান কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। তেখেত সকলৰ যাতে কোনো ধৰণৰ অসুবিধা হব নোৱাৰে তাৰ প্ৰতি দৃষ্টি দিব লাগে। আজি মোৰ সমষ্টিতে দেখিছো যে আগৰ কংগ্ৰেছ চৰকাৰে যিবিলাক জনজাতীয়লোকক মাটি আৱন্টন দিছিল সেইসকলক বনাঞ্চলত মাটি আৱন্টন দিছিল। কিন্তু আজি আমাৰ চৰকাৰে বনাঞ্চল দখল কৰিব নোৱাৰাৰ কাৰণে বন-নীতি গ্ৰহণ কৰিছে। এইবিলাকৰ কাৰণে তেওঁলোকৰ মনত অসন্তুষ্টিয়ে দেখা দিছে। সেই কাৰণে আমাৰ চৰকাৰে 'ডি ৰিজাৰ্ভ' কৰি তাতে সংস্থাপন কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম চুক্তিৰ ১০ নং দফাত সম্পূৰ্ণ ভাৱে জনজাতীয় লোক সকলক সুৰক্ষা, নিৰাপত্তা দিয়া কথাটো আছে। সেই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিব বুলি আশা কৰিছো। কাৰণ অসমত যিখিনি ট্ৰাইবেল ব্লক আছে সেইখিনিত জনজাতীয় লোকসকল নিৰাপত্তা উপলব্ধি কৰাটো

সচাঁকৈয়ে দোষজনক কথা। সেইবিলাক যাতে সম্পূৰ্ণ নিষ্কণ্টক কৰিব পাৰে তাৰ চেষ্টা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোকসকলৰ আৰ্থ সামাজিক সমস্যা বিলাক আৰু বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতি বিকাশৰ কাৰণে আমাৰ চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাভা ভাষাক স্বীকৃতি দি ৰাভা ভাষাটোৰ প্ৰাথমিক পৰ্য্যায়ত শিক্ষাৰ মাধ্যম হিচাবে লোৱাৰ কাৰণে অসমত বসবাস কৰা ৰাভা লোক সকল এই চৰকাৰৰ ওচৰত চিৰকৃতজ্ঞ। এই ক্ষেত্ৰতে মই আমাৰ চৰকাৰক পৰামৰ্শ আগবঢ়াইছো যে অসমত বাস কৰা বিভিন্ন ভাষা ভাষি লোকসকলৰ ভাষা বিলাকক ৰাভা ভাষাৰ নিচিনাকৈ প্ৰাথমিক পৰ্য্যায়ত শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, ক্ৰমান্বয়ে নিম্নগামী হোৱা অসমৰ শৈক্ষিক পৰিবেশ আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে অৱসৰ প্ৰাপ্ত শিক্ষক সকলক লৈ এখন অবৈতনিক শিক্ষা উপদেষ্টা পৰিষদ গঠন কৰিব লাগে। মই আন ঠাইৰ কথা নকওঁয়েই মোৰ সমষ্টিতে দেখিছো যে, এচ, আই সকলেই হওঁক বা অন্যান্য বিভাগীয় বিষয়া সকলেই হওঁক স্কুল সমূহৰ ক্ষেত্ৰত অকণো গুৰুত্ব আৰোপ নকৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰে যিমান পাৰি সোনকালে বিহিত ব্যৱস্থা লব বুলি আশা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, পৰিবহনৰ ক্ষেত্ৰত অসমৰ ভিতৰত আমাৰ গোৱালপাৰা জিলাখন আটাইতকৈ পিছ পৰা। অসম গণ পৰিষদ চৰকাৰে পৰিবহন ব্যৱস্থাটো সবল কৰি তুলিবৰ কাৰণে বিশেষ ভাবে যত্নপৰ হৈছে; কিন্তু তুলনামূলক ভাবে যি বিলাক ঠাই পিছ পৰি আছে সেই বিলাক ঠাইতো পৰিবহন ব্যৱস্থা উন্নত কৰিবৰ কাৰণে ব্যৱস্থা লব লাগে। বংলাদেশৰ সীমামূৰীয়া জিলা হিচাপে গোৱালপাৰা জিলাখন এখন স্পৰ্শকাতৰ জিলা। সীমামূৰীয়া এখন জিলা হিচাবে এই গোৱালপাৰা জিলাৰ পৰিবহন ব্যৱস্থাই যদি উন্নত কৰা নহয়, তেতিয়াহলে ভৱিষ্যতে ইয়াৰ পৰিণতি ভয়াবহ হব পাৰে। সেয়ে নহ'লে যি কোনো মূহূৰ্ত্ততে দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ভাবুকি অহাটো অস্বাভাৱিক নহয়। গতিকেই মই এই জিলাখনৰ সবল পৰিবহন ব্যৱস্থাৰ উন্নয়ণৰ ওপৰত চৰকাৰে গুৰুত্ব দিব বুলি আশা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বেছি কথা কব খোজা নাই, আমাৰ মুখ্যমন্ত্রীয়ে উত্থাপন কৰা বাজেটখন সমর্থন কৰিছো আৰু ইয়াৰ দ্বাৰা অসমত বাস কৰা বিভিন্ন ভাষা-গোষ্ঠী আৰু জনগোষ্ঠীৰ সৰ্বাঙ্গীন উন্নয়ণ হব বুলি আশা ৰাখি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

Shri A. F. Golam Osmani : Hon'ble Deputy Speaker, sir, I would like to speak in general terms on this budget, specially with reference to the submission made by Hon'ble Member Shri Zoii Nath Sarma that a separate head be created in the budget for implementation of the Assam Accord. Sir, any person to implement a thing must be clear in his mind about the purpose which he has to pursue. If that is not clear, all efforts and expenditure attended with be a wastage. For implementation of the Assam Accord, the money that was spent in 1986-87 primarily on police and any other analogous heads, perhaps, has gone to wastage in view of the fact stated by the Hon'ble Chief Minister. More than 64 lakhs were incurred into and the result your Honour has seen. We do not want to make an aspersion that they have failed or whether they have succeeded. But their whole exercise started on a wrong premise.

In Assam, the past history shows that this exercise to find out foreigners, can not reach a mentionable figure unless if you say good-bye, to the established provisions of the law. The Assam agitationists which was started, I have no hestation to say, by youngman of Assam with a sincere desire to get rid of their state from the foreigners, but it was started on wrong premises. Because when they got down to find out the foreigners, their exercise has become futile and it was pathetic to see that the principal architect of the Assam Accord Mr. Rajiv Gandhi made a fun of it when he came to Guwahati recently.

Sri, it sandens our hearts, that the Accord was made in between the parties not realising, perhaps, the full implications. Mr. Rajiv Gandhi gave an Accord to the Assam agitationists knowing fully well that it will be an exercise in futility or perhaps he also did not

know the implication of it. It is very sad that the Prime Minister of a country remarked so casually. The press reports sometimes way be wrong, but I believe that the press in majority cases represents correctly. In Gauhati Airport, the Prime Minister of India made such a casual remark addressing our Chief Minister that 'you have got the amendment. Now go after the foreigners'. When most of the people belonging to linguistic and religious minorities are worried. When most of the people belonging to the religious and linguistic minorities are worried about the implication of this amendment, such a casual remarks by the Prime Minister of a Country saddens us. I would, therefore, request the Hon'ble Chief Minister, and the Leader of the House, who also happens to be the leader of A. G. P., not to be provled by the saying of the Prime Minister.

Sir, In my deliberations in the Governor's Address I said, "try to make a reasesment of the situation". Is it the position of the present Government that they could not drive out even a thousand foreigners? The figures are still quoted in hundreds. But our friends, sitting in the opposite to Treasury Branch, could claim that legally or illegally that they could drive out work then 2,96,000 foreigners in between 1952 to 1979. The figures may come this way or that way. But, sir, the unofficial figures, according to the projection of census for 1971, people not less than 6 lakhs were driven out as foreigners from the state in that period. Then, sir before the establishment of the Tribunal by Foreigners. Other act. 1964, people were rounded up from the villages of the Brahmaputra Valley and were left to the Eastpakistan borders. There was hue and cry came into being the Tribunals of 1964 Foreigners' Act. Sir, how that the Centre has given the weapon? Whether the Government is going to apply it in the manner they desire? The Prime Minister has said that you have got the amendment. How you can now go after the foreigners? But there should not be any harassment of the Indian citizen. If any Indian citizen is harassed, then it will be the concern of the Central Government. Sir, we do not understand why there was no frank and clear discussion with the Chief Minister? Why this is so? The Congress Goverment, when they were

in power, have failed to drive out the foreigners so long and the present Government have also failed like wise the foreigners. What is the position ? Why you have failed equally to drive out them as in the case of Congress Government ? There should be a frank and clear discussion on this point.

Let us examine it. Sir, I. M. D. T. Act is amended and the Hon'ble Chief Minister had stated in the House that he had prior discussions with the Central Government and the Prime Minister before the Amending bill came before the Parliament. Now, the Hon'ble Chief Minister is telling that 50% of the demand have been met and 50% have not been met. But I would request the Hon'ble Chief Minister to understand the political implication. Now, that you have got the power to file a case in a blanket manner because the jurisdiction is widened and no one is required to pay any fees and the Superintendent of police is now authorised under the provision of the Act to enquire into the matter. Sir, the figures can now to thousands, lakhs or millions. Though, the state Government will be held responsible for harassment, Central Government will also be equally held responsible when in the process Indian citizens are harassed. If it is found that only one or two cases are established after lodging several lakhs of cases, then both the Government will be equally responsible. Sir, so far as the Prime Minister of India is concerned, he is beyond our reach. Sir, Rajiv Gandhi is beyond our reach but you are in the state and your action and policies will affect the state vitally. Sir, implementing the main clause of the Accord and establish an atmosphere of peace and harmony in the state ? When your action becomes counter productive, then the state will be vitally affected. So, I say, Sir, in future budget of Assam may be made for weeding out or identifying of the real foreigners. Therefore, sir, my submission is that there should be a real assessment of the situation sincerely. I do not understand why the Central Government is not taking it up accordingly. The Central Government should have sorted it out with the state Government after proper discussions. I do not understand why both the Government are now at their cross-purposes with regard to

the implementation of the Accord. Sir, if the A. G. P. Government now go ahead in the same manner as they desire, then there will be utter destabilisation in the state inviting central intervention. Sir, we do not want it. We want that you remain in power for the period for which you have got the mandate.. Let the people judge, let the people come to know the real position. I would, therefore, request the Leader of the House, the leader of the Assam Agitation to consider, the question of complaints against the alleged foreigners by the private parties in this respect. Sir, the complaints by the private party should not be entertained. Another veteran member of this House who was once the Chief Minister of the state ( Shri S. C. Sinha) has also stated that in no way private complaints should be entertained. It created bad dealing. Now, you are extending the jurisdiction of the private complaints. In my own constituency at the time of revision of E. R. of 1985 there were total objections of more than 1,98,000 and that covered the 80% of the population of the minorities of the district. Therefore, sir, my suggestion is that private complaint should not be entertained. You have got the police force a statutory body and the complaints can be made by the police after enquiry . You say that you are going to have a new atmosphere in the field of agriculture by making next year an agricultural year. But this type of pursuit of illusion will be counter productive.

Lastly I would like to say with a very heavy heart that all the parties who putforth their support to Assam Accord are at logger's head with one another and we, the minorities in Assam are really apprehensive of what will be the outcome. I would like to remind the hon'ble members on the other side of the House that they have come here as a leaders of agitation and that they should behave like statesman. Because, all of us who have come here are all politicians. We work here as politician and act here as politician keeping in view only the next election. I would request the leaders of the Assam agitation to act in a statesmenlike manner and fulfil the basic

commitments that they have made to the people, so as to usher in a new era of peace and prosperity for the state of Assam. With these observations, I resume my seat. Thank you, sir.

★ শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট সদনত উত্থাপন কৰিছে মই তাক সমৰ্থন জনাইছো। বাজেটখন অসমৰ ৰাইজৰ কাৰণে আশাৰ ৰেঙনী বুলি মই মন্তব্য কৰিব বিচাৰিছো। ঘাটি বাজেট হোৱা কাৰণে আৰু সেই ঘাটি পূৰণ কৰিবলৈ যাওঁতে চৰকাৰ কিছু আহুকালৰ সন্মুখীন হব। তথাপি আমাৰ বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত যিখিনি কথা দাঙি ধৰিছে সেই পৰিপ্ৰেক্ষিতত অসমৰ ৰাইজ তথা আমাৰ বিষয়াসকল সচেতন হব লাগিব। মুখ্যমন্ত্ৰী মহোদয়ে কৰমুক্ত এখন বাজেট উত্থাপন কৰি কিদৰে ৰাইজ উপকৃত হব তাৰ কথা উল্লেখ কৰি গৈছে। কিয় বিত্তীয় পৰিস্থিতি টনকিয়াল কৰিব পৰা নহ'ল সেই বিষয়ে বিত্তীয় দৃষ্টিপটত সুন্দৰকৈ কৈ গৈছে। এই বাজেটৰ ওপৰত বিৰোধী পক্ষই চিঞৰ বাখৰ নকৰি, বিধবা বাজেট ইত্যাদি নকৈ কেন্দ্ৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিব লাগে কেনেকৈ খাৰুৱা তেলৰ ৰয়েল্‌টি আমাৰ প্ৰাপ্য ৩৪০ টকালৈ বৃদ্ধি কৰিব পাৰি, কেন্দ্ৰৰ অনুদান কেনেকৈ শতকৰা ৭০ ভাগৰ পৰা ৯০ ভাগ কৰিব পাৰি। সেইখিনি কৰাব পাৰিলে ঘাটি বাজেট উত্থাপন কৰিব নালাগিলহেতেন। এই বাজেটখন এখন সুন্দৰ বাজেট গতিকে এইখনক বিৰোধী পক্ষই বিধবা বাজেট, ব্ৰেক বাজেট বুলি আখ্যা নিদি অসম ৰাজ্যখনক কেনেকৈ উন্নয়ন কৰিব পাৰি, কেনেকৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আদায় কৰিব পাৰি তাৰ কাৰণে জোৰ দিবলৈ অনুৰোধ জনালো। তাৰ পিছত মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। বাজেট বক্তৃতাত বিজুলী লাইটৰ কথা কোৱা হৈছে। আমি ৰাইজৰ প্ৰতিনিধি হিচাপে ৰাইজৰ কাৰণে মাত মতাৰ অধিকাৰ আছে। বিজুলীৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো গাওঁ অঞ্চলৰ ৰাইজে লাইট জলক বা নজলক প্ৰতিটো পইণ্টত ছুটকাকৈ দিব লাগে, যাৰ ফলত ৰাইজ শোষণীয় হব। আমাৰ বিদ্যুত মন্ত্ৰী নাই, মুখ্য মন্ত্ৰী মহোদয়ৰ কৰ্ণগোচৰ কৰি থৈছো। এই ব্যৱস্থাৰ সালসলনি নকৰিলে ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হব। লাইট জলক বা নজলক,

★ Speech not Corrected

ছুটকা দিবই লাগিব প্ৰতিটো পইণ্টত। এইটো বৰ অন্যায় কথা। আনহাতে গাওঁ অঞ্চলত প্ৰায়ে লাইট নাথাকে। আমাৰ চৰকাৰে অহা বছৰটো কৃষি বছৰ হিচাবে ঘোষণা কৰিছে। কৃষক ৰাইজৰ কেনেকৈ উপকাৰ সাধন কৰিব পৰা যায় এইটো সচাকৈ চিন্তনীয় বিষয়। আমি অসমত শতকৰা ৯০ ভাগেই কৃষক বুলি কওঁ কিন্তু কৃষকৰ কাৰণে কি কৰিছো ? কৃষক সকলক যদি উচ্চ-স্থান দিয়া হয় তেনেহলে ৰাজ্যখন কিছু লাভজনক হব বুলি বাজেট বক্তৃতাত উল্লেখ কৰি গৈছে। আনহাতে নিবনুৱা অৱস্থাই ভয়াবহৰূপ লৈছে বুলিও বাজেট বক্তৃতাত উল্লেখ কৰি গৈছে। গতিকে মোৰ পৰামৰ্শ হ'ল আমি যেনেকৈ অন্য কথা বিলাকত আসন দিয়াৰ ব্যৱস্থা কৰিছো যেনে শংকৰ আদি চেয়াৰ ঠিক তেনেকৈ কৃষক সকলৰ কাৰণেও যদি কৃষি বটা বুলি বটা ৰখা হয় তাৰ কাৰণে ১০/২০ হাজাৰ টকা পুৰস্কাৰ হিচাবে আগবঢ়ালে আমাৰ যিবিলাক ডেকা নিব-নুৱা যুৱক আছে তেওঁলোক খেতিৰ প্ৰতি আকৃষ্ট হব আৰু কৃষক সকলেও অনুপ্ৰেৰণা পাব। ইয়াৰ দ্বাৰা আমি আমাৰ দেশত কৃষক সকলক মৰ্যদা দিয়াও হব। কৃষিৰ নামত আজি ধনী মানুহখিনিয়ে সমাজত উচ্চস্থান পাইছে। আচল কৃষকক হেয়জ্ঞান কৰা হয়। গতিকে মই অনুৰোধ কৰিব বিছাৰিছো কৃষক সকলক বৃত্তি দিয়াৰ লগতে প্ৰতি বছৰে আদৰ্শ খেতিয়কক ১০/২০ হাজাৰ টকা পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগে লগে অন্যান্য উদ্যোগক লোন দিয়াৰ নিচিনাকৈ খেতিয়কককও লোন দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই ১০১ টা উদ্যোগ আচনি প্ৰস্তুত কৰি লিখি থৈছে। কিন্তু আমাৰ যিবিলাক ডেকা ল'ৰা তেওঁলোকে কয় যে আমাৰ চেন্দেল ক্ষয় গৈছে কিন্তু আমি হলে আচনিৰ টকা নাপালো। আমাৰ বিষয়া সকলেও যিবোৰ প্ৰজেক্ট ৰিপোৰ্ট বনায় তাত তেওলোকে ব্যৱসায়ী শিকায় দিয়া উদ্দেশ্য নহয়, তেওঁলোকে অসুবিধাত পেলোৱাহে উদ্দেশ্য। মই নিজে দেখিছো ৰাতিৰ ভিতৰতে উদ্যোগ হৈছে আৰু ৰাতিৰ ভিতৰতে উদোগ নাইকীয়া হৈছে। মোৰ সমষ্টিৰে বৰকোলা চ'কত এখন সুন্দৰ বেতৰ দোকান এদিন গধূলি দেখিলো। মোৰ ভাল লাগিল কিন্তু এসপ্তাহ পিছত দেখিলো সেই দোকানখন তাত নাই। সুধিপুছি গম পালো যে মাত্ৰ লোন পাবৰ কাৰণেহে বিষয়াক দেখাবৰ কাৰণে দোকানখন কৰা হৈছিল। লোন পোৱাৰ পাচত দোকানখন উঠাই দিছে। এনেদৰে ব্যৱসায়ী চলিয়ে আছে। ব্যৱ-সায়ৰ নামত ৩০/৩৫ হাজাৰ টকা লোন লয় আৰু লোন লৈ সেই টকাৰে মটৰ

চাইকেল কিনে আৰু তাৰ পিছত চাকৰি বিচাৰি ঘূৰি ফুৰে। গতিকে আমি এটা ব্যৱস্থা কৰিব লাগে যি সকলে ব্যৱসায় কৰো বুলি লোণ লয় তেওঁ লোকে যাতে চাকৰী নাপায়। আমি দেখিছো আগৰ কংগ্ৰেছ আই চৰকাৰৰ দিনত লোন পোৱা বহুত ল'ৰাই এতিয়া চাকৰী কৰি আছে। গতিকে লোন লোৱা চাকৰীও কৰা এইটো কেনেকৈ বন্ধ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেট )

তাৰ পিছত আৰু এটা কথা দেখিলো ১৯৮৬ চনত আমাৰ উদ্যোগ বিভাগৰ পৰা ভালেকেইজন ডেকা লৰাক উদ্যোগ সমূহ চাবৰ কাৰণে আৰু প্ৰশিক্ষনৰ কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তলৈ লৈ যোৱা হ'ল। আমাৰ দৰং জিলাৰো ৫জন ডেকা আছিল। তেওঁলোক আচলতে উদ্যোগৰ প্ৰশিক্ষনৰ কাৰণে যোৱা নাছিল। তেওঁলোক আচলতে ঠিকাদাৰহে। গতিকে প্ৰকৃত উদ্যোগী সকলেহে প্ৰশিক্ষন পাব লাগে এয়া মোৰ পৰামৰ্শ।

শিক্ষাৰ ক্ষেত্ৰত আমি দেখিছো যিবিলাক প্ৰাপ্ত বয়স্ক শিক্ষাৰ আচনি সেইবিলাক আচলতে ভেকো-ভাওনাহে মাত্ৰ। এই ভেকো-ভাওনাৰ কাৰণেই কিছুমান চুপাৰভাইজাৰ নিয়োগ কৰা হৈছে। এই চুপাৰভাইজাৰ বিলাক কিন্তু কোনোদিনে ফিল্ডলৈ নাযায়, জিলা বিষয়াৰ লগত যুক্তি কৰি তেওঁলোকে মাত্ৰ টি-এ বিল ড্ৰ কৰে। ইয়াৰ দ্বাৰা টকা পইচাৰ অপচয়হে কৰা হৈছে। যি বিলাক কিতাপ বা অন্যান্য সা-সুবিধা সেইবিলাকৰ পুৰাদমে অপব্যৱহাৰ হৈছে। ( সজোৰে বেল বাজে )

এইখিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ শ্ৰীশ্বহীদুল ইচলাম : মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিলে সেই বাজেট কৰ মুক্ত বাজেট বুলি আজি সদনত আলোচনা কৰা হৈছে। আৰু কোনো কোনোৱে ঘাটি বাজেট বুলি কৈছে। কিন্তু মোৰ মতে এইটো ন' ৰিস্ক ন' গেইন। কাৰণ কৰ লগাব নোৱাৰিলে ঘাটি কৰ পৰা পূৰণ কৰিব ? কিন্তু মোৰ কথামতে যদি মুখ্যমন্ত্ৰী মহোদয়ে শুনে বা সেই মতে কাম কৰে তেন্তে মই সম্পূৰ্ণ ঘাটি বাজেট পূৰণ কৰাই দিব পাৰিম। ( —সদনত হাঁহিৰ ৰোল উঠে ) যোৱা ৩৫ বছৰে কংগ্ৰেছ

★ Speech not Corrected

(আই) চৰকাৰে জলাই থৈ যোৱা সমস্যাবোৰ সমাধান কৰক। তেওঁলোকে দখল কৰি থকা মাটিৰ ওপৰত প্ৰিমিয়াম লগাই দিয়ক দেখিব অসমৰ ঘাটি বাজেট নাইকিয়া হৈ যাব। এইখন এখন আজি নিৰামিষ বাজেট হৈছে। শ্বেৰচাহে ৫ বছৰ ৰাজত্ব কৰিছিল। সেই সময়তে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল। সৈন্য বাহিনীৰ ওপৰত কটকটীয়া ব্যৱস্থা ৰাখিছিল। সেইদৰে আজিও পুলিচ বাহিনীৰ ওপৰত কটকটীয়া দৃষ্টি ৰাখিব লাগিব, যাতে তেওঁলোকে কোনো অন্যায় কাম কৰিব নোৱাৰে। এভিয়া কথা হৈছে আমাৰ বিষয়া সকলে চৰকাৰক মিচ্‌গাইড কৰি বিভ্ৰান্ত কৰিছে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে সেই ক্ষেত্ৰত চকু দিব লাগিব। আজি কালি কিছুমান কাৰ্য্যালয়লৈ গলে দেখা যায় বিষয়া সকলৰ মন বেয়া হয়তো তেওঁলোকৰ চকী মেজ শুদা শুদা লাগে, অতীতৰ স্মৃতি মনত জাগে।

তাৰ পিছত কওঁ অনুসূচীত জাতি আৰু জনজাতি সকলৰ বিভিন্ন উন্নয়নৰ কাৰণে কৰা আচনিসমূহ দেখি আমি ভাল পাইছো। এই সকলৰ কাৰণে বাজেটত বিশেষ ব্যৱস্থা ৰখা হৈছে। কিন্তু মই দুখ পাইছোঁ যে আমাৰ ৪০ শতাংশ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহৰ কাৰণে বাজেটত একো আচনি ৰখা নাই। এই মানুহ খিনিয়েও আশা কৰিছিল যে চৰকাৰে আমাৰ কাৰণে হয়তো কিবা এটা বিশেষ ব্যৱস্থা কৰিব। আজি সংখ্যালঘুসকলৰ অঞ্চলত কোনো ৰাস্তা ঘাটৰ সুবিধা নাই, খোৱা পানীৰ সুবিধা নাই, স্কুল নাই, একো নাই। চাহাৰা মৰুভূমি অঞ্চলত বাসকৰা মানুহৰ দৰে তেওঁলোকে বাস কৰিছে। পেটৰ জালাত খেতি কৰি খাইছে। লগতে অসমৰ কৃষিৰ উন্নতিৰ কাৰণে অৰিহনা আগবঢ়াইছে। গতিকে তেওঁলোকৰ কাৰণেও অলপ কিবা আচনি কৰিলে তেওঁলোকেও উৎসাহ পাব। লগতে অসমৰ উন্নতি হব। তাৰোপৰি আমাৰ যি আই, এম, ডি টী, এক্টখন সংশোধন কৰিছে এইখনৰ জৰিয়তে পুলিচৰ হাতত অবাধ ক্ষমতা দিয়া হৈছে। যিকোনো মানুহক পুলিছে ধৰিব পাৰিব আৰু হাৰাশাস্তি কৰিব। এইটো পইছা খোৱাৰ এটা ৰাস্তাহে উলিয়াই দিয়া হৈছে। যদি চৰকাৰে এইখন প্ৰয়োগ কৰাৰ সময়ত চোকা দৃষ্টি নাৰাখে তেন্তে ইয়াৰ পৰা অশান্তি হোৱাৰ আশংকাহে আছে। আমি আশা ৰাখিছোঁ চৰকাৰে প্ৰশাসনীয় যন্ত্ৰটোক ঠিকমতে চলাই আৰু ইয়াৰ ওপৰত চোকা দৃষ্টি ৰাখে। আমাৰ ৰাজহ মন্ত্ৰী মহোদয় এজন শান্ত শিষ্ট মানুহ, আমি যেতিয়াই যি কামৰ

কাৰণে তেখেতৰ ওচৰলৈ গৈছোঁ তেখেতে অতি আন্তৰিকতাৰে আমাৰ লগত কথা পাতিছে, আমাৰ কথা শুনিছে আৰু যিমানদূৰ পাৰে কাৰ্য্য ব্যৱস্থা লৈছে। সেয়ে মই সিদিনা বিভাগটোকহে অপদাৰ্থ বুলি কৈছোঁ। বিষয়া সকলে কাম নকৰিলে মন্ত্ৰীয়ে অকলে বিভাগ চলাব নোৱাৰে। গতিকে তেখেতে বিভাগটোৰ ওপৰত যাতে অলপ চোকা নজৰ ৰাখে। সংখ্যালঘু মানুহৰ স্বাধীনতাৰ পিচৰ করুণ কাহিনী মই আপোনালোকক কম। ১৯৫০ চনত আমাক উদ্ধাৰ কৰিলে মৌলনা হামিদ খান ভাছানী, তাৰ পিচত আমাক উদ্ধাৰ কৰিলে মৌলানা আছাদ মাদানি, ১৯৮৫ চনত আমাক উদ্ধাৰ কৰিলে আচনি, আৰু ৰাজীৱ গান্ধী চৰকাৰে আই, এম, ডি, টী এক্ট কৰি আমাক দিলে কোৰবানী।

এইখিনিকে কৈ মই সামৰণী মাৰিলোঁ।

* শ্ৰীআব্দুল জব্বৰ : মাননীয় উপাধ্যক্ষ মহোদয়, মই বাজেটৰ ওপৰত চমুকৈ কবলৈ ওলাইছোঁ। আচলতে কওঁ নকওঁকৈহে কবলৈ ওলাইছোঁ। কাৰণ আমি বিৰোধী দলৰ সদস্য সকলে যিমানেই পৰামৰ্শ আদি আগনবঢ়াও কিয় অৱশেষত সেইবিলাক ফুটুকাৰ ফেন হয়গৈ। আমাৰ কথাত কোনো গুৰুত্ব দিয়া নহয়। উপাধ্যক্ষ মহোদয়, আমি সদনত ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি, বিৰোধী দল হিচাপে হলেও আমি ভাল বেয়াৰ পৰামৰ্শ আগবঢ়োৱাটো আমাৰ কৰ্ত্তব্য। গোটেই অসমতে উন্নতিৰ কাৰণে, মঙ্গলৰ কাৰণে চিন্তা কৰা আমাৰ কৰ্ত্তব্য বা দায়িত্ব আছে, আৰু আমি তাকে কৰোঁ। সেয়ে আমি বাধ্য হৈ পৰামৰ্শ আদি আগবঢ়াও। সেই হিচাপেই আমাৰ সংখ্যালঘু মৰ্চাৰ বিধায়িনী নেতা ওচমানি ডাঙৰীয়াই বাস্তৱ দৃষ্টি ভঙ্গীৰে অসমৰ জলন্ত সমস্যা বিলাকৰ প্ৰতি মাজে সময়ে দুই এটা পৰামৰ্শ আগবঢ়াই আছে। কিন্তু বিভিন্ন পত্ৰ-পত্ৰিকা আৰু কিছু ৰাজনৈতিক দলে এই ক্ষেত্ৰত অলপ উপলুঙা কৰে। কিন্তু ৰাইজৰ প্ৰতিনিধি হিচাপে আমাৰো কিছুমান দায়িত্ব আছে।

উপাধ্যক্ষ মহোদয়, এই বাজেটৰ সম্বন্ধে এটা কথা কব খুজিছোঁ যে আচনি ৰূপায়ন নহলে বাজেট কৰি কি হব ? অসম চুক্তি বা আই, এম, ডিটী, এক্টৰ নিচিনা হব। বাজেট যেনেকুৱাই নহওক প্ৰকৃতাৰ্থত এইটো আমি সদ্‌ব্যৱহাৰ কৰিব পাৰিলে নিশ্চয় কাৰ্য্যকৰী হব। এই ক্ষেত্ৰত সকলো ধৰণৰ ৰাইজে আজি

---

* Speech not Corrected

আশা কৰি আছে যাতে তেওঁলোকৰ অংশটো পায়। এই চৰকাৰ অহাৰ আগৰ পৰিৱেশটো ৰাজনৈতিকভাৱে বৰ দুৰ্গন্ধময় হৈ আছিল। গণপৰিষদ দল আহিল আমিও, সংখ্যালঘু মৰ্চাও আহিলোঁ। গতিকে অসমৰ মানুহে বাট চাই আছে যে এই দুটা দলে অসমত এটা শান্তি সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি কৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ পৰাও মাননীয় সদস্যসকলৰ পৰা যি দিহা পৰামৰ্শৱলী দিয়া হয় সেই বিলাকো দুবছৰৰ অভিজ্ঞতাৰে পৰিপুষ্ট মুখ্যমন্ত্ৰী মহোদয় আৰু শাসক গোষ্ঠীয়ে কেনেকৈ কাৰ্য্যকৰী কৰিব পাৰে আৰু লাগতিয়াল অংশখিনি কি ধৰণে কামত লগাব পাৰি চাব লাগে। কিয়নো আমি সকলো গুৰুত্বপূৰ্ণ ভাবে ৰাইজৰ অভাৱ অভিযোগসমূহ বিধান সভাত আৰু মাননীয় মন্ত্ৰী সকলৰ ওচৰতো দাখিল কৰোতে আমাক যে কেতিয়াবা কেতিয়াবা আওকাণ কৰে সেইটো নহয় কিন্তু তেখেতসকলৰ প্ৰতি আমাৰ এই অনুৰোধ যেন আমাৰ কথাবিলাকো অলপ চিন্তা কৰি সেই মতে কাৰ্য্য সম্পাদন কৰিবলৈ চেষ্টা কৰে। আমি ৰাইজৰ দুখ দুৰ্দশাৰ কথা এটা সমষ্টিৰ হৈ আনো আৰু সেই সমষ্টিৰ ৰাইজৰ দুখ দুৰ্দশা মানেই গোটেই অসমখনৰ ৰাইজৰ দুখ দুৰ্দশাৰ কথা।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত এটা কথা উনুকিয়াই দুখ লাগিছে যে আমাৰ প্ৰধান মন্ত্ৰী আহি অলপতে আমাৰ মুখ্যমন্ত্ৰীক ঠাট্টা কৰি গ'ল। মাত্ৰ ১৪২ জন বিদেশী বহিষ্কাৰ কৰা বুলি কৰা ঠাট্টা আমি ভাল পোৱা নাই। আই-এম-ডি-টি এক্ট পাচ কৰিছে অথচ বিদেশী বিতাড়ণ কৰিব পৰা নাই বুলি কৰা ঠাট্টা ঠিক নহয় যদিও ইয়াৰ কাৰণে আমি আৰু প্ৰধান মন্ত্ৰীক ঠাট্টা কৰিবলৈ যোৱা নাই! আমেৰিকাই পাকিস্তানক অস্ত্ৰ যোগান দিছে কিন্তু ভাৰতৰ বিৰুদ্ধে ব্যৱহাৰ নকৰিবলৈ কৈ দিয়াৰ নিচিনা বিদেশী বিতাড়ণৰ কাৰণে আই-এম-ডি-টি এক্ট পাচ কৰি ভাৰতীয় সকলৰ ওপৰত অত্যাচাৰ কৰা নহব বুলি কোৱাতো হাঁহি উঠা কথা। ইয়াৰ দ্বাৰা মুখ্যমন্ত্ৰী মহোদয়ক উপলুঙা কৰিছে। আমি কিন্তু প্ৰধান মন্ত্ৰীক উপলুঙা কৰিব বিচৰা নাই। আইন খন পাচ কৰাৰ সময়ত আমি বিৰোধীতা কৰিছিলো আৰু প্ৰধান মন্ত্ৰীৰ দলেও বিৰোধী পক্ষৰ লগত ওৱাক আউট কৰিছিল। (সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, অসমৰ সকলো স্তৰৰ মানুহৰ মাজত শান্তি সম্প্ৰীতি আৰু উন্নতি অব্যাহত ৰাখিবৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰতি অনুৰোধ জনাই মোৰ বাজেট বক্তৃতা সামৰনি মাৰিলো।

★ শ্ৰীভবেন বৰুৱা ঃ উপাধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে অসমৰ মুখ্য-মন্ত্ৰী তথা বিত্ত দপ্তৰৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিছে সেই বাজেটৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই দুই এটা কথা কব বিচাৰিছো। পবিত্ৰ সদনত উত্থাপন কৰা এই কৰমুক্ত বাজেটখন অসমৰ ৰাইজৰ কাৰণে আদ-ৰণীয় হৈছে। বাজেটখনত আইন শৃংখলাৰ সম্পৰ্কত আলোচনা কৰিছে আৰু মই ভাবো আইন শৃংখলাৰ পৰিবেশ ঠিক থাকিলে আন সকলো উন্নয়নমূলক কাম কাজেই ঠিক মতে চলি থাকিব। আইন শৃংখলাৰ ক্ষেত্ৰত সেই হেতুকে আৰু অধিক ব্যয় কৰি হ'লেও এই পৰিবেশ আৰু উন্নত কৰিবলৈ মই এই পবিত্ৰ সদনত আহ্বান জনাইছো। আমি দেখিছো যে আইন শৃংখলাৰ নামত কিছুমান পুলিচ বিষয়াৰ পৰা আৰম্ভ কৰি কনষ্টেব'ল পৰ্য্যন্ত দুৰ্নীতিৰ লগত লিপ্ত হোৱা পৰিলক্ষিত হৈছে। ৰাস্তা ঘাটত বিভিন্ন বাচ-গাড়ী আদি জোৰ জুলুম কৰি আদায় কৰা আমাৰ বিধায়ক আৰু মন্ত্ৰীসকলেও নিশ্চয় দেখিবলৈ পাইছে। আনহাতে আমাৰ আউট-পোষ্ট আৰু অধিক আৰক্ষী থানাৰ উন্নতিৰ কাৰণে ব্যৱস্থা কৰিব লাগে। এইটো সদনৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আৰক্ষী চকী অধিক হ'লে আইন শৃংখলাৰ পৰিবেশ ৰক্ষাত আৰু উন্নতি কৰাত সহায়ক হব।

উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আমাৰ অসমৰ ৰাইজে যথেষ্ট উন্নতি কৰিব পাৰিছে। প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি এতিয়া আমি শিক্ষাৰ ক্ষেত্ৰত উন্নতি হোৱা দেখিবলৈ পাইছো। উচ্চতৰ মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় বিলাকে তথাপিতো যি ভাবে গ্ৰাণ্ট আদি পাব লাগিছিল সেই পৰিমাণে পোৱা নাই। এই বছৰ যাতে সেইবিলাকে পাব পাৰে তাৰ কাৰণে অনুৰোধ জনাই ৰাখিলো। আন এটা কথা হ'ল আমাৰ গ্ৰামা-ঞ্চলৰ উন্নতিৰ কল্পে গ্ৰামাঞ্চল বিভাগে যথেষ্ট আচনি হাতত লৈছে আৰু যদি আঁচনিবিলাক ফলপ্ৰসু কৰিব পৰা যায় তেনেহলে সঁচাকৈয়ে গ্ৰামাঞ্চলৰ উন্নতি হব। ই একেবাৰে ধ্ৰুবসত্য কথা। ইয়াৰ লগতে গ্ৰামাঞ্চলৰ মন্ত্ৰী মহোদয়ক এটা কথা অৱগত কৰিব খুজিছো যে এই আচনি ৰূপায়নৰ ক্ষেত্ৰত যিবিলাক কেৰোণ আছে সেইখিনি আতৰাব লাগে। ব্লকবিলাকৰ যিবিলাক চিনিয়ৰ বি-ডি-অ' দিয়া হৈছে সেইসকলক বিত্তীয় ক্ষমতা প্ৰদানৰ কথা চিন্তা কৰি অতি সোনকালে এই দিশত ব্যৱস্থা লব লাগে। তেতিয়াহে এই বিভাগৰ আচনি বিলাকে সোন-কালে গা কৰি উঠিব পাৰিব। বিত্তীয় ক্ষমতা নিদিয়াৰ কাৰণে কামবিলাক পলম হৈ যায়। সেই কাৰণে এই দিশত নজৰ দিবলৈ অনুৰোধ জনালো।

---

★ Speech not Corrected

উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ গঠন হোৱাৰে পৰা বেছি উন্নতি কৰিছে ৰাজহ বিভাগে। এই কথা আমি সকলোৱে মানিব লাগিব। আমি যদিও কৰমুক্ত বাজেট এই সদনত পাচ কৰিবলৈ ওলাইছো এই ক্ষেত্ৰত আৰু অধিক গুৰুত্ব দিবলৈ অনুৰোধ জনালো। বিশেষকৈ মাটিবিলাক পট্টনৰ জৰিয়তে প্ৰিমিয়াম উঠোৱাৰ যি ব্যৱস্থা সেইটো ভালকৈ চাব লাগে। ডিব্ৰুগড় জিলাৰ তিনিচুকীয়া মহকুমাত অবৈধ চৰকাৰৰ দিনত পট্টা দিয়াৰ ঠাইত প্ৰিমিয়াম বহুত ক্ষেত্ৰত লোৱা নাই। তাৰ উপৰিও চাহবাগানৰ বহুত অনাদায়ী টেক্স পৰি আছে সেইবিলাক উঠোৱাৰ ব্যৱস্থা কৰিব লাগে। যোৱা ২২-২-৮৮ তাৰিখে ৰাজহ বিভাগৰ পৰা উপায়ুক্ত আৰু মহকুমাধিপতি সকললৈ এখন চিঠি গৈছে। সেই ক্ষেত্ৰত আৰু অধিক চিন্তা কৰিবলৈ অনুৰোধ জনালো। এই বিলাক বিষয়ত আৰু অধিক অনুসন্ধান কৰি সেই মতে ব্যৱস্থা লবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★ শ্ৰীভবেন নাৰ্জি : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৮-৮৯ চনৰ কাৰণে যি বাজেট দাঙি ধৰিছে সেই বাজেট-খন সম্পূৰ্ণ সমৰ্থন কৰিছো আৰু আদৰণি জনাইছো। আমাৰ প্ৰতি বছৰে বানপানী হয় আৰু বিভিন্ন ক্ষয়-ক্ষতি হয় তথাপিও মুখ্যমন্ত্ৰী মহোদয়ে কৰমুক্ত বাজেট দাখিল কৰাৰ বাবে ধন্যবাদ জনাইছো। আমাৰ মাননীয় সদস্যসকলৰ মাজত এই বাজেটৰ ওপৰত বহুত বিতৰ্ক আৰু পৰামৰ্শ শুনিব পালো। বহুতে বিতৰ্ক কৰিছে আৰু বহুতে পৰামৰ্শও আগবঢ়াইছে। মই থূলমূলকৈ ছুআষাৰ কম। আমাৰ ফালৰ পৰা দুই এটা কথাহে উনুকিয়াম।

উপাধ্যক্ষ মহোদয়, আমাৰ ঘাইকৈ তিনিটা প্ৰধান বস্তু। প্ৰথমতে শিক্ষা, খাদ্য আৰু স্বাস্থ্য। এই তিনিটা বিষয়ৰ অধিক প্ৰয়োজন। বাকী যিবিলাক প্ৰয়োজনীয় সেইবিলাক পৰ্য্যায়ক্ৰমে আহি পৰে। আমি এতিয়া শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়িছো। স্কুল ঘৰ বন্ধা আৰু চাকৰি বাকৰি আদিও দিয়া হৈছে। স্বাস্থ্য ক্ষেত্ৰতো অনুদান আদি দিয়া হৈছে যদিও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰবিলাক সম্পূৰ্ণকৈ গঢ়ি উঠা নাই যিবিলাকৰ দাবী এতিয়াও আছে সেইবিলাক সোন-কালে সম্পূৰ্ণ কৰিব লাগে। খেতিৰ সম্পৰ্কত এইটো ঠিক যে দ অঞ্চলবিলাক বানপানী হোৱা কাৰণে আমাৰ খেতি পথাৰ প্লাৱিত হয়। সেই অনুপাতে তুলনামূলক ভাবে প্ৰতিৰোধ ব্যৱস্থা হাতত ললে খেতি পথাৰবিলাক উন্নত কৰিব পৰা যায়। সেই ব্যৱস্থা কৰিব লাগিব।

---

★ Speech not Corrected

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কথাই কওঁ, তাত পানী যোগানৰ কোনো ব্যৱস্থা নাই, কেৱল সেই তাহানী কালৰে শুকুলা জলসিঞ্চন প্ৰজেক্ট আছিল সেইটোৰ অৱস্থা একেবাৰে শোচনীয় আৰু তাৰ ওপৰতেই নিৰ্ভৰ কৰিবলগীয়া হৈছে, এই প্ৰজেক্টত ১৫ কোটি টকা যি খৰচ কৰা হৈছিল সেইটো এনেয়ে লোকচান কৰা হ'ল। সেই অঞ্চল বিলাকত এইবিলাক কাৰণতেই বৰষুণ পৰিলে বানপানীৰ সৃষ্টি হয় আৰু ৰ'দ দিলে কেউফালে খৰ হয়। গতিকে এই দুৰ্যোগবিলাক অতিক্ৰম কৰিবৰ কাৰণে কি কৰিব পৰা যায় সেই দিশত অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাজহব ক্ষেত্ৰত মোৰ ধাৰণা বহুতো বেদখলকাৰীদলে গ্ৰেজিং ৰিজাৰ্ভ আদিত বেদখল কৰি আছে। এই বেদখলকাৰীসকলে তৌজী খাজনা দিয়া নাই। ট্ৰাইবেল বেল্টত যিবিলাক ট্ৰাইবেল মানুহ আছে তেওঁলোকৰ পৰা তৌজী খাজনা লোৱাৰ ব্যৱস্থা কৰিব লাগে। তৌজী খাজনা নললে মাটিৰ পট্টা আদি পোৱাত বহুত দেৰী হয়। গতিকে তৌজী খাজনা প্ৰবৰ্ত্তন কৰিব লাগে। আনকি হাজাৰ হাজাৰ বিঘা মাটি বনবিভাগৰ মাটি বেদখলকাৰীয়ে বেদখল কৰি আছে। এই মাটিবিলাকত পট্টা দিয়াৰ আগতে তৌজী খাজনা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিব লাগে। গুৱাহাটীতো এনেকুৱা মাটিত বহুত মানুহে বসবাস কৰি আছে। কিন্তু তেওঁলোকক উচ্ছেদ কৰা হোৱা নাই। যদি তেওঁলোকৰ পৰা তৌজী খাজনা আদায় কৰাৰ ব্যৱস্থা কৰে তেতিয়াহলে চৰকাৰৰ ৰাজহলৈ ৰাজকোষত বহুত টকা আহিব। তাৰ পাছত মই শিক্ষা জগতৰ কথা অলপ কবলৈ ওলাইছো। এল, পি, স্কুলৰ যিবিলাক সহ-পৰিদৰ্শক আছে তেওঁলোক বহুদিন ধৰি নথকাৰ ফলত শিক্ষকসকলে দৰ্মহা আদি লোৱাত বহুত অসুবিধা হৈ আছে। কাৰণ শিক্ষক সকলে দৰ্মহা লবলৈ তেওঁলোকৰ ওচৰলৈ চাৰ্টিফিকেট বিচাৰি গলে তেওঁলোকক বিচাৰি নাপায়। প্ৰাথমিক বিদ্যালয় বিলাকত এতিয়ালৈকে কিতাপ বিতৰণ কৰা হোৱা নাই। আজি প্ৰায় চাৰিমাহ মানেই হৈ গ'ল এতিয়ালৈকে কিতাপ-পত্ৰ পোৱাহি নাই। যোৱা কালি মোৰ সমষ্টিৰ ৰাইজে মোক এখন এই সম্পৰ্কত দৰ্খাস্ত দিছে। মোৰ সমষ্টিৰ চৰকাৰী হওক বা বেচৰকাৰী হওক প্ৰায় বিলাক স্কুলেই পোৱা নাই। যোৱা বেলি কপাহতলী ৰিজাৰ্ভত থকা স্কুলৰ ছাত্ৰ ছাত্ৰীয়ে কিতাপ-পত্ৰ পোৱা নাছিল কিন্তু যেতিয়া শিক্ষামন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো, তেতিয়া লগে লগেই শিক্ষা মন্ত্ৰীয়ে কিতাপ পঠিয়ালে। ৰিজাৰ্ভৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিব লাগে। এনেবিলাক ঘটনা হৈয়েই থাকে। এল,

পি, স্কুলৰ পৰিদৰ্শকৰ ওপৰত শাসন নথকাৰ কাৰণে তেওঁলোকে স্কুলবিলাক নাচায় আৰু সেই কাৰণে শিক্ষক সকলেও বিল পাচ কৰিবলৈ পৰিদৰ্শকক বিচাৰি নাপায়। কিছুমান সহ-পৰিদৰ্শক আছে তেওঁলোকে কনট্ৰেক্ট কৰে, স্কুললৈ যাব নালাগে, কাৰণ তেওঁলোকৰ কামেই নাই, দৰমহা এনেয়ে পায় থাকে। সেই সহ-পৰিদৰ্শকৰ নাম ৰজনী দাস। এইখিনিতে মই এটা সাধু কবলৈ ওলাইছো। এডাল ডাঙৰ গছত এজাক হাহে বাহ ললে। সেই হাহ জাক তাত বহু দিন থাকিল। সেই ডাঙৰ গছডালৰ গুৰিত এডাল সৰু লতা বগাবলৈ আৰম্ভ কৰিলে, তেতিয়া সেই হাহজাকৰ মাজৰ পৰা এটা বুঢ়া হাহে সেই হাহ কেইটাক কলে যে গছ ডালৰ গুৰিত এডাল লতা বগাই আহি আছে, আমি সেইডাল উঘালী পেলাব লাগে। লতাডাল বাঢ়ি অহাৰ আগতেই নষ্ট কৰিব লাগে, কিয়নো ভবিষ্যতে ই আমাৰ বিপদৰ সৃষ্টি কৰিব। কিন্তু হাহজাকৰ কোনেও সেই বুঢ়া হাহৰ কথা নুশুনিলে। সেই লতাডাল বগাই গৈ গৈ হাহজাকৰ বাঁহৰ ওচৰ পালে। এনেতে এজন চিকাৰিয়ে সেই হাহজাক দেখা পালে আৰু সেই লতাডালেৰে বগাই বগাই হাহজাকৰ ওচৰৰ ফালে যাব ধৰিলে। তেতিয়া বুঢ়া হাহটোৱে কলে, "তহতে মোৰ কথা নুশুন। এতিয়া যি হ'ল হ'ল আৰু। আমিতো মৰিবই লাগিব, গতিকে আমি আটাইকেউজনে মৰা ভাও ধৰি থাকো।" এই বুলি কৈ গোটেইকেইটা হাহে মৰা ভাও ধৰি থাকিল। তাৰ পিচত চিকাৰীটোৱে গৈ হাহবিলাক মৰা অৱস্থাত পালে আৰু মৰাৰ কাৰণে এটা এটাকৈ হাহবিলাক মাটিত পেলাই দিলে। তেতিয়াই যদি হাহবোৰে গছৰ পৰা শিপাডাল উঘালী পেলালেহেতেন তেতিয়াহলে এনেদৰে মৰা ভাও ধৰিবলগীয়া নহলহেতেন। ঠিক সেইদৰে আমাৰ আজিৰ অৱস্থা নহ'লহেতেন।

* শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ মাৰ্চ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৯৮৮-৮৯ চনৰ বাবে যি বাজেট ইয়াত উত্থাপন কৰিছে মই ভাবো এই বাজেটখনে অসমত বাস কৰা বিভিন্ন জাতি-গোষ্ঠীৰ আশা আকাংক্ষাৰ প্ৰতিফলিত কৰা এখন গতিশীল বাজেট আৰু এই বাজেটখনৰ ওপৰত মই সমৰ্থন জনাইছো। এই বাজেটৰ ওপৰত মাননীয় সদস্য সকলে তেখেত সকলৰ বিভিন্ন বক্তব্য ৰাখি থৈ গৈছে। মই এই বিষয়ে মোৰ ভাষণত উল্লেখ কৰিব বিচৰা নাই। মই মাত্ৰ আমাৰ বিৰোধী দলৰ সদস্য কেইজনমানে এই বাজেটৰ ওপৰত কিছুমান মন্তব্য ৰাখি গৈছে, তাৰ ওপৰত মই কেইটামান

* Speech not Corrected

কথা কৰ বিচাৰিছো। এই বাজেটখন এখন কৰবিহীন বাজেট আৰু ইয়াৰ মূল উদ্দেশ্য হৈছে অসমত বাস কৰা সৰ্বসাধাৰণ শ্ৰেণীৰ মানুহৰ যিহেতু কৰৰ বোজা বহন কৰাৰ অৱস্থা নাই, সেয়েহে কৰৰ বোজা বহন কৰাৰ কথা ইয়াত সন্নিবিষ্ট কৰা হোৱা নাই। সেইকাৰণেই এই বাজেটখন ঘাটি বাজেট হিচাবে উথাপন কৰা হৈছে। আমাৰ যিবিলাক সম্পদ বা ইনকাম আমি আহৰণ কৰিব পৰা নাই সেইবিলাক আহৰণ কৰাৰ কাৰণে যি বিলাক সমস্যা সেই সমস্যা সমাধান কৰাতো নিতান্তই দৰকাৰ। গতিকে এইবিলাক কাৰণতেই ঘাটি বাজেট হ'ল। এই সমস্যাবিলাকো সামৰি লব লগা হৈছে। মাননীয় এজন বিৰোধী পক্ষৰ সদস্যই বিধবাৰ বিননি বোলা কথা এষাৰ ইয়াত উল্লেখ কৰিছে। এই সম্পৰ্কত মই মাননীয় সদস্য গৰাকীক এটা কথা কব বিচাৰিছো যে ১৯৪৭ চনত এই অসম ৰাজ্যখন ভাৰত ইউনিয়নৰ লগত নাথাকি যদি এখন সুকীয়া ৰাজ্য হিচাবে থাকিলেহেতেন তেতিয়াহলে এই অসম ৰাজ্যখনৰ আজিৰ এই অৱস্থা এনেদৰে নাথাকিলেহেতেন। অসমৰ অৱস্থা জয় জয় ময় ময় অৱস্থা হ'লহেতেন। অসমৰ যিবিলাক সম্পদৰাজী আছে, সেই-বিলাকৰ ইনকাম আমি পোৱা নাই। যাৰ বাবে আমি আমাৰ অংশ বিচাৰিবলগীয়া হৈছে। নিজৰ প্ৰাপ্য বিচাৰিলে কেতিয়াও বিধবাৰ বিননি হব নোৱাৰে।

Shri Altaf Hussain Majumdar : Sir, does the hon'ble Member want an independent Assam ?

শ্ৰীপ্ৰফুল্ল গোস্বামী : ন' ন', যদি সেইটো হ'লহেতেন এইটো অৱস্থাতে নাথাকিলে-হেতেন। আজি ডঃ আম্বেডকাৰে যিখন ভাৰতীয় সংবিধান ৰচনা কৰিলে সেইখন বাই-কেমেৰিয়েল চিচটেমত কৰিছে, পৃথিৱীৰ বিভিন্ন গণতান্ত্ৰিক দেশত এই চিচটেম আছে। কিন্তু আজি ভাৰতবৰ্ষত বাই-কেমেৰিয়েল চিচটেম হৈ থকা নাই, ই ইউনিটাৰী চিচটেম হৈছে। আজি কেন্দ্ৰত ৰাজ্যৰ যি ক্ষমতা থাকিব লাগিছিল সেই ক্ষমতা দেখিবলৈ পোৱা নাই। আৰু ই কেৱল ইউনিটাৰী হৈ আছে। যাৰ বাবে আজি এই সংবিধানখন সংশোধন কৰাৰ প্ৰয়োজনীয়তা হৈ পৰিছে। যাৰ বাবে আজি ৰাজ্য আৰু কেন্দ্ৰৰ মাজত থকা সম্পৰ্কীয় বিষয়টোৰ ওপৰত বাদানুবাদ হৈছে আৰু এই বিষয়ে আলোচনা কৰিবলগীয়া হৈছে। যাৰ বাবে বিভিন্ন ৰাজ্যত আজি আঞ্চলিক দল গঠন হৈছে আৰু ৰাজ্যৰ শাসন পৰ্যন্ত চলাই নিবলগীয়া হৈছে। আমাৰ সংবিধানখন ভুল হিচাবে সন্নিবিষ্ট হোৱাৰ কাৰণেই আমাৰ বিভিন্ন ৰাজ্যৰ মাজত শান্তি, ঐক্য আৰু সমন্বয় নোহোৱা হ'ল। মই কব বিচাৰিছো যে ভাৰতীয় যিখন সংবিধান আৰু এই সংবিধানে বিভিন্ন ৰাজ্যত দিব পৰা যিখিনি ব্যৱস্থা আছে এই ব্যৱস্থাখিনি যদি নিদিয়ে তেতিয়াহলে ভাৰতবৰ্ষৰ ইউনিয়নক লৈ আমি যি গৌৰৱ কৰিছো সেই গৌৰৱ হয়তো এদিন শেষ হৈ যাব পাৰে। সেয়ে মই ভাবো ইয়াক আজি গভীৰভাবে চিন্তা কৰি আমাৰ সম্পদৰাজীৰ উপাৰ্জনৰ মূল্যটো যাতে আমি যথাযোগ্য ভাবে পাও তাৰ বাবে চেষ্টা কৰিব লাগে। মাননীয় আন এগৰাকী সদস্যই কৈছে যে কেন্দ্ৰীয়

চৰকাৰে যিখিনি দিব লাগে তাতকৈ অধিক দিছে কিন্তু আজি অসমত বাৰম্বাৰ বানপানী হৈ গ'ল, প্ৰাকৃতিক দুৰ্যোগে জলা কলা কৰা আমাৰ ৰাজ্যখনৰ সৰ্বদলীয় প্ৰতিনিধিৰ দল গৈও এই সমস্যা সমাধানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বাৰে বাৰে দাবী কৰা স্বত্বেও আজি এই সমস্যাটো সমাধান কৰিব নোৱাৰিলে। তেতিয়াহলে আপোনালোকে কেনেকৈ কব খোজে যে কেন্দ্ৰীয় চৰকাৰে সকলোখিনি দিছে। আজি যিখিনি আমাৰ ৰাজ্যখনক দিব লাগে সেইখিনি দিয়া হোৱা নাই। তৃতীয়তে অসম চুক্তি বিষয় লৈ যেতিয়া আলোচনা কৰা হৈছিল তেতিয়া মাননীয় ইউ, এম, এফ সদস্য গোলাম ওচমানী ডাঙৰীয়াই এটা কথা কৈছিল। অসম চুক্তি কিয় কৰিবলগীয়া হ'ল এই কথাটো তেখেতে ভালকৈ জানে, আমিও জানো। এই চুক্তি ৰূপায়ণ হব বুলি তেওঁলোকে ভয় কৰিছে। কিন্তু এটা কথা তেখেত-সকলে জনা উচিত ১৯৫২ চন, ১৯৬০ চন, ১৯৭১ চনৰ চেনচাচ হৈ যোৱা মতে অসমলৈ বাহিৰৰ মানুহ নিশ্চয় আহিছে। এই মানুহখিনিক উলিয়াই দিয়াৰ দায়িত্ব কেৱল শাসনত অধিষ্ঠিত দলৰেই নহয়, ই সকলো দলৰেই দায়িত্ব। কিন্তু আনহাতেদি তেওঁলোকে কৈছে যে বিদেশী চিনাক্তকৰণৰ নামত ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হৈছে। যিটো কথা মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে স্পষ্টভাৱে জনাইছে যে ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হোৱা নাই।

**Dr. Ardhendu Kumar Dey :** Sir, on a point of clarification the people who have come to Assam up to 1971, according to the Accord they will have the right to stay here.

শ্ৰীপ্ৰফুল্ল গোস্বামী : আনহাতেদি আজি দেশখনত জনসংখ্যা ৰোধ কৰাৰ কাৰণে পৰিয়াল পৰিকল্পনা আচনি লোৱা হৈছে। কিন্তু অন্যকালে বিদেশী নাগৰিক সোমাই আৰু অবৈধ্য ভাবে বসবাস কৰি জনসংখ্যা বৃদ্ধি কৰিছে। এইটো আপোনালোকে জানিও নিজৰ স্বাৰ্থৰ কাৰণে বা ব্যক্তিগত স্বাৰ্থ বা ৰাজনৈতিক মুনাফা লবৰ কাৰণে স্বীকাৰ কৰা নাই। আপোনালোকে বিদেশী নাগৰিকক হাৰাশাস্তি কৰা বুলি কৈ থাকিলে আজি এই সমস্যা সমাধান নহব আৰু বিদেশীকেই যদি ৰক্ষণা-বেক্ষণ দি থাকে তেতিয়াহলে আমাৰ এই ৰাজ্যখনত ঐক্য-শান্তি বিনষ্ট হৈ যাব। গতিকে মই আশা ৰাখিছো আপোনালোকে মুক্ত কণ্ঠে ওলাই আহক আৰু সকলোৱে লগ লাগি এই অবৈধ ভাবে অহা বিদেশী নাগৰিকক চিনাক্ত কৰি উলিয়াই দিয়াৰ ব্যৱস্থা কৰা হওক। নহলে আমাৰ ভবিষ্যত বংশধৰ সকলৰ সম্পদৰাজী এই সকল অবৈধ ভাবে বসবাস কৰা বিদেশী লোকে গ্ৰাস কৰি পেলোৱাৰ চেষ্টা কৰি আছে। আজি যি সময়ত ফেমিলি প্লেনিঙৰ দ্বাৰা আমাৰ ইয়াত জনসংখ্যা ৰোধ কৰাৰ প্ৰচেষ্টা চলিছে সেই সময়ত অবৈধ ভাবে সোমোৱা বিদেশী নাগৰিকক ৰক্ষণা-বেক্ষণ দি ইয়াতে ৰখাৰ ব্যৱস্থাৰ ওপৰত কোনেও সমৰ্থন নকৰে। সেয়ে মই সদনৰ সমূহ সদস্যকে অনুৰোধ জনাইছো তেখেতসকল আগবাঢ়ি আহক আৰু আগবাঢ়ি আহি এই যি অবৈধ

বিদেশী নাগৰিকে আমাৰ ৰাজ্যখনত সোমাই পৰি যি ভয়াবহ পৰিস্থিতিৰ উদ্ভব কৰিছে সেই পৰিস্থিতিৰ সমাধান কৰিবলৈ অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি উলিয়াই দিয়াৰ প্ৰচেষ্টাত সহযোগ কৰক। শেষত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা বাজেটখনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : বাজেটৰ ওপৰত আলোচনা ইতিমধ্যেই শেষ হৈছে। এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে বক্তব্য ৰাখিব।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বাজেট আলোচনাত অংশ গ্ৰহণ কৰা কিছু সদস্যই ঘাটি বাজেট উত্থাপন কৰাৰ বাবে সমালোচনা কৰিছে। আন কিছুমান সদস্যই ঘাটি পূৰণৰ বাবে কোনো নিৰ্দ্ধাৰিত ব্যৱস্থাৰ কথা উল্লেখ নকৰাৰ সমালোচনা কৰিছে। অন্যান্য কেতবোৰ মাননীয় সদস্যই সম্পদ হস্তান্তৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নীতি সমালোচনা কৰাৰ বাবে অসন্তুষ্ট হোৱা যেন পৰিলক্ষিত হৈছে।

১। মই বিত্তীয় অৱস্থাৰ এক বাস্তৱিক ছবিহে দাঙি ধৰিবলৈ চেষ্টা কৰিছিলো। আমাৰ নিজস্ব কৰ আৰু অনাকৰ ৰাজহ ৰাজ্যখনে বহন কৰিবলগীয়া ব্যয়ৰ বাবে যে যথেষ্ট নহয় সেই কথাহে মই বিশেষভাবে উল্লেখ কৰিছিলো। উন্নয়নমূলক কাম-কাজ হাতত লোৱা আৰু শিক্ষা, স্বাস্থ্য আদিৰ শিতানত কাম-কাজৰ সম্প্ৰসাৰণৰ বাবে ৰাজ্যখনে যথেষ্ট ব্যয় বহন কৰিবলগীয়া হয়। তেনে ব্যয় পৰিকল্পনা পুজিৰ পৰা বহন কৰা হয়। ৰাজ্যিক পৰিকল্পনাৰ বাবে পোৱা কেন্দ্ৰীয় সাহায্য ঋণ আৰু অনুদান হিচাপে দুটা অংশত পোৱা হয়। এই সাহায্যৰ শতকৰা ৭০ ভাগ ঋণ আৰু শতকৰা ৩০ ভাগ অনুদান। আমি উন্নয়নৰ দিশত ব্যয় কৰা সম্পদৰ বাবে কেন্দ্ৰীয় সাহায্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় আৰু যিহেতু আমাৰ পৰিকল্পনাৰ কাম চলাবই লাগে সেয়ে আমি মূলধন পৰিশোধ আৰু সুত শোধ কৰাৰ দায়িত্ব বহন কৰিবলগীয়া হয়। মই মোৰ বাজেট বক্তৃতাত ৰাজহুৱা ঋণৰ পৰিমান বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰিছো। এই বোজাৰ প্ৰতি লক্ষ্য ৰাখি আমি ভাৰত চৰকাৰক পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় সাহায্য হিচাপে দিয়া ধন শতকৰা ৯০ ভাগ অনুদান আৰু শতকৰা ১০ ভাগ ঋণ হিচাপে গণ্য কৰিবলৈ অনুৰোধ জনাই আহিছো। মই সুখী যে মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰে সেই একে পৰামৰ্শ আগবঢ়াইছে।

২। মই বাজেট বক্তৃতাত তেলৰ ৰয়েল্‌টি আৰু কন্‌চাইন্‌মেণ্ট কৰৰ কথাও উল্লেখ কৰিছিলো। কিয়নো এই দুটা হৈছে ৰাজহৰ ডাঙৰ উৎস। যিহেতু ১-৪-৮৭ তাৰিখৰ পৰা তেলৰ ৰয়েল্‌টিৰ হাৰ বৃদ্ধি কৰিবলগীয়া হৈ আছে সেয়ে ভাৰত চৰকাৰে অতি শীঘ্ৰে এই হাৰ বৃদ্ধি কৰাটো বিচাৰো। কন্‌চাইনমেণ্ট কৰৰ ক্ষেত্ৰত ষ্টক হস্তান্তৰৰ ওপৰত কৰ লগাবৰ অৰ্থে আইন প্ৰণয়নৰ কৰ্ত্তৃত্ব দিয়াৰ বাবে সংবিধান সংশোধন কৰা হৈছে যদিও ভাৰত চৰকাৰে এই সন্দৰ্ভত প্ৰয়োজনীয় আইন এতিয়াও চূড়ান্ত কৰিবলৈ বাকী আছে। মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যোৱা বছৰ অতিৰিক্ত সম্পদ আহৰণৰ বাবে কেতবোৰ ব্যৱস্থা আমি

---

★ Speech not Corrected

লৈছিলো। ১৯৮৬ চনত বিধান সভাই গ্ৰহণ কৰা গ্ৰাম্য নিয়োচেচ আইনখন এতিয়াও ৰাষ্ট্ৰপতিৰ সন্মতি লাভৰ বাবে পৰি আছে। বৰ্ত্তমান বছৰতো অসম ৰাজ্যিক পথ পৰিবহন নিগমৰ বাছৰ ভাৰা সংশোধন কৰা হৈছে। ইয়াৰ ফলত ৰাজ্যিক পথ পৰিবহন নিগমৰ আভ্যন্তৰিণ সম্পদ বঢ়োৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। আৰু ইয়াৰ ফলত ৰাজ্য চৰকাৰৰ বোজাও কিছু পৰিমানে লাঘৱ হব। আমি সম্পদ বঢ়োৱাৰ বাবে কৰ সংগ্ৰহৰ কাম আৰু ব্যৱস্থা কৰিছো আৰু আগন্তুক বছৰত ইয়াক আৰু বঢ়াবলৈ চেষ্টা কৰিম। পৰিকল্পনা বহিৰ্ভূত ব্যয় পাৰ্য্যমানে কমাবলৈ আমি দৃঢ় প্ৰতিজ্ঞ।

৩। মই মোৰ বাজেট বক্তৃতাত কেন্দ্ৰ আৰু ৰাজ্য সমূহৰ মাজত সম্পদৰ সমতাপূৰ্ণ বিতৰণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছিলো। কেন্দ্ৰীয় চৰকাৰে অনুসৰণ কৰা কেতবোৰ নীতিৰ ফলত কেনেকৈ ৰাজ্যসমূহৰ সম্পদ হ্ৰাস পায় তাৰে কেইটামান উদাহৰণ দাঙি ধৰিব খোজো।

ক্ষুদ্ৰ সঞ্চয়ৰ পৰা পোৱা ধনৰ লগত ৰাজ্যসমূহৰ সম্পদৰ পোনপটীয়া সম্বন্ধ আছে। কিয়নো ক্ষুদ্ৰ সঞ্চয়ৰ মুঠ সংগৃহীত ধনৰ তিনি চতুৰ্থাংশ ৰাজ্যসমূহে ঋণ হিছাপে পায়। সেয়ে ৰাজ্যখনত ক্ষুদ্ৰ সঞ্চয়ৰ সংগৃহীত ধনৰ পৰিমান বৃদ্ধি পালে ঋণৰ আকাৰত ৰাজাই পোৱা ৰাজহৰ ধনৰ পৰিমানো বৃদ্ধি পায়। ভাৰত চৰকাৰে ইতিমধ্যে ক্ষুদ্ৰ সঞ্চয়তকৈ কেতবোৰ সঞ্চয়ৰ পদ্ধতি অধিক আকৰ্ষণীয় কৰি প্ৰবৰ্ত্তন কৰিছে। ফলস্বৰূপ ক্ষুদ্ৰ সঞ্চয়ৰ টকা অন্যান্য সঞ্চয় আচনি যোগে সংগ্ৰহ কৰা হৈছে। ইয়াৰ পৰিনামত ৰাজ্যই ইয়াৰ পৰা কোনো প্ৰত্যক্ষ সুবিধা ভোগ কৰা নাই। ক্ষুদ্ৰ সঞ্চয় জমাৰ শ্ৰেণীভুক্ত আচনিৰ পৰিবৰ্ত্তে বিশেষ জমাৰ আচনি প্ৰবৰ্ত্তন কৰাৰ কেন্দ্ৰীয় চৰকাৰৰ একপক্ষীয় সিদ্ধান্তই সেই ৰাজ্যৰ স্বাৰ্থত আঘাত হানিছে। এই খিনিতে মই এই কথাও উল্লেখ কৰিব খোজো যে ক্ষুদ্ৰ সঞ্চয়ৰ হিচাপত দিয়া ঋণৰ সুতৰ হাৰো ১৯৮৫-৮৬ চনৰ শতকৰা ১০'২৫ ভাগৰ পৰা ১৯৮৬-৮৭ চনত শতকৰা ১২ ভাগ বৃদ্ধি পাইছে।

মাননীয় সদস্য সকলে জানে যে আবকাৰী শুল্ক বিতৰণ যোগ্য ( Divisible pool ) পুঁজিৰ অংশ বিশেষ। আবকাৰী শুল্কৰ পৰা সংগৃহীত ধনৰ শতকৰা ৪৫ ভাগ ৰাজ্যসমূহৰ মাজত ভগাই দিয়া হয়। আবকাৰী শুল্ক বৃদ্ধি কৰাৰ পৰিবৰ্ত্তে পেট্ৰোল সামগ্ৰী, কয়লা, লোহা আদি কেতবোৰ সামগ্ৰীৰ প্ৰশাসিত ( administered ) মূল্য কেন্দ্ৰই সময়ে সময়ে বৃদ্ধি কৰি থাকে। যদি এই বৃদ্ধি আৱকাৰী শুল্কৰ আকাৰত হলহেঁতেন তেনেহলে ৰাজ্য সমূহে ইয়াৰ অংশ পাব পাৰিলেহেঁতেন। অৱশ্যে প্ৰশাসিত মূল্য বৃদ্ধি কৰি সংগ্ৰহ কৰা অতিৰিক্ত ৰাজহ বিতৰণ যোগ্য পুঁজিত যোগ নহয়। আবকাৰী শুল্কৰ পৰিবৰ্ত্তে প্ৰশাসিত মূল্য প্ৰয়োগে ৰাজ্য চৰকাৰ সমূহক ৰাজহৰ এক বুজন উৎসৰ পৰা বঞ্চিত কৰিছে।

কেন্দ্ৰই সংগ্ৰহ কৰা শতকৰা ৮৫ ভাগ আয়কৰ বিতৰণ যোগ্য পুঁজিত জমা হয় আৰু ইয়াক ৰাজ্যসমূহৰ মাজত ভাগ-বটোৱাৰা কৰা হয়। ১৯৫৯ চনত সংবিধানৰ সংশোধনী ঘটাই কৰ্পোৰেশ্যন কৰ নামেৰে জনাজাত কোম্পানীসমূহে আয়ৰ ওপৰত দিয়া কৰ বিতৰণ যোগ্য

পূজিৰ পৰা বাহিৰত ৰখা হৈছে। ইয়াৰ ফলত ৰাজ্যসমূহক ৰাজহৰ এক গুৰুত্বপূৰ্ণ উৎসৰ ন্যায় সদনত অংশৰ পৰা বঞ্চিত কৰা হৈছে। ১৩৩ কোটি টকা আয়কৰৰ বিপৰীতে ১৯৫০-৫১ চনত কৰ্পোৰেশ্যন কৰৰ পৰিমাণ আছিল ৪০ কোটি টকা। ভাৰত চৰকাৰৰ ১৯৮৭-৮৮ চনৰ বাজেট নিৰ্দ্ধাৰণ মতে কৰ্পোৰেশ্যন কৰৰ পৰা সংগৃহীত ধন সম্প্ৰতি ৩৪৫২ কোটি টকালৈ বৃদ্ধি পাইছে। আনহাতে ইয়াৰ বিপৰীতে আয়কৰ নিৰ্দ্ধাৰণ কৰা হৈছে ২৮৪৫ কোটি টকা। ইয়াৰ পৰা দেখা যায় যে বিগত ৩৭ বছৰত কৰ্পোৰেশ্যন কৰ ৮৬ গুণ বাঢ়িছে আৰু আয়কৰ বাঢ়িছে ২১ গুণহে। কৰ্পোৰেশ্যন কৰ বিতৰণ যোগ্য পুঁজিৰ অন্তৰ্ভুক্ত নকৰাৰ ফলত ৰাজ্যসমূহে কি পৰিমানে ক্ষতিগ্ৰস্ত হৈছে তাক সহজে অনুমান কৰিব পাৰি। আনকি অষ্টম বিত্ত আয়োগেও এই বিষয়টো পৰ্য্যালোচনা কৰিবলগীয়া হৈ থকা বাকী থকা বিষয় বুলি মন্তব্য প্ৰকাশ কৰিছে। আমি কৰ্পোৰেশ্যন কৰ বিতৰণযোগ্য পূজিত অন্তৰ্ভুৰ্ক্ত হোৱাটো বিচাৰো। যদিহে এইটো কৰা হয় তেনেহলে ৰাজ্যসমূহে এক বুজন পৰিমাণৰ ৰাজহ পাবলৈ আশা কৰিব পাৰে।

৫ (১) মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্তই বহু গুৰুত্বপূৰ্ণ বিভাগত ধাৰ্য্য কৰা ধন যথোপযুক্ত হোৱা নাই বুলি উল্লেখ কৰিছে। ৰাজ্যখনৰ ক্ষিপ্ৰ উন্নয়নৰ বাবে অধিক পূজি আবন্টনৰ যে প্ৰয়োজন আছে সেই বিষয়ত আমিও তেওঁৰ লগত একমত। কিন্তু ব্যয় কৰিবলৈ প্ৰয়োজনীয় পূজিৰ অভাবেই এই ক্ষেত্ৰত সীমাবদ্ধতাৰ কাৰণ। আমাৰ সম্পদে আমি বিচৰা মতে আবন্টনৰ সুবিধাদান নকৰে।

৫ (২) অৱশ্যে শ্ৰীদাসগুপ্তই ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণ আৰু প্ৰকৃতৰ মাজত বৃহৎ হীনদেড়িৰ কথা উল্লেখ কৰিছে। এই হীনদেড়িৰ পৰিমান হ'ল ১১৬.৮৬ কোটি টকা। মই ইতিমধ্যে মোৰ বাজেট বক্তৃতাত উল্লেখ কৰিছো যে সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত ১৯৮৬-৮৭ চনৰ আৰম্ভনিৰ উদ্বৃত্তত ৩৮.৬২ কোটি টকা ঘাটিৰ পৰা অসমৰ মহাগাননিকে প্ৰকৃততে ১০৩.৯৭ কোটি টকা ঘাটি দেখুওৱাৰ ফলতেই এই ব্যাপক ব্যৱধান দেখা গৈছে। অসমৰ মহাগাননিকে দেখুওৱা প্ৰকৃত মতে বাজেট প্ৰস্তুতিৰ সময়ত দেখুওৱা সংখ্যাৰ কেতিয়াবা কেতিয়াবা সলনি হয়। ৩১ মাৰ্চত শেষ হোৱা বছৰৰ হিচাপৰ বহু কাৰণত পিছত সাল-সলনি হয়। উদাহৰণ স্বৰূপে বছৰ শেষ হোৱাৰ পিছত

লেন-দেনৰ সংযোজন পলমকৈ কৰা বাবে বা পলমকৈ জনোৱা বাবে বা পৰীক্ষা-নিৰীক্ষাত পলম হোৱাৰ বাবেই এই ধৰণৰ সাল-সলনি হৈ থাকে।

১৯৮৬-৮৭ চনৰ ঘাটিৰ ক্ষেত্ৰত সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত নিৰ্দ্ধাৰণ ৫১'৫১ কোটি টকা বৃদ্ধি পোৱাই এই হীনদেড়িৰ আন এটা কাৰণ। এই বিষয়ে মই মোৰ বাজেট বক্তৃতাতো উল্লেখ কৰিছো।

৫ (৩) মাননীয় সদস্য গৰাকীয়ে একত্ৰিত নিধিৰ কোনো উন্নতি পৰিলক্ষিত হোৱা নাই বুলি উল্লেখ কৰিছে। মই ইতিমধ্যে বাজেট বক্তৃতাত উল্লেখ কৰিছো যে ৰাজহ হিচাপত ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত নিৰ্দ্ধাৰণে ৭৮'৩৯ কোটি টকা পৰিমাণৰ উন্নতি সূচাইছে। আনহাতে একত্ৰিত নিধিৰ অন্তৰ্ভুক্ত মূলধনী হিচাপত ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণত ১০৪৯'১১ কোটি টকাৰ প্ৰাপ্তি আৰু ১০৬৬'২১ কোটি টকাৰ মূলধনী ব্যয় দেখুওৱা হৈছিল। ইয়াৰ ফলত ১৭'১০ কোটি টকাৰ ঘাটি হ'ব লাগিছিল। কিন্তু ১৯৮৬-৮৭ চনৰ প্ৰকৃত নিৰ্দ্ধাৰণত দেখা যায় যে একত্ৰিত নিধিৰ অন্তৰ্ভুক্ত মূলধন প্ৰাপ্তিৰ পৰিমাণ হৈছে ৪৮২'৪৪ কোটি টকা আৰু মূলধন ব্যয় হৈছে ৫১৮'০৬ কোটি টকা। ফল স্বৰূপে ঘাটিৰ পৰিমাণ হৈছে ৩৫'৬২ কোটি টকা। এইদৰে মূলধনী হিচাপত ১৯৮৬-৮৭ চনৰ ঘাটিৰ পৰিমাণ সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত নিৰ্দ্ধাৰণত ১৮'৫২ কোটি টকা বাঢ়ি যায়। কিন্তু মূলধনী হিচাপত ঘাটি বৃদ্ধি সত্বেও ৰাজহ হিচাপত আগতে উল্লেখ কৰাৰ দৰে ৭৮'৩৯ কোটি টকাৰ উন্নতি হোৱা বাবে একত্ৰিত নিধিৰ লেন-দেনৰ প্ৰকৃত ফলাফলত ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণতকৈ প্ৰকৃত নিৰ্দ্ধাৰণত ৫৯'৮৭ কোটি টকাৰ উন্নতি পৰিলক্ষিত হয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ১৯৮৬-৮৭ চনৰ বাজেট নিৰ্দ্ধাৰণ আৰু সংশোধিত নিৰ্দ্ধাৰণৰ উদ্ধৃতি দি কৈছে যে বাজেট নিৰ্দ্ধাৰণত ১০২৯'৮৮ কোটি টকাৰ মূলধনী আয় দেখুওৱা হৈছে যদিও সেই বছৰৰে সংশোধিত নিৰ্দ্ধাৰণত ১০৪৯'১১ কোটি টকা দেখুওৱা হৈছে। কিন্তু সম্প্ৰতি প্ৰকৃত হিচাপত ৪৮২'৪৪ কোটি টকাহে দেখা গৈছে। যদিও বাজেট নিৰ্দ্ধাৰণ আৰু সংশোধিত নিৰ্দ্ধাৰণৰ মাজৰ পাৰ্থক্য বৃহৎ নহয়, মাননীয় সদস্য গৰাকীয়ে ১৯৮৬-৮৭ চনৰ প্ৰকৃত হিচাপত ব্যাপক ব্যৱধান দেখি আচৰিত হৈছে।

উল্লেখ কৰিব পাৰি যে চৰকাৰৰ নগদ উদ্বৃত্তৰ নাটনি পূৰাবলৈ ভাৰতৰ

ৰিজাৰ্ভ বেঙ্ক / ভাৰত চৰকাৰৰ পৰা কেতিয়াবা কেতিয়াবা লোৱা সাময়িক আগধন অন্যান্য বিষয়ৰ লগতে মূলধনী আয়ৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়। উল্লেখযোগ্য যে আয় আৰু ব্যয়ৰ পৰিমাণৰ সমতাহীনতাই ৰাজ্য চৰকাৰৰ নগদ উদ্বৃত্তৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰে। অৱশ্যে নগদ ধনৰ নাটনি পূৰাবলৈ লোৱা অৰ্থোপায়ৰ আগধন ৰাজ্য চৰকাৰৰ নগদ ধন প্ৰাপ্তিৰ পৰিমাণ উন্নত হোৱাৰ লগে লগে বছৰটোৰ ভিতৰতে সাধাৰণতে পৰিশোধ কৰা হয়। ১৯৮৬-৮৭ চনত ভাৰতৰ ৰিজাৰ্ভ বেঙ্কৰ পৰা কম ঘনাই অৰ্থোপায়ৰ আগধন লোৱা হৈছিল। ১৯৮৬-৮৭ চনৰ প্ৰকৃত হিচাপে ১৯৮৬-৮৭ চনৰ সংশোধিত নিৰ্দ্ধাৰণৰ শিতানত দেখুওৱাতকৈ তেনে আগধন পৰিশোধ কৰাৰ বাবে কম মূলধন আয় আৰু কম মূলধন ব্যয়ৰ কথাকেই সূচাইছে। ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ বাজেট বক্তৃতাৰ পৰিশিষ্টলৈ লক্ষ্য কৰিলে দেখা যাব যে ১৯৮৬-৮৭ চনৰ বাজেট নিৰ্দ্ধাৰণত দেখুওৱা ১০২৯.০৮ কোটি টকাৰ বিপৰীতে ১৯৮৬-৮৭ চনৰ মূলধনী আয়ৰ শিতানত প্ৰকৃত প্ৰাপ্তি ৪৮২.৪৪ কোটি টকা দেখুওৱা হৈছে আৰু একেদৰেই মূলধনী ব্যয়ৰ ক্ষেত্ৰত ১০৩৯.১৬ কোটি টকাৰ বাজেট নিৰ্দ্ধাৰণৰ বিপৰীতে প্ৰকৃত ব্যয় দেখা গৈছে ৫১৮.০৬ কোটি টকা। অৰ্থাৎ আয়ো কম হৈছে, ব্যয়ো কম হৈছে।

১৯৮৬-৮৭ চনৰ একত্ৰিত নিধিত জমা হোৱা টকাতকৈ অধিক ব্যয় কৰা হৈছে বুলিও মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰিছে। ১৯৮৬-৮৭ চনৰ একত্ৰিত নিধিৰ উদ্বৃতি দি সদস্য গৰাকীয়ে কৈছে যে ১৯৮৬-৮৭ চনত একত্ৰিত নিধিত ১৬৯২ কোটি টকাহে প্ৰকৃত আয় হোৱা দেখা যায়। হিচাপ কৰিলে পাব যে একত্ৰিত নিধিৰ পৰা হোৱা প্ৰকৃত ব্যয় ১৬৬৭.৪২ কোটি টকা। সেয়ে একত্ৰিত নিধিত কোনো ঘাটি নাই।

মাননীয় সদস্য গৰাকীয়ে পৰিপূৰক মঞ্জুৰীৰ কথাও উল্লেখ কৰিছে। মই এইখিনিতে এটা কথা উল্লেখ কৰিব খোজো। এটা বছৰত লোৱা সকলো পৰিপূৰক মঞ্জুৰীয়ে আমাৰ বিত্তীয় অৱস্থাত অতিৰিক্ত প্ৰভাৱ নেপেলাব পাৰে। উদাহৰণ স্বৰূপে ৰাজ্যিক পৰিকল্পনাৰ অধীনত কেতিয়াবা কোনো এটা বিভাগক অতিৰিক্ত ব্যয় বহন কৰাৰ বাবদ পৰিপূৰক মঞ্জুৰীৰ অনুমতি দিয়া হয় যদিহে আন এটা বিভাগত ধন ৰাহি হোৱাৰ কথা আশা কৰা যায়। তেনে ক্ষেত্ৰত ৰাজ্যিক পৰিকল্পনা ব্যয়ৰ কোনো প্ৰকৃতি বৃদ্ধি নহয় আৰু সংশোধিত নিৰ্দ্ধাৰণতো

ইয়াৰ কোনো প্ৰভাৱ নপৰে। যিহেতু কোনো বিভাগেই সদনৰ অনুমতি অবিহনে অতিৰিক্ত ব্যয় কৰিব নোৱাৰে সেয়ে অতিৰিক্ত ব্যয়ৰ প্ৰয়োজন হোৱা বিভাগটোৱে অতিৰিক্ত ব্যয় বহন কৰিব পৰাকৈ পৰিপূৰক মঞ্জুৰীৰ জৰিয়তে এই সন্মানীত সদনৰ অনুমতি লোৱা হয়।

6.1. মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৃষি আয়কৰৰ পৰা যোৱা বছৰত আদায় হবলগীয়া ৰাজহ কমকৈ দেখুওৱা হৈছে বুলি আক্ষেপ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কৃষি আয়কৰ মূলতঃ অসমৰ চাহখেতিৰ ওপৰতে ধাৰ্য্য কৰা হয়। এই কৰ চাহবাগানৰ বিক্ৰিদামৰ ওপৰত লগোৱা নহয়। এই কৰ চাহবাগানৰ আয় বা লাভৰ ওপৰতহে লগোৱা হয়। চাহখেতি আৰু উৎ-পাদনৰ পৰা যি আয় বা লাভ হয় তাৰ ৬০ শতাংশ কৃষিৰ পৰা হোৱা আয় বুলি (সংবিধান আৰু প্ৰচলিত আইন অনুসৰি) ধৰা হয়। কেন্দ্ৰীয় আয়কৰ বিভাগে প্ৰথমে মুঠ আয় নিৰূপন কৰি দিয়ে। তাৰ ৬০ শতাংশ কৃষিৰ পৰা হোৱা আয় হিচাপে ধৰি তাৰ ওপৰত কৃষি আয়কৰ আমাৰ বিষয়াসকলে ধাৰ্য্য কৰে।

কৃষি আয়কৰৰ পৰা প্ৰত্যেক বছৰে পাবলগীয়া ৰাজহৰ পৰিমাণ নিৰ্দ্ধা-ৰিত হয় আগৰ বছৰৰ আয়ৰ ওপৰত। আনহাতে চাহবাগান আয়ৰ পৰিমাণ নিৰ্ভৰ কৰে চাহপাত উৎপাদন কৰোতে হোৱা খৰছ, আভ্যন্তৰীণ আৰু আন্ত-ৰ্জাতিক বজাৰত চাহপাতৰ মূল্য আৰু চাহপাতৰ উৎপাদনৰ পৰিমাণৰ ওপৰত। ১৯৮৬ চনতো চাহবাগানৰ আয়ৰ পৰিমাণ নিৰ্দ্ধাৰিত হৈছিল এই তিনিটা কাৰণ (fact) ৰ ওপৰত। আৰু সেইদৰে নিৰ্দ্ধাৰিত হোৱা আয়ৰ ওপৰতে ১৯৮৭-৮৮ চনৰ কৃষি আয়কৰ ৰাজহ নিৰ্ভৰ কৰিছিল।

